# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২৮/০৩/২০১৮ বুধবাৰ**

---

**আজি ইংৰাজী ২৮-০৩-২০১৮ তাৰিখে পুৱা ৯-৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্বনিৰ্দ্ধাৰিত সময় সুচীমতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩৪১, কমল সিং নাজাৰ্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম প্ৰশ্নটো হৈছে, নদী দ্বীপ মাজুলীলৈ গুৱাহাটী মহানগৰীৰ পৰা পোনপটীয়াকৈ কিমানখন ASTC ৰ চলাচলৰ ব্যৱস্থা কৰা হৈছে? মাজুলীৰ ৰাইজে প্ৰায় মাজুলীৰ যিটো সংযোগী পথ সেই সংযোগী পথটোত যি Bridge ৰ দৰকাৰ আছে, সেইখিনিৰ কাৰণে চৰকাৰে এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই বুলি অভিযোগ আনি থাকে। এই ক্ষেত্ৰত মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ যি Service Transport Deptt.আছে এই Deptt.ৰ ফালৰ পৰা যোৰহাটৰ পৰা মাজুলী সংযোগী পথটো নিৰ্মাণ কৰিবৰ কাৰণে এটা প্ৰাক-কলন query কৰি তৎকালীন ভাৱে ব্যৱস্থা ল'ব নেকি? মোৰ সেইটো অনুৰোধ। পথ আৰু দলং নিৰ্মাণৰ ক্ষেত্ৰতো এই Deptt.য়ে মঞ্জুৰী দিব পাৰে। এই ক্ষেত্ৰত আমাৰ পৰিবহণ Deptt. মন্ত্ৰী ডাঙৰীয়াই এটা দায়িত্ব ল'ব নেকি?

আমাৰ এতিয়ালৈকে পৰিবহণ আয়ুক্তৰ অধীনত বহুকেইটা পদ খালী হৈ আছে। এই খালী পদ সমূহ পূৰণ কৰাৰ কাৰণে এখন বাচনি কমিটি গঠণ কৰা হৈছে বুলি কোৱা হৈছে। এই বাচনি কমিটিয়ে কিমান দিনৰ ভিতৰতে এই খালী পদ সমূহ পূৰণ কৰিব মই তেখেতক শুধিছো আৰু উত্তৰটো বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন শুধিছে তাৰ উত্তৰত কওঁ যে, মাজুলীলৈকে আগতে আমাৰ তেনেকুৱা ধৰণৰ ব্যৱস্থা নাছিল। আমাৰ চৰকাৰ অহাৰ পাছত মাজুলীৰ পৰা গুৱাহাটীলৈকে দুখন বাছ বৰ্তমান দিয়া আছে। এখন সত্ৰ পৰিক্ৰমা বাছ আছে। মাজুলীৰ সত্ৰসমূহ ভ্ৰমণ কৰি কোচবিহাৰলৈকে যোৱাৰ ব্যৱস্থা আছে। এখন আছে মাজুলী পৰ্য্যটন বাছ। এই বাছখনেৰে দ্বীপটোৰ ভিতৰৰ ঠাইসমূহ ঘুৰাৰ ব্যৱস্থা আছে। তাৰ উপৰিও এখন Local extra bus দিয়া আছে। মুঠতে ASTC ৰ পৰা ৫ খন বাছ মাজুলীত আছে। মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে দলং আৰু ৰাস্তা সেইটো আমাৰ Transport Deptt.ৰ বিষয় নহয় যদিও মই উত্তৰটো দিওঁ। আমাৰ যোৰহাট-মাজুলীৰ আৰু লক্ষীমপুৰ -মাজুলী সংযোগী এখন দলং হ'ব ব্ৰহ্মপুত্ৰৰ ওপৰত। ইয়াৰ DPR বনাই থকা হৈছে। মই এই কথাটো জানো কাৰণ শ্ৰী নীতিন গাডকাৰীৰ লগত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিখন মিটিং হৈছিল তাত ময়ো আছিলো। তেতিয়া যিকেইখন দলংৰ প্ৰস্তাৱ দিয়া হৈছিল তাৰ ভিতৰত এই কেইখন দলঙো আছিল।

তৃতীয় প্ৰশ্নটো তেখেতে কৰিছে খালী পদ সমূহৰ ওপৰত। হয়, অসম ৰাজ্যিক পৰিবহণ

আয়ুক্তৰ কাৰ্য্যালয়ত কাৰিকৰী পদখালী আছে ১২ টা আৰু Non-technical post খালী আছে ২০৭ টা। তাৰ কাৰণে আমি কমিটি এখন গঠন কৰিছো। এই কমিটিখনে সিদ্ধান্ত ল'ব আৰু যিমান সোনকালে পাৰো আমি এই post বোৰ লোৱাৰ ব্যৱস্থা কৰিম। তেনেধৰণে IWT য়ো কাৰিকৰী post Junior Engineer বা Engineer, এনেকুৱা ধৰণৰ post প্ৰায় ২৫৭ টা খালী আছে। Non-technical post খালী আছে ৪৪৯ টা। এইবিলাক post আমি লোৱাৰ ব্যৱস্থা কৰিছো। ASTC তো আমাৰ বহুত post খালী আছে। কাৰিকৰী -অকাৰিকৰী পদ ১১৮৮ টা খালী আছে। কিন্তু ASTC ৰ ১১৮৮ টা post খালী থকাৰ পাছতো আমি মাত্ৰ যিখিনি অতি প্ৰয়োজনীয় পদ সেইবোৰহে লম কাৰণ ASTC ৰ বৰ্তমান অৱস্থা বৰ শোচনীয়। বেচি কৰ্মচাৰী লোৱাৰ প্ৰয়োজন নাই। ইতিমধ্যে Contractual বহুকেইটা post লোৱা হৈছে।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিবহণ বিভাগৰ যিবিলাক post খালী আছে SC/ST/OBC যিবিলাক backlog আছে, সেইবিলাক অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি মই জানিব বিচাৰিছো।

দুই নম্বৰতে, আমাৰ বিজনীত থকা পৰিবহণ নিগমৰ কাৰ্য্যালয়টোৰ অৱস্থা একেবাৰে পুতৌলগা।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় প্ৰশ্নটো related নহয়।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** কিন্তু ছাৰ , এইটো সদৌ অসম ভিত্তিক। এই বিজনী পৰিবহণ কাৰ্য্যালয়ত কোনো কাৰিকৰী বা অকাৰিকৰী কোনো post Sanction দিয়া হোৱা নাই। তাৰ কাৰণে এইটোৰ অৱস্থা বেছি বেয়া হৈ গৈ আছে। পাৰিলে মন্ত্ৰী মহোদয়ে মোক এই প্ৰশ্নটোৰো উত্তৰ দি'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, backlog post খিনি চোৱা হ'ব পদসমূহ পূৰণ কৰাৰ সময়ত। লগতে ASTC ৰ Bus stand ৰ যিটো কথা কোৱা হৈছে সেইটো গোটেই অসমতে বেয়া হৈ আছে। ইয়াৰ ওপৰত পৰ্য্যায়ক্ৰমে আমি পুঁজিৰ ওপৰত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাজুলী আৰু লক্ষীমপুৰ সংযোগী যিখন দলংৰ কথা কৈছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। মোৰ আৰু এটা অনুৰোধ থাকিল যে আমাৰ ধূনাগুৰিত যিটো এটা পাৰঘাট আছে, নদীখন পাৰ হলেই মাজুলী পায়, PWD Minister লগত আলোচনা কৰি এখন দলং দিলে ভাল হ'ব।

**Hon'ble Speaker :**This is not a relevant question.এতিয়া কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে ১৯৯৫-৯৬ বৰ্ষত তেতিয়া আমাৰ ASTC ৰ loss আছিলে ৬.৯ টকা প্ৰতি কি: মি।

অধ্যক্ষ মহোদয়, ২০০১ চনত প্ৰতি বছৰে প্ৰতি কিঃমিঃত ৩২ টকা ৭২ পইচা loss হৈ আছিল। ২০০১ ত যেতিয়া আমাৰ চৰকাৰ খন আহিছিল তেতিয়া গোটেই অসমতে A.S.T.C. ত এক নতুন দিগন্তৰ সৃষ্টি হৈছিল।

**মাননীয় অধ্যক্ষঃ** মই আপোনাক পুনৰ কৈছো, Don't discuss these issues. This is not the way, I will not allow. Your question should be relevant .

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, মাননীয় সদস্য (কৰিমগঞ্জ উত্তৰ)ঃ** মোৰ প্ৰশ্নটো হ'ল যে, A.S.T.C.

টো এটা লাভজনক নিগম আছিল কিন্তু এতিয়া ইয়াৰ অৱস্থা পুনৰ A.G.P. ৰ দিনৰ নিচিনা হৈ যাব নেকি?

**মাননীয় অধ্যক্ষঃ** I think this is not a relevant question. This question is related with Majuli and Guwahati. আপোনাৰ বহুত কথা আলোচনা হৈছে কিন্তু question টোৰ লগত relevant কথাহে সুধিব লাগে।

**শ্রী চন্দ্র মোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এই প্রশ্নটো কৰাৰ বাবে মই ভালেই পাইছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্রী ডাঙৰীয়া, আপুনি উত্তৰটো চমুকৈ দিয়ক।

**শ্রী চন্দ্র মোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, প্রশ্নটোৰ উত্তৰ চমুকৈ দিলেও clear হ'ব লাগিব।

**মাননীয় অধ্যক্ষঃ** মন্ত্রীয়েও যদি তেনেকৈ কয়, সদস্যইও যদি তেনেকৈ কয়, তেন্তে মই সদন কেনেকৈ চলাম? গতিকে আপুনি চমুকৈ কৈ শেষ কৰক।

**শ্রী চন্দ্র মোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** পুৰকায়স্থ দেৱে কংগ্রেছৰ দিনৰ সোণালী যুগৰ যি অধ্যায়ৰ কথা কৈছে, গতিকে সেই সোণালী যুগটো কেনেকুৱা আছিল মই বুজাই দিয়াৰ প্রয়োজন আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে আপুনি, এক মিনিটৰ ভিতৰত কৈ শেষ কৰক।

**শ্রী চন্দ্র মোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** এই সোণালী যুগটো হোৱাৰ প্রথম কাৰণটো হ'ল যে ২০০১ চনত কংগ্রেছ চৰকাৰ অহাৰ পিছত A.S.T.C. ৰ পৰা ২.৫ হাজাৰৰো অধিক প্রায় ৩ হাজাৰ মানুহক Compulsory or voluntary retirement দিছিল। গতিকে ৩ হাজাৰ কর্মচাৰী যেতিয়া এটা Corporation ৰ পৰা ওলাই যাব তেতিয়া A.S.T.C. য়ে Govt. of India ৰ পৰা পোৱা টকাৰে দিব লগীয়া দৰমহাৰ বোজা নিশ্চয় কমি আহিব যাৰ ফলত তাৰ loss ৰ পৰিমাণো কমিব।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** Please sit down, I am not happy at all. This is Question Hour, we should not go for debate. Discussing a matter during Question Hour, this is not the way.

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, পুৰকায়স্থ দে ডাঙৰীয়াই অসমত ইমান নিবনুৱা সমস্যা থকা দেখিছেই। তাৰ পিছতো যদি কংগ্রেছ চৰকাৰে এতিয়া কয় যে আৰু তিনি হাজাৰ কর্মচাৰীক কামৰ পৰা উলিয়াই দিয়ক তেন্তে নিবনুৱা সমস্যা আকৌ বৃদ্ধিহে পাব।

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** আপোনালোকে বহক। মই সদনত কি চলি আছে সকলো দেখি আছো। মই ইমদাদুল হ'ক ডাঙৰীয়াক সময়ৰ অভাৱতে অনুৰোধ কৰিবও নিদিলো। বাকী সদস্য বোৰৰো কিমান যে প্রশ্ন পৰি আছে। গতিকে আপোনালোকে অলাগতিয়াল প্রশ্নবোৰ কিয় কৰে?

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মাননীয় মন্ত্রী, সংসদীয় পৰিক্রমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় কথাটো হ'ল যে, ২০০৮ চনত যিটো rate fix কৰা হৈছিল বর্তমান সেই rate টোৰে A.S.T.C. ত চলি আছে। গতিকে এতিয়া যদি ডিজেলৰ দাম বৃদ্ধিৰ ফলত ভাড়া বৃদ্ধি কৰা হয়

তেন্তে কংগ্ৰেছে আকৌ আমাকে প্ৰশ্ন কৰিব।

**মাননীয় অধ্যক্ষঃ** Next, Question No. 342. Ashok Kumar Singhi.

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** সদনত এতিয়া অশোক কুমাৰ সিংহী উপস্থিত নাই। কিন্তু অশ্বিনী ৰায় চৰকাৰক তেখেতৰ প্ৰশ্নটো সুধিবলৈ অনুমতি দি থৈছিল। গতিকে অশ্বিনী ৰায় চৰকাৰ ডাঙৰীয়া, আপুনি তেখেতৰ প্ৰশ্নটোৰ লগতে আপোনাৰ supplementary টো সুধিব পাৰে।

**শ্ৰী অশ্বিনী ৰায় চৰকাৰ, মাননীয় সদস্য (গোলকগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰ সদনত ৰাখিছে যদিও মূল কথাটো হ'ল যে যোৱা বছৰো সদনত একেই উত্তৰ দিছিল আৰু এইবাৰো একেই উত্তৰে দিয়া হৈছে। গতিকে আজি ৬ বছৰ হৈ গ'ল। কিন্তু কামটো আৰম্ভ কৰাৰ পিছতো সম্পূৰ্ণ হোৱা নাই। গতিকে কামটো সোনকালে হোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

আনহাতে, মোৰ supplementary question টো হ'ল যে, তিনি বছৰ আগতে গোলকগঞ্জ নগৰ সমিতিৰ যিটো Notification হৈছিল, সেইমতে এই নগৰ সমিতিখন কেতিয়া কাৰ্যকৰী কৰা হ'ব? কিয়নো এতিয়া পঞ্চায়ত শেষ হোৱাৰ পথত।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এই পানী যোগান আঁচনিখন কংগ্ৰেছৰ সোণালী যুগতে আৰম্ভ হৈছিল আৰু আটাইতকৈ ডাঙৰ কথা যে এই আঁচনি খনত ৩৪ জন ঠিকাদাৰ নিয়োগ কৰা হৈছিল যাৰ ফলত কাম খিনি এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। সেইবাবে আমি কৈছো যে অহা ডিচেম্বৰ মাহৰ ভিতৰত কাম খিনি সম্পূৰ্ণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

আনহাতে, গোলকগঞ্জ নগৰ সমিতিৰ যিটো কথা কোৱা হৈছে সেইটোও প্ৰায় ৩ বছৰ আগতে কংগ্ৰেছৰ সোণালী যুগতে ইয়াৰ Notification হৈছিল কিন্তু পিছৰ পৰ্যায়ত কেতবোৰ অসুবিধা থকাৰ বাবে আমি সেই কামবোৰ কৰিব পৰা নাই। আৰু এইখিনিতে এটা কথা মই বিশেষ তথ্য মতে জানিব পাৰিছো যে পূৰ্বৰ পঞ্চায়ত খন এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত অন্তৰ্ভূক্ত কৰা হোৱা নাই গতিকে খৰতকীয়া ভাৱে গোলকগঞ্জত পৌৰ সভা দিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষঃ** Next, বিনোদ হাজৰিকা ।

কিন্তু, আপোনালোকে চাব যে, Supplementary questions should be purely related to the scheme under 'বিলাসীপাৰা নগৰ পানী যোগান আৰু পয়-প্ৰণালী পৰিষদ '। আন কথাত কিন্তু মন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰে, গতিকে বেলেগ প্ৰশ্ন সুধিব নালাগে।

**শ্ৰী বিনোদ হাজৰিকা, মাননীয় সদস্য, (চাবুৱা)ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে, ২০১৭ চনত যেতিয়া মই পয়-প্ৰণালী পানী যোগান আঁচনিৰ বিষয়ে প্ৰশ্ন কৰিছিলো তেতিয়া মই বিভাগীয় মন্ত্ৰীৰ পৰা উত্তৰ পাইছিলো যে, আমি অতি সোনকালে এই বছৰৰ ভিতৰতে পানী যোগানৰ ব্যৱস্থা কৰিবলৈ সক্ষম হ'ম। কিন্তু আজি যিটো উত্তৰ পাইছো, তাত কোৱা হৈছে যে পানী যোগানৰ কাম সম্পূৰ্ণ হৈছে কিন্তু ৰাইজৰ সঁহাৰি নাই। কিন্তু এইখিনিতে মই ক'ব বিচাৰিছো যে তাত পানীৰ যিটো টেংকী, সেইটো ভালদৰে হোৱা নাই, পানীৰ পাইপ লাইনৰ ব্যৱস্থাও

সম্পূৰ্ণ হৈ উঠা নাই। গতিকে তেওঁ দিয়া উত্তৰটোত একেবাৰে বিসংগতি আছে। সেইবাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ক উত্তৰটো ভালকৈ দিয়াৰ বাবে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় নগৰ উন্নয়ন মন্ত্ৰী ডাঙৰীয়া, তেওঁৰ প্ৰশ্নটো Starred question No. 357 আছিল। সেই প্ৰশ্নটো আজি থকা বাবে মই তেওঁক এতিয়াই allow কৰিছো।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমি ৰাজ্যখনৰ যিবোৰ অঞ্চলত পানী যোগান আঁচনি লৈছো তাত দেখা গৈছে যে কিছুমানে ঘৰতে tubewell বহুৱায়। গতিকে তেওঁলোকে বিভাগৰ পৰা পানীৰ connection নলয়। পানীৰ connection লোৱাৰ সংখ্যা প্ৰতিখন চহৰতে যথেষ্ট কম। গতিকে ইয়াৰ প্ৰতি সজাগতা বৃদ্ধি কৰিবলৈ যোৱা সময়ছোৱাত আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছিলো। আমাৰ সন্মানীয় বিধায়ক, বিনোদ হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো আমি চাবুৱা বাসী ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অতি সোনকালে কাম খিনি সম্পূৰ্ণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া, শ্ৰী গুনীন্দ্ৰ নাথ দাস।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস, মাননীয় সদস্য, (বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে বৰপেটাৰ পানী যোগান আঁচনিটো বহু বছৰৰ আগতে হৈছিল কিন্তু তাৰ এটা reservoir এতিয়াও ভগ্নপ্ৰায় অৱস্থাত আছে। গতিকে তাত যিকোনো মূহুৰ্ততে দুৰ্ঘটনা হ'ব পাৰে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next, গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মাননীয় সদস্য, (মঙলদৈ)ঃ** অধ্যক্ষ মহোদয়, ২০১০ চনতে মঙলদৈ নগৰত পানী যোগান আঁচনি এটা আৰম্ভ কৰিছিল। কিন্তু সেইটো বিকল হৈ থকাৰ ফলত আজি ১০ বছৰে ৰাইজে বিশুদ্ধ পানী খাব পৰা নাই। গতিকে, মন্ত্ৰী মহোদয়ে যাতে মঙলদৈৰ ৰাইজৰ বাবে বিশুদ্ধ পানী খোৱাৰ ব্যৱস্থা কৰি দিয়ে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এই প্ৰশ্ন কেইটা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰা হ'ল।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ন, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, সন্মানীয় গুনীন্দ্ৰ নাথ দাস ডাঙৰীয়া আৰু গুৰুজ্যোতি দাস ডাঙৰীয়াই কাম খিনি সোনকালে সম্পূৰ্ণ কৰাৰ বাবে যি কথা সদনত প্ৰকাশ কৰিছে, সেইখিনি আমি গুৰুত্ব সহকাৰে লৈছো আৰু ইয়াৰ কাম খৰতকীয়া ভাৱে কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ। এতিয়া, প্ৰশ্ন নং ৩৪৩, শ্ৰী পবিন্দ্ৰ ডেকা।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পবিন্দ্ৰ ডেকা, মাননীয় সদস্য, ( পাটাছাৰকুছি)ঃ** অধ্যক্ষ মহোদয়, ২০১০ চনতে পাঠশালাত ITI খন প্ৰতিস্থা কৰাৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ২০১১ চনত ইয়াৰ কাম-কাজ আৰম্ভ হৈছিল আৰু প্ৰশাসনীয় ভৱন আদিৰ কাম সম্পূৰ্ণ হ'ল। কিন্তু এতিয়ালৈ অধ্যক্ষ -কৰ্মচাৰীৰ বাসভৱন হোৱা নাই। আমি যেতিয়া শিক্ষানুষ্ঠান এখন স্থাপন কৰো তেতিয়া সকলো খিনি কাম একেলগে শেষ নহয়। যিহেতুকে পাঠশালা নগৰত অধ্যক্ষ-কৰ্মচাৰী সকলে ভাড়া ঘৰ লৈ কাম কৰিব পৰাকৈ যথেষ্ট সুবিধা আছে । গতিকে ২০১৮-১৯ বিত্তীয় বৰ্ষত ITI ৰ class সমূহ আৰম্ভ কৰাৰ কথাটো চৰকাৰে বিবেচনা কৰিব লাগে। ইয়াত মন্ত্ৰী মহোদয়ে কৈছে, 'বিদ্যুৎ সংযোগ, অধ্যক্ষ-কৰ্মচাৰীৰ

বাসভৱনৰ কাম আৰু প্ৰয়োজনীয় পদ সমূহ পূৰণৰ বাবে লৈ থকা ব্যৱস্থাখিনি সম্পূৰ্ণ হ'লেই ছাত্ৰ-ভৰ্তি আৰু পাঠদানৰ কাম আৰম্ভ কৰিব পৰা যাব'। গতিকে মই ২০১৮-১৯ বিত্তীয় বৰ্ষটো সম্পূৰ্ণ দিছো, এই সময় ছোৱাৰ ভিত ৰতে পাঠদান আৰু ছাত্ৰ-ভৰ্তিৰ কাম হ'ব নে নাই মাননীয় মন্ত্ৰী মহোদয়ে ক'ব লাগে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, তাত বিদ্যুৎ সংযোগৰ কাম চলি আছে আৰু অধ্যক্ষ-কৰ্মচাৰীৰ বাসভৱনৰ কাম যে হোৱা নাই তাৰ এটা কাৰণ আছে । সেয়া হ'ল যে কংগ্ৰেছৰ সোণালী যুগতে তেওঁলোকে টকা থকা স্বত্বেও টকাখিনি খৰচ নকৰি ঠিকাদাৰৰ নামত এখন এখনকৈ Banker cheque হিচাপে জমা কৰি থৈছিল। আমাৰ নতুন চৰকাৰ অহাৰ পিছতে আমি সেই টকাবোৰ Treasury ত জমা কৰিবলৈ লৈছো আৰু Treasury ৰ পৰা সেইখিনি আমি supplimentary ত withdraw কৰিব লাগিব। supplimentary ত withdraw কৰি সেই পইচাখিনিৰে এইবিলাক বনাব লাগিব। এতিয়া electricity নহ'লে এখন ITI চলিব নোৱাৰে। তাত কিছুমান operated machine আছে। গতিকে banker cheque বিলাক আমি Treasury ত জমা কৰিব লাগিব। Treasury ত জমা কৰি supplimentary ত এই পইচাখিনি আকৌ আনিব লাগিব। গতিকে অধ্যক্ষ ডাঙৰীয়া, শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ লগত মই concern. অকল সেইখনেই নহয় বহুকেইখন ITI আছে অসমত। যিবিলাক ITI এতিয়াও functioning হোৱা নাই half done হৈ আছে কৰবাত। গতিকে এনেকুৱা ধৰণৰ half done ২৯ খন ITI আছে। এই কথাবিলাক আমি খুব aggresively বিবেচনা কৰিছো। শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই এবছৰ দিছে, গতিকে এবছৰৰ ভিতৰত এইটো হ'ব। মই কথা দিলো। তেওঁক মই assure কৰিলো। খালী অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কওঁ ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম দিব্যাংগ সকলৰ বাবে এখন ITI গঢ়িব লৈছো ডিব্ৰুগড়ত। construction ৰ কাম চলি আছে and we are the first state in the country. এই ক্ষেত্ৰত আমি aggresively কাম কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো মৰাণ সমষ্টিৰ ITI খন আধৰুৱা হৈ আছে। সেইখন সোনকালে কৰাৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ভুবন পেগু।

**শ্ৰী ভুবন পেগু ঃ** এই আধৰুৱা হৈ থকা ২৯ খনৰ ভিতৰত মোৰ জোনাই সমষ্টিৰ খনো আছে। মন্ত্ৰী ডাঙৰীয়াই অকল শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ সমষ্টিৰ খন নে আটাইখিনি ITI এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰিম বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোকক কৈছো যে supplimentary should be related. Its a purely question of a particular constituency. If you question also, Minister is competent. He can give answer. But if I allow this, every where I have to allow. গতিকে মই প্ৰশ্নবিলাক ভালকৈ নিয়াৰ বাবে supplimentary বিলাক as per rule কৰিবলৈ কৈছিলো। কেতিয়াবা অকনমান ITI ৰ কথা তেখেতে কৈছে। অকল এটা সমষ্টিতে নহয়। বাকীবিলাক সমষ্টিতো এনেকুৱা কেইবাখনো আছে গতিকে আটাইখিনিৰ হৈ পেলাই আপুনি এটা assurance দিব পাৰে। আপুনি কৈছে এইটো সক্ৰিয় বিবেচনাত আছে। বোকাজানত আছে। গতিকে arround 29 এই সকলোখিনি

পৰ্য্যায়ক্ৰমে কেনেকৈ কৰিব পাৰি আপুনি এটা উত্তৰ দিব পাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী :** মাননীয় অধ্যক্ষ মহোদয়, ২৯ খন ITI বৰ্তমান under construction আছে। নতুনকৈ আৰু দুখন ITI আৰম্ভ কৰা হৈছে । দিব্যাংগ সকলৰ বাবে ডিব্ৰুগড়ত আৰম্ভ কৰা হৈছে আৰু অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব অসমৰ ভিতৰত এখন Model ITI হ'ব আৰু এইখন আপোনাৰ সমষ্টি যোৰহাটত হ'ব। It will be the Model ITI and other ITI will follow it. গতিকে আমাৰ বৰ্তমান ৩১ খন ITI আছে আৰু ২৯ খন ITI হ'ল কংগ্ৰেছৰ সোনালী যুগৰ ITI । মাননীয় সদস্য সকলে এইটো কথাত গুৰুত্ব দিছে ভাল কথা। কাৰণ unemployment problem solve ৰ বাবে এইটো এটা ডাঙৰ আহিলা। গতিকে মই সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। শ্ৰী দীপক ৰাভা ডাঙৰীয়াৰ সমষ্টিৰ যিখন ITI আমি ৰাভা হাছংৰ লগত আলোচনা কৰি immediately কৰিম। অধ্যক্ষ মহোদয়, ITI বিলাক খুলিবৰ বাবে ইতিমধ্যে building বিলাক বনাইছে। কিন্তু post creation হোৱা নাই। ITI খন কেনেকৈ চলিব সেই ব্যৱস্থা কৰিব লাগিছিল। সেইবিলাক নাই, খালী building বনোৱা হৈছে। building বনোৱাৰ পিছত তাত কাম কৰিবৰ বাবে post create কৰিব লাগিব। পইচা লাগিব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** Sir, Government is a continuous process. Continuously চলি থাকিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী :** ITI Department ক training দি ছাত্ৰ-ছাত্ৰী সকলক training দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ITI বিভাগটো হ'ল ছাত্ৰ-ছাত্ৰীক training দি নিজৰ ভৰিত নিজে থিয় দিব পৰা ব্যৱস্থা কৰিব পৰা এটা বিভাগ। সেইটো নকৰি PWD ৰ building division কৰিব নালাগে নহয়। এতিয়া উদ্যোগ বিভাগত কিমানটা Building হৈছে। অধ্যক্ষ ডাঙৰীয়া মই আজি এটা আপোনাক ডাঙৰ ৰহস্য কওঁ। আপুনি জনাতো দৰকাৰ, আপুনি মাননীয় অধ্যক্ষ। আপুনি বিধান সভা পৰিচালনা কৰে। বিৰোধী, শাসক পক্ষৰ কথা শুনি আপুনি ৰায় দিয়ে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, উদ্যোগ বিভাগটো তেনেকুৱা Building Division হৈ গ'ল। ITI Building ত চকীদাৰ ৰাখিবলৈ পইচা নাই। এতিয়া অধ্যক্ষ ডাঙৰীয়া আমি কি কৰিছো কহৰাৰ শ্ৰী অতুল বৰা ডাঙৰীয়াৰ ITI যিখন, গোলাঘাট যিখন ITI, শ্ৰী নৱ দলেৰ সমষ্টিৰ যিখন ITI, আমি নুমলীগড় ৰিফাইনেৰীক ৰিজাল্ট কৰিছো যে, এই ITI কেইখন আপোনালোকে চলাওক। তেওঁলোকে agree কৰিছে। বাক্সা ITI খন, বঙাইগাওঁ ITIখন, বঙাইগাওঁ ৰিফাইনেৰীক মাতি কৈছে-আপোনালোকে কৰক। তেনেকৈ গুৱাহাটী ৰিফাইনেৰীক কৈছো। শ্ৰী ভৰেশ কলিতা ডাঙৰীয়াৰ সমষ্টি ৰঙিয়াটো এখন আছে। এতিয়া প্ৰশ্নটো হৈছে যে, আমাৰ শ্ৰীভৰেশ কলিতাৰ যিখন ITI ৰঙিয়া, সেইখনৰ বাবে গুৱাহাটীৰ ৰিফাইনেৰী ED ৰ লগত কথা পাতিছো যে, এইখন আপোনালোকে চলাওক। মঙ্গলদৈখন তেনেকৈ আমি এটা অন্য কোম্পেনীৰ লগত কথা পাতিছো। অধ্যক্ষ ডাঙৰীয়া, আপুনি কেতিয়াবা যদি সুযোগ পায় মই এটা আপোনাক অনুৰোধ জনাম আমি আপোনাক আমন্ত্ৰণ জনাইছো। আপুনি এবাৰ গুৱাহাটী ITI লৈকে যাব। এতিয়া Samsung মোবাইল বিক্ৰী হয়, টিভি বিক্ৰী হয়, এ চি বিক্ৰী হয়। আমি Samsung Company ক কৈছো যে, আপোনালোকে যে এইখন মাৰ্কেট অসমত লৈ আছে উত্তৰ পূৰ্বাঞ্চলত আপোনালোকৰ ৰিপিয়েৰিং এইবিলাক যে হয়, কেনেকৈ কৰে। আপোনালোকে ইয়াতে এটা Centre খুলক। গতিকে আমি Centre খুলিছো। Samsung য়ে Digital Centre খুলিছে। অধ্যক্ষ

ডাঙৰীয়া, আপুনি কেতিয়াবা গ'লে ভাল পাব।

**माननीय অধ্যক্ষ ঃ** সেইটো ভাল কাম হৈছে বুলি সকলোৰে কৈছে মই যাম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** তাৰোপৰি এই যে মাছৰ পোণা বিলাক বেংগলৰ পৰা আহে। গতিকে ITI ৰ সন্মুখত এটা পুখুৰী আছে। আমি মাছৰ পোনাটো কেনেকৈ তৈয়াৰ কৰে, তাৰ বিষয়ে কৈছো। অধ্যক্ষ ডাঙৰীয়া, এবাৰ যাব ভাল পাম গ'লে। আপোনালোক সকলোৰে যাব আৰু তাতে পানীহে কম আছে পুখুৰীটোৰ চাৰিওফাল পাৰ বেয়া হৈ আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এতিয়া আচৰিত কথা এটা মই কও যে, ITI উদ্যোগ বিভাগটো Building Division হৈ গ'ল । গতিকে মই উদ্যোগ মন্ত্ৰী, Skill Development মন্ত্ৰী। মই উদ্যোগ মন্ত্ৰী বিচাপে ফাইলত লিখিছো। মাননীয় Skill Development Minister,আমাৰ industry ৰ এইকেইটা building আছে। তাত চকীদাৰ ৰাখিবলৈ ব্যৱস্থা নাই। গতিকে অনুগ্ৰহ কৰি Skill Development ৰ কাৰণে আপুনি এই building কেইটা লওঁক। তলত আকৌ ময়েই লিখিছো, Industry Minister, your proposal will acepted.মইয়ে চহী কৰিছো। ইয়াতকৈ আৰু দুখৰ কাহিনী কৰবাত আছে অধ্যক্ষ ডাঙৰীয়া। এইটো হ'ল সোণালী যুগৰ এটা নমুনাহে দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই নোটটো চাব খুজিছো। সেই নোটটো তেখেতে যিহেতু হাউচত কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** আপুনি মোৰ অফিচত আহিব। মই দেখাই দিম।

**মাননীয় অধ্যক্ষ ঃ** দেখাই দিম বুলি কৈছে। হ'ব। আপোনাক চাবলৈ দিম বুলি কৈছে। আপোনাক Thats enough. এইটো শেষ হ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** আপুনি অফিচত গৈ তাৰ পৰা এটা ফটোষ্টেট কপি লৈ সোণালী যুগটো কেনেকুৱা আপুনি এটা অধ্যয়ণ কৰিব। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি Priority basis ত আমি বিভিন্ন কোম্পেনীৰ লগত কথা পাতি এই ITI বিলাক Run কৰাৰ কাৰণে ব্যৱস্থা লৈছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Question No. 344.ডাঃ নোমল মোমিন, Minister Please.

**শ্ৰীঅতুল বৰা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰটো পাইছো। উত্তৰটো সন্তোষজনক নহয় আৰু উত্তৰটো বনাওতে তেখেতসকলে কোনো Study নকৰাকৈ বনাই দিয়া যেন অনুভৱ হয়। কাৰণ ইয়াত লিখিছে ৰাজহুৱা খণ্ডত এনে উদ্যোগ স্থাপন কৰিবৰ বাবে বিভাগৰ হাতত কোনো আঁচনিগত সুবিধাও নাই। কিন্তু দুৰ্ভাগ্যজনক যে Assam Hills Small Scale Industry ৰ অধীনত আমাৰ তাত দুৱাৰ বাগৰিত এটা কা ঞ্চ ফেক্টৰী আছিল, কিন্তু বিগত চৰকাৰৰ অৱহেলাৰ কাৰণে সেইটো জৰাজীৰ্ণ অৱস্থাত গ'ল। গতিকে এইটো এটা থকাৰ পিছত তেনেকৈ সুবিধাও নাই উত্তৰটো দিব। গতিকে সেইটোৰ মোক উত্তৰটো লাগে আৰু দ্বিতীয়, কথাটো পাহাৰীয়া অঞ্চলত যদি কিবা সুবিধাও নাই, সুবিধা কৰি হ'লেও তাত industry দিব লাগিব। এইটো পাহাৰীয়া অঞ্চলৰ উন্নয়নৰ কাৰণে। সেইটোৰ কাৰণে মই প্ৰশ্ন কৰিছো।

**শ্ৰীঅতুল বৰা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ডাঃ নোমল মোমিন

ডাঙৰীয়াৰ যিকেইটা প্ৰশ্ন আছিল, প্ৰশ্নকেইটাৰ উত্তৰত চমুকৈ কথাখিনি কোৱা হৈছে যদিও মই আৰু দুটামান কথা সংযোগ কৰিব বিচাৰিছো যে হয়, তেখেতে কোৱাৰ দৰে বৃহৎ পৰিমাণে আদা, হালধি, কমলা, আনাৰস আদি কাৰ্বি আংলং জিলাত তেখেতৰ সমষ্টিত উৎপাদন হয়। আৰু ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমি তাত ক'ল ষ্টৰেজ কৰিব পাৰো। Food processing industry কৰিব পাৰো। আৰু ইতিমধ্যে industry বিভাগো তেনেবোৰ আঁচনি গ্ৰহণ কৰিছে আৰু চাবচিদি দিয়াৰ ব্যৱস্থা আছে। আৰু ইয়াৰ উপৰিও আমি organic values and development MOVCD আঁচনিৰ অধীনত ইচ্ছুক ব্যক্তি বা প্ৰতিষ্ঠানৰ পৰা আমি আবেদন বিচাৰিছিলো । কিন্তু কাৰ্বি আংলংৰ পৰা বা বিশেষকৈ বোকাজান সমষ্টিৰ পৰা তেনেধৰণৰ কাৰ্বি আংলংৰ পৰাই পোৱা নগ'ল। তদুপৰি খাদ্য বস্তু সমূহ নষ্ট নোহোৱাকৈ ৰাখিবৰ বাবে ক'ল ষ্টৰেজ স্থাপনৰ বাবে ইচ্ছুকব্যক্তি বা প্ৰতিষ্ঠানৰ পৰা আবেদন বিচৰা হৈছিল যদিও তাতো আমি কোনো ধৰণৰ সহাৰি নাপালে। তথাপি ব্যক্তিগত খণ্ডত এনে উদ্যোগ স্থাপনৰ বাবে ইচ্ছুক ব্যক্তি বা প্ৰতিষ্ঠান যদি আগবাঢ়ি আহে, তেতিয়াহ'লে ৰাজসাহাৰ্য্যৰ বাবে আবেদন জনাব পাৰে। কেন্দ্ৰীয় আঁচনি Horticulture Mission for North East and Himalaya State ৰ অধীনত। আৰু সেই আঁচনিৰ অধীনত ৰাজসাহাৰ্য্য পোৱাৰ ব্যৱস্থাও আছে। যদি তেনেকুৱা কিবা আঁচনিৰ কথা ডাঃ মোমিন ডাঙৰীয়াই ভাবিছে আমাক যদি অৱগত কৰে ব্যক্তিগতভাৱেও আমি এইক্ষেত্ৰত যিমান পাৰো সহযোগিতা আগবঢ়াম, আমি সাহাৰ্য্য আগবঢ়াম।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Hills Small Scale Industry ৰ অধীনত যিবিলাক আছিলে, সেই আঁচনিবিলাক কাৰ্বি আংলংত ৰিভাইভ কৰ হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** সেইটো আপোনাৰ related নহ'ব নেকি ? তেখেতৰ বিভাগ নহব। এইটো Hill Area Department ৰ অধীনত । এইটো আজি নালাগে। পিচত কৰিব। এক মিনিট। শ্ৰীজয়ৰাম ইংলেং ডাঙৰীয়া, আপুনি এটা বেলেগ separate question কৰিব। আমি allow কৰিম।

**শ্ৰী জয়ৰাম ইংলেং, হাওৰাঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন বোকাজানৰ বিধায়ক ডাঃ মোমল মোমিন ডাঙৰীয়াই যিটো আনিলে আৰু যিটো উত্তৰত মই দেখা পালো যে Food processing Unit যিটো তাত কোনো খোলা সুবিধা বা তেনেকুৱা ব্যৱস্থা নাই বুলি কৈছে। আচলতে এইটো related নহয় বুলি ইতিমধ্যে আপুনি কৈছে। কিন্তু যিহেতু Food processing ৰ লগত জৰিত।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। Related not to his Department. সেই কথাটো কোৱা হৈছে।

**শ্ৰী জয়ৰাম ইংলেং, হাওৰাঘাট ঃ** কিন্তু তাতো আগৰ পৰাই এটা Food processing Unit আছেই। সেইটো হৈছে Assam Hills Small Scale Industry ৰ অধীনত। **১৯৬৮** চন মানতেই এইটে আৰম্ভ হৈছিলে। তাৰ পাছত এই উদ্যোগৰ জৰিয়তে কাঞ্চৰ জৰিয়তে Indian Airlines. টো সকলো যোগান ধৰিছিলে প্ৰশ্নটো হৈছে যে স্পেচিয়েল এটা গ্ৰাণ্ট এটা দি যিটো নেকি বৰ্তমান এই যিটো চিক ইউনিট চলি আছে। কিন্তু চিক ইউনিট হিচাপে চলি আছে। তাত দৰমহা আদি কৰি বহুত অসুবিধা চলি আছে। এককালীন সাহাৰ্য্য যদি আমাৰ বিভাগৰ ফালৰ পৰা বা চৰকাৰে যদি প্ৰভাইড কৰে, নিশ্চয় ৰিভাইভেলত আহিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপোনাৰ প্ৰশ্নটো। কিন্তু কথাটো মই আপোনাক কওঁ, এইটো মই নিজেও Hill Area Department Minister আছিলো। গতিকে I know the position. গতিকে আপুনি কোৱাতো দৰকাৰী কথা। Industry Minister আছে কাৰণে এইটো Hills Area ৰ কাঞ্চটো সঁচাই যে এটা popular brand. I was Minister that why I know. কিবা এটা কাৰণে এটা Hills Area Develpoment Authority বুলি আছিল। এতিয়া গোটেই কথাটো যে Hills ইমানখিনি Hills Food produce হয় য'ৰ পৰা Food Process কৰি সেইটো Economy টো strong কৰিব পাৰো আৰু Govt. process বিলাক সদায় failure হয়। সাধাৰণতে দেখা গৈছে কেতিয়াবা কেতিয়াবা সেই কাৰণে মই ভাবো যে অতুল বৰাই ভাল suggession এটা দিছে। কথাটোৰ যদি knowlege আছে Conciderіng the importance এইটো যদিআপোনাৰ knowlege আছে, কথাটো অকনমান কব পাৰে, যদি নাই পিছত দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** অধ্যক্ষ মহোদয়, যিটো কাঞ্চ আছিল, কাঞ্চটোৰ মিলটো আছিল কাৰ্বি আংলং N.C.Hills ত । সেইটো Best food processing industry আছিল। সেইটো আচলতে Management ৰ ভুলৰ কাৰণে বেয়া হৈ গ'ল।গতিকে মই নিজৰ মনেৰে ভাবিছো যে কাঞ্চটো আচলতে revive হোৱাটো ভাল। কাঞ্চ বুলি revive হব নে নাই মই নাজানো। কিন্তু ব্যক্তিগত খণ্ডৰ মানুহ আহি তাতে যদি food processing Unit এটা কৰে, সেই অঞ্চলটোত আমাৰ employment সেইখিনিয়েই থাকিব। চৰকাৰী employment খিনিৰ কথাটো হ'ল যে নহয় আমাৰ চৰকাৰী ভাৱে কৰক। কি কৰক ? তেওঁলোকৰ Management ৰ ভুলৰ কাৰণে হৈছে ইয়াৰ মই বহু কথাই জানো। কিন্তু সেইবোৰ কথা নকও এতিয়া। কিন্তু মই ইণ্ডাষ্টিটো revive কৰাৰ বাবে মই নিশ্চয় যত্ন কৰিম।

**মাননীয় অধ্যক্ষ ঃ-** মই আপোনাৰ Hill ৰ যি কেইজন সদস্য আছে Unitedly এবাৰ Minister ডাঙৰীয়াকো লগ কৰি কথাটো ভালকে চাব। Next Assembly ত আমি প্ৰয়োজন হলে relivent Question এটা আনি আমি কথাবিলাক আলোচনা কৰিম। Question No-345, শ্ৰীৰূপক শৰ্ম্মা, Rupak Sarma, please stand up, Thank you. Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ-**Thank you.

**শ্ৰীৰূপক শৰ্ম্মা,সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। আচলতে আমাৰ যিটো পৰিবহন বিভাগৰ কাৰ্য্যালয়, তাৰ ভিতৰত বহুখিনি দোকান আছে। কিন্তু বৰ্তমান আমি দেখা পাইছো, যিখিনি দোকান আছে তাৰ infrustructure টো সুন্দৰ নহয়। তাৰ কাৰণে মই কৈছিলো যে, তেওঁলোক আগৰ ৰেটতে ছলি আছে। সেই Rate অলপ বঢ়াই দি সেই আন্তঃগাঠনিৰ উন্নয়ণ কৰিব পৰা যায় নেকি ? আৰু ২য় কথাটো হৈছে, চহৰৰ ঠিক গাতে লাগি আৰু এটুকুৰা মাটি আছে, সেই মাটি টুকুৰা চহৰৰ ওচৰতে হয়। এই বাছ আস্থানটো তালে স্থানান্তৰ কৰিব পৰা যায় নেকি ? গতিকে এইটো মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো জানিব বিচাৰিছো।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ- অধ্যক্ষ মহোদয়, আমাৰ এই দোকান খিনি পুৰণি ভাড়াত চলি আছে। সেই কথাটো বিচাৰ বিবেচনা কৰি চাম। আৰু ২য় কথাটো হ'ল নগাওঁ বাছ আস্থানটো নগাওঁ টাউনৰ Heart ত আছে। এই ক্ষেত্ৰত যাত্ৰীৰ বহু সুবিধা হৈছে। গতিকে ওচৰৰ মাটিখিনিত যদি এই বাছ আস্থানটো স্থানান্তৰিত কৰা হয়, যাত্ৰীসকলৰ সুবিধা হব নে অসুবিধা হব সেই কথাটো

আমি অলপ পৰ্য্যালোচনা কৰি ছোৱাটো ভাল হব। মই আজিয়েই কোৱা নাই যে হব নে নহব? কিয়? যে এতিয়া নগাওঁত নামিয়েই মানুহখিনি বিভিন্ন ঠাইলৈ যাব পাৰে। কিন্তু এইটো যদি নগাওঁৰ বাহিৰলৈ ওলাই আহে, তাৰ পৰা মানুহ নগাওঁ টাউনলৈকে যোৱাৰ কাৰণে আৰু বেলেগ Vehicle লাগিব। গতিকে এই গোটেই কথাখিনি মই ভাবো আমাৰ A.S.T.C ৰ লগত কথা পাতি, আৰু ৰূপক শৰ্ম্মা ডাঙৰীয়াক মই অনুৰোধ কৰিছো, এইক্ষেত্ৰত তেখেতে যাতে মোক, মোৰ চেম্বাৰতে বোৰ লগ কৰে, প্ৰয়োজন হলে মই A.S.T.C কো মাতিম আৰু তাৰে Station Superintendent কো মাতিম আৰু আমাৰ Industry ৰ আয়ুক্ত সচিব তেখেটো থাকিব। যদি টাউনৰ বাহিৰত আহিলে সুবিধা হয় আমি সেইটো কৰো। আৰু যদি সুবিধা টাউনৰ বাহিৰত নাথাকি এইটোতে হয়, সেইটো অলপ improve কৰি দিব লাগে। দোকান বিলাক অলপ চাফচিকোন কৰি দিব লাগে। সেইটোৱেটো এতিয়া সমস্যা হৈছে আপোনাৰ? শৰ্ম্মা ডাঙৰীয়াৰ সমস্যাটো হৈছে, দোকানবিলাক অলপ পুৰনি হৈছে, অলপ পৰিষ্কাৰ কৰিব দিব লাগে।

মাননীয় অধ্যক্ষ ঃ-Metro Rail Station ৰ নিচিনা কৰিব পাৰে।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ- সেই কাৰণে মই ৰূপক শৰ্ম্মা ডাঙৰীয়াৰ লগত আজিয়েই কথাখিনি পাতিম।

**মাননীয় অধ্যক্ষ ঃ**- Thank you.

**শ্ৰী ৰূপক শৰ্মা, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এতিয়া মাৰ্চিডিজ গাড়ী চলাৰ ব্যৱস্থা কৰিছে। চহৰৰ মাজত যেতিয়া আছে, সেইটো সৰু হয়। যেতিয়া মাৰ্চিডিজ গাড়ী যেতিয়া চলাব, নগাৰৰ মাজত থকা আস্থানৰ যোগেদি ষ্টপেজ বিলাক কৰিব লাগিব। নগাওঁৰ পৰা ডিফু হওঁক, গুৱাহাটী হওঁক শিৰসাগৰ হওঁক সকলোলৈকে যায় । গতিকে সেই মাৰ্চিডিজ বিলাক যেতিয়া চলিব, নগাওঁৰ ভিতৰত সোমোৱাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ**- সেইটো পিছৰ কথা। মন্ত্ৰী মহোদয়ে জানিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক Private Operator য়ে চলাব, আমি road টো দিম আৰু ঠাইটো দিম। গতিকে, এতিয়া Private Operator বিলাকে চলাব ক'ত, য'ত তেওঁলোকৰ Profitable road হব। তাৰ পৰা আমি এটা পইচা পাম। তেখেতে যিটো কথা কৈছে নগাওঁ টাউনৰ মাজেদি যাব পাৰিব নে নাই। এই বাছ বিলাক বহুত Costly bus ২ কোটিতকৈ অধিক এখন বাছত লয়। গতিকে ৰাস্তাৰ কথা থাকে, ডাঙৰ বাছ, যিহেতুকে মই মাননীয় সদস্য, ৰূপক শৰ্ম্মা ডাঙৰীয়াক আমাৰ চেম্বাৰলৈকে মাতিছো, সেইটো তাতে কথা পাতি ল'ব পৰা হব। **মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। Thank you. খালেক ডাঙৰীয়া

**শ্ৰী আব্দুল খালেক, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাড়ী মটৰৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে। গতিকে Motor Driving School, মন্ত্ৰী মহোদয়ে এতিয়া নজনালেও হব, আমাৰ কিমান Motor Driving School, আছে আৰু ক'ত ক'ত আছে? তথ্য নাই যদি পিছত জনালেও হব। আৰু মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ কৰিব খুজিছো, যিহেতু গাড়ী মটৰৰ সংখ্যা যথেষ্ট বাঢ়িছে গতিকে আমাৰ Motor Driving School, ৰ সংখ্যা বৃদ্ধি কৰিব লাগে পৰাপক্ষত প্ৰতিটো Block ত হব লাগে। দৰকাৰ হলে PPP Mode ত হলেও কৰিব লাগে। কাৰণ এইটো আমাৰ পৰিবহন ব্যৱস্থাত, কাৰণ আমাৰ চালক সকলৰ যদি প্ৰশিক্ষণ নাথাকে, দূৰ্ঘটনা বেছিকৈ হয়। গতিকে মই তেখেতক এইটো অনুৰোধ কৰিছো। মোৰ সমষ্টিটো এটা কৰিবলৈ মই অনুৰোধ জনাইছো। আৰু মন্ত্ৰী মহোদয়ে যদি সকলো কথা জানে আমাৰ কলগাছিয়াত বাছ আস্থান নাই।

গতিকে মন্ত্ৰী মহোদয়ক পৰিবহন বিভাগৰ জৰিয়তে

**মাননীয় অধ্যক্ষ ঃ**-এইটো বেলেগ লে আহি গ'ল আপুনি।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি থৈছো।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, অধিক Motor Driving School, কৰাৰ কাৰণে, আমি প্ৰতিখন জিলাত আমি ৩৩ খন জিলাত আমি Motor Driving School, গঢ়িবলৈ আমি সিদ্ধান্ত লৈছো আৰু ভাৰত চৰকাৰক ইয়াৰ প্ৰস্তাৱ পঠাইছো। বৰপেটাত হোৱা নাই। আমাৰ খালেক ডাঙৰীয়া, গুনীন দাস ডাঙৰীয়া, শ্বেৰমান আলী ডাঙৰীয়া, আপোনালোকে বহি যদি ভাবে যে খালেক ডাঙৰীয়াৰ সমষ্টিত হব লাগে, তাত কোনো আপত্তি নাই। আপোনালোকে সকলোৰে আলোচনা কৰি মোক কব আৰু মাটি যিয়েই প্ৰথম দিব তাতেই হব। মাটি আপোনালোকে দিয়ক আমি কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, Motor Driving School, কামৰূপ জিলাত প্ৰতিষ্ঠিত হৈছে নেকি? মই সেইটো জানিব বিচাৰিছো। লগতে গুৱাহাটীৰ পল্টন বজাৰ Bus station আছে, তাতে এটা Multi level parking আছে এই Multi level parking টো কি ব্যৱস্থাত চলি আছে?

**মাননীয় অধ্যক্ষ ঃ**- সেইটো আপুনি নানিব। প্ৰথমটো আনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়,গুৱাহাটীৰ DTO Office ৰ কাষত Transport Deptt ৰ Underত Driving School আছে আৰু অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব, এইবাৰ প্ৰায় ১৭৮০ জন Driver তাত প্ৰশিক্ষণ লৈছে। আৰু এখন Driving School আছে আমাৰ গুৱাহাটী আই টি আই , সেই কাৰণে এদিন আপোনালোকক মাতিছো, সেইটো পৰিদৰ্শন কৰিবলৈ যাম।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। Samsung টো তাতে আছে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ**- তাতে আছে, এতিয়া মই সিদ্ধাৰ্থ ভট্টাচাৰ্য্যক অনুৰোধ কৰিছো আই টি আই খন চাবলৈ, তেখেতৰ সমষ্টিৰ। ৰমেন কলিতাকো অনুৰোধ কৰিছো, অতুল বৰা ডাঙৰীয়াকো অনুৰোধ কৰিছো। তাতে এখন Driving School আছে। সেইখন হল মহিলা Driving School আই টি আই ত আৰু সেইখন কম্পিউটাৰাইজ কৰা হয়। গতিকে সেইখন আপোনালোকে বৰ ভাল পাব। আমি আৰু এখন Driving School ইয়াতে কৰিবলৈ লৈছো। সেই খন Oil India ৰ লগত আমি Mou কৰিবলৈ বাকী আছে। And that will be the most modern Driving School in the state.

**মাননীয় অধ্যক্ষ ঃ**- Thank you ছাহাবুদ্দিন আহমেদ।

**শ্ৰী ছাহাবুদ্দিন আহমেদ ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই চলিত অধিবেশনত, মই আমাৰ জলেশ্বৰ সমষ্টিৰ পৰা তাত পৰিবহন বিভাগৰ বাছৰ কাৰণে দাবী দিছিলো, এই চেগতে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো, তেওঁক কোৱাৰ এক সপ্তাহ পাছতেই পৰিবহন বিভাগৰ বাছ তেওঁ যোগান ধৰিছে, আৰু এতিয়া চলি আছে। আৰু লগতে তাতে যিটো অসম ৰাজ্যিক পৰিবহন বিভাগৰ আস্থান হৈছে, তাত Under taking বাছ চাৰিখন মান চলি আছে। সেই আস্থানৰ পৰা এই বাছকেইখন নচলে, প্ৰাইভেট কৈ চলে।

**माननीय অধ্যক্ষ ঃ**- সেইটো বেলেগ ধৰণৰ প্ৰশ্ন, শেষৰটো

**শ্ৰী নুৰুল হুদা, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো নগাৱৰ বাছ আস্থানৰ কথাটো আহিছে, আমাৰ নগাৱৰ যিটো চৰকাৰী বাছ আস্থান, ঠাইখিনি ঠেক হয়। যাত্ৰী সকলৰ উঠা নামাত অসুবিধা হয়। গতিকে যাত্ৰী সকলৰ উঠা নামাত সুবিধাটো কৰিব লাগে। আৰু আস্থানৰ ভিতৰতে কিছু পান তামোলৰ দোকান আছে। যিহেতু ৰাজহুৱা স্থান বিলাকত ধুমপান নিসিদ্ধ এলেকা। কিন্তু পান-ছিগাৰেটৰ দোকান থকাৰ কৰণে ধূমপান অতিমাত্ৰা হয়। গতিকে আস্থানৰ কমেও ১০০ মিটাৰ আতৰত যাতে পান ছিগাৰেটৰ দোকান বিলাক থাকে তাৰ এটা ব্যৱস্থা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই বাছ আস্থানৰ সম্পৰ্কত কথা পাতিম বুলি আৰু তাত এই গোতেই কথাবিলাক পাতি ল'ম। জলেশ্বৰ বিধায়কজনে যিটো কথা কৈছে, সেইটো বৰ গুৰুত্বপূৰ্ণ কথা। মাননীয় অধ্যক্ষ মহোদয়, পৰিবহণ বিভাগৰ বাছআস্থানৰ যিটো অৱস্থা এইবিলাক সোণালী যুগৰ অধ্যয়ৰ পৰা অহা। মাননীয় সদস্য গৰাকীৰ দুখটো হৈছে, কিছুমান পৰিবহণ বিভাগৰ আস্থানত ব্যক্তিগত মানুহে বা ট্ৰেকাৰ চালক আদিয়ে দাবী-ধমকি দি যাত্ৰীসকলক লৈ যায়। পৰিবহণ বিভাগৰ বাছত ভাড়া কম কিন্তু ব্যক্তিগত গাড়িসমূহত ভাড়া বেছি - এইটো হৈছে সদস্য গৰাকীৰ অভিযোগ। গতিকে মই সদস্য গৰাকীৰ কথাটো মানি লৈছো, মই বিভাগক নিৰ্দ্দেশ দিম আৰু ডি.চি কম যাতে আস্থানটো পৰিবহণ বিভাগৰ দ্বাৰা চলে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ৩৪৬ মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'খ' নং প্ৰশ্নটোৰ উত্তৰত অসমত দক্ষতা বিকাশ সংস্থাৰ জৰিয়তে ৩৬৬ টা স্থানত দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি কৈছে আৰু সেই কেন্দ্ৰসমূহৰ বাবে ১,০১,৫৭০০০ টকা ইতিমধ্যে মোকলাই দিয়া বুলিও কৈছে। কিন্তু দক্ষতা বিকাশ কেন্দ্ৰৰ ৩৬৬ টা স্থানৰ যি তালিকা দাখিল কৰিছে তাত কিছুমান এন.জি.অ'ৰ কাৰ্য্যলয়ৰ ঠিকনা দিয়া হৈছে। মোৰ প্ৰশ্নটো হৈছে প্ৰকৃততে দক্ষতা বিকাশ কেন্দ্ৰ বুলি এন.জি.অ' বিলাকক কেন্দ্ৰটো খুলিবলৈ দিয়া হৈছে নেকি? তেওঁলোকৰ কাৰ্য্যলয়টো বিকাশ কেন্দ্ৰ হ'ব নাইবা তাৰ কাৰণে কিবা অন্য কাৰ্য্যালয় হ'ব - সেইটো বুজিব পৰা নাই। লগতে মই হিচাপ কৰি চাইছো যে ৩৬৬ টা স্থানত দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ বাবে বিভাগে মোকলাই দিয়া ১,০১,৫৭০০০ টকাক যদি ভাগ কৰা হয় তেতিয়া প্ৰতিটো কেন্দ্ৰই ২৫ পৰা ৩০ লাখকৈ টকা পাব। গতিকে এইখিনি টকাৰে তেওঁলোকে এটা কেন্দ্ৰ বনাব নে, কিবা কাম কৰিব?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে ঠিক কথা কৈছে। দক্ষতা বিকাশ কেন্দ্ৰ মুকলিৰ বাবে আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা সময় বিচাৰিছো আৰু তেখেতে সময় দিলে অসমত সৰ্বমুঠ দক্ষতা বিকাশ কেন্দ্ৰ ৪৯৬ টা হ'ব। বিধায়কজনৰ প্ৰশ্নটো হৈছে তালিকাত কিছুমান এন.জি.অ' বা কোম্পানীৰ নাম আছে, তেওঁলোকক টকা দিলে তেওঁলোকে কেন্দ্ৰ স্থাপন কৰিবনে, কি কৰিব সেইটো। মাননীয় অধ্যক্ষ মহোদয়, দক্ষতাৰ পাঠ্যক্ৰমটো হৈছে কম সময়ৰ পাঠ্যক্ৰম, তিনি মহীয়া-চাৰি মহীয়া। এই পাঠ্যক্ৰমৰ দ্বাৰা আমি মানুহ এজনক দক্ষ কৰি দিব লাগে। সেই হিচাপত আমি লক্ষ্য নিৰ্দ্ধাৰণ কৰিছো যে এই বছৰত আমি যাঠি হাজাৰ লৰা-ছোৱালীক দক্ষ কৰিম আৰু অহা বছৰ আমি

ডেৰলাখ লৰা-ছোৱালীক দক্ষ বনাম। মাননীয় অধ্যক্ষ মহোদয়, আমি বৰ্তমান যিখিনি টকা মোকলাই দিছো সেইখিনি হৈছে আঁচনিটোৰ সৰ্বমূঠ ধনৰ পশিছ শতাংশহে মাত্ৰ। মাননীয় সদস্য গৰাকীৰ কোৱা কথাটো সম্পৰ্কত কৈছো - যি বিলাক কেন্দ্ৰ হ'ব, সেইবিলাক চৰকাৰে নবনাও। কেন্দ্ৰসমূহ আমি ইউ.আই কৰিছো আৰু ইউ.আই কৰি বিভিন্ন ধৰণৰ 'প্ৰশিক্ষণ অংশীদাৰ' লৈছো। এই 'প্ৰশিক্ষণ অংশীদাৰ' আমি ২০৭ টা লৈছো আৰু এই অংশীদাৰ সমূহ লওঁতে আমি তেওঁলোকে আগতে দক্ষতা বিকাশ কৰিছেনে নাই, যদি কৰিছে, কি কি ট্ৰেডত কৰিছে, দক্ষতা বিকাশ কৰি তেওঁলোকে নিয়োগ দিব পাৰিছেনে নাই, এই গোটেই কথাবিলাক চোৱা হৈছে। এইখিনি চোৱাৰ পিছত আমি এন.জি.অ' নাইবা কম্পানী বাচনি কৰি 'প্ৰশিক্ষণ অংশীদাৰ' হিচাপে লও। আমি বাচনি কৰা ২০৭ টা 'প্ৰশিক্ষণ অংশীদাৰে' এই দক্ষতা বিকাশৰ কামখিনি কৰিব। এই বছৰত পঞ্চাশ হাজাৰ ল'ৰা-ছোৱালীক ইতিমধ্যে মবিলাইজ কৰা হৈছে। গতিকে দক্ষতা বিকাশৰ বাবে এই ধৰণে ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহোদয়, বিশ্বৰ ভিতৰত দক্ষতা বিকাশৰ ক্ষেত্ৰত চিংগাপুৰ আগুৱাই আছে। সেইবাবে আমি চিংগাপুৰৰ আই.টি.ই.এছৰ লগত আমি এম.অ'.ইউ কৰিছো। এন.জি.অ' বিলাকৰ প্ৰশিক্ষক সমূহক চেক্টৰেল টিচাৰৰ দ্বাৰা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়। অধ্যক্ষ মহোদয়, প্ৰায় সাতশ কোটি টকাতকৈও অধিক ব্যয়ৰে আমি এখন মঙ্গলদৈত 'দক্ষ নগৰী'(Skill City) স্থাপন কৰিম। সেই 'দক্ষ নগৰী'(Skill City)খনৰ বাবে টিচাৰ্চ ট্ৰেইনিঙৰ ব্যৱস্থা কৰিছো। চিংগাপুৰৰ পৰা মানুহ আহি ইয়াতে ট্ৰেইনিং দিছে আৰু ত্ৰিশজনীয়া

এটা গোট আমি চিংগাপুৰলৈ প্ৰেৰণ কৰিছো। তেওঁলোকে তাত ট্ৰেইনিং ল'ব আৰু তাৰপৰা আহি ইয়াত ট্ৰেইনিং দিব। যিহেতু 'দক্ষ নগৰী'(Skill City)খন মঙ্গলদৈত স্থাপন হোৱাতে সময় লাগিব গতিকে আমি আই.এছ.বি.টিৰ সন্মুখত এটা অট্টালিকা লৈছো বৰ্তমান 'দক্ষ নগৰী'(Skill City)খন তাত কৰিম। চিংগাপুৰৰ পৰা ট্ৰেইনিং লৈ অহা সকলে 'দক্ষ নগৰী'ত শিক্ষক সকলক ট্ৰেইনিং দিব। এইটোৱেই হৈছে চিষ্টেম আৰু এইটো সম্পূৰ্ণ স্বচ্ছতাৰে কৰা হৈছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীআমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই 'দক্ষ নগৰী'ৰ বাবে এতিয়া দুই কোটি টকা মোকলাই দিয়া হৈছে আৰু 'দক্ষ নগৰী'(Skill City) এটা অট্টালিকা বা এটা ৰূমত চলালে হয়টো নিৰ্দিষ্ট এটা বা দুটা ট্ৰেডৰ হ'ব কিন্তু 'দক্ষ নগৰী' (Skill City) বুলিলে আমি যিটো বুজি পাও সেইটো হৈছে মাল্টিচেক্টৰেল। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মঙ্গলদৈত যিটো হ'ব তাত সকলো ট্ৰেড সামৰি লোৱা হ'বনে নাই? আৰু 'দক্ষ নগৰী'(Skill City) স্থাপনৰ বাবে মাটি ৰিকুইটমেন্ট কৰা হৈছেনে নাই আৰু তাত সকলো ট্ৰেড সামৰি লোৱা হ'বনে নাই?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ভাল কথা, তেখেতে যিটো কৈছে, এই কথাবিলাক সুধিলে মইও ভাল পাওঁ আৰু উত্তৰ দিও ভাল পাওঁ। কাৰণ এই কথাটো অসমৰ নিবনুৱা সকলৰ লগত জড়িত কথা। বিধায়ক গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, সেই ভাল প্ৰশ্ন কৰিছে। মঙ্গলদৈত যিখন 'দক্ষ নগৰী' (Skill City) হ'ব, সেইখন মাল্টিস্কীল চিটি হ'ব আৰু তাৎক্ষনিক ভাবে আমি তাত ৮৯ টা ট্ৰেড আৰম্ভ কৰিম। যদি প্ৰয়োজন হয় আৰু অধিক ট্ৰেড কৰিম। উদাহৰণ হিচাপে ক'ব বিচাৰিছো - কেইদিনমান আগতে জাপানৰ প্ৰতিনিধি দল এটাই মোক কৈছে যে, আপোনালোকৰ যিমান আই.টি ইঞ্জিনিয়াৰ আছে তেওঁলোকক তিনি বা ছয়মাহৰ পাঠ্যক্ৰমৰ জৰিয়তে জাপানী ভাষাটো সিকোৱাৰ ব্যৱস্থা কৰক। যেতিয়া জাপানী ভাষাটো

তেওঁলোকেক অলপ অলপ বুজিব তাৰ পিছত আপোনালোকৰ দহ হাজাৰ বিশ হাজাৰ যিমান আই.টি ইঞ্জিনিয়াৰ আছে আমাক দিয়ক আমি পৃথিৱীৰ যিমান জাপানীচ কোম্পানী আছে তাত অধিক দৰমহা দি নিযুক্তি দিম। এতিয়া অধ্যক্ষ ডাঙৰীয়া আমি দক্ষতা বিকাশত অকল মেকানিক, ইলেক্ট্ৰিচিয়ান আদি নকৰি দক্ষিন-পূৱ এচিয়াৰ ভাষাসমূহ সিকোৱাটোও দক্ষতা বিকাশত লৈছো। অধ্যক্ষ মহোদয় মাননীয় বিধায়কজনক মই পুনৰ ধন্যবাদ দিছে যে তেখেতে কথাখিনি সুধাৰ বাবে কাৰণ এই কথাখিনি বাতৰি কাকতত প্ৰকাশ পাব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উৎসা বাঢ়িব। এই বিলাক প্ৰশ্ন সুধিলে ভাল লাগে । অধ্যক্ষ মহোদয় আমাৰ সকলোৰে প্ৰচেষ্টাত আমাৰ নিবনুৱা যুৱক-যুৱতিসকলে এটা আশাৰ ৰেঙণী দেখিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি আহমেদ ডাঙৰীয়া এতিয়া সময় নাই, প্ৰশ্নকাল শেষ হ'ব। গতিকে আপুনি মূল কথা কেইটা কওক।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয় যিহেতু আমাৰ বৰপেটা জিলাৰ বেছিভাগ মানুহ খেতিয়ক। গতিকে তাত প্ৰতিবছৰে প্ৰায় সাৰৰ প্ৰয়োজন হয় ৪৬৮০০ মেট্ৰিকটন। কিন্তু মোৰ প্ৰশ্নটোৰ উত্তৰত কৈছে জিলাখনত ১৩০০ মেট্ৰিকটন প্ৰতিবছৰ দিয়া হয়। অধ্যক্ষ মহোদয় এই ব্যৱধানটো হোৱা বাবে প্ৰতি বছৰে সাৰৰ নাতনি হৈছে আৰু সহকাৰী প্ৰৱন্ধক ইফকো (আই.এফ.এফ.চি.অ')য়ে যিখিনি ৰাইজক দিব লাগে সেইখিনিও নিদিয়ে। তেখেত এজন দুৰ্নীতি পৰায়ণ ব্যক্তি। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো ইফকোৰ ইউৰিয়া সাৰৰ আৱন্টন বঢ়াব লাগে আৰু ইফকোৰ সহকাৰী প্ৰৱন্ধকজনক অতিসোনকালে বদলী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি অলপ চমুকৈ উত্তৰটো দিব।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্নটো দিয়াৰ পিছতেই আমি প্ৰশ্নটোৰ সম্পৰ্কত বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিছিলো। এতিয়া তেওঁ ইয়াত IFFCO ৰ কথাটো উল্লেখ কৰিছে। আমাৰ জিলা পৰ্য্যায়ত এখন কমিটী আছে, য'ত DC, Chairman আৰু Block Officer সকল Member Secretary হয়। তাত কোম্পেনীৰ মানুহ আৰু Official থাকে।গতিকে আমি এই বিষয়টোৰ ক্ষেত্ৰত অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিম। যদি IFFCO ৰ Assistant Manager য়ে এনেকুৱা কৰিছে। এই কোম্পেনীৰ যিখিনি ইউৰিয়া সাৰ, সেইখিনিহে কিন্তু খেতিয়কসকলে বেচি বিচাৰে। তথাপিও যদি তেনেকুৱা কোনো খেলি-মেলি কৰিছে, আমি অনুসন্ধান কৰি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** Question hour is over. এতিয়া ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** ছাৰ, যোৱাকালি মোৰ এটা লিখিত প্ৰশ্ন আছিল। প্ৰশ্নটো হ'ল ৭৫৮। মই সুধিছিলো অসমত পঞ্চায়ত নিৰ্বাচন কেতিয়া হ'ব। উত্তৰত আহিলে অসম যোৱা পঞ্চায়ত সাধাৰণ নিৰ্বাচন আয়োগৰ সচিবে জনোৱা মতে যোৱা পঞ্চায়ত সাধাৰণ নিৰ্বাচন২০১৩ চনৰ ৩০ জানুৱাৰী,৬ ফ্ৰেব্ৰুৱাৰী আৰু ১২ ফেব্ৰুৱাৰীত তিনিটা পৰ্য্যায়ত অনুষ্ঠিত হৈছিল। মই সুধিছিলো কেতিয়া হ'ব?

**মাননীয় অধ্যক্ষ ঃ** এইটো Starred নে Unstarred Question আছিল ?

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** ছাৰ, Unstarred Question আছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই চাই লম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** অধ্যক্ষ মহোদয়, আমি আইন সভাৰ সদস্য

হিচাপে গৰ্ব বোধ কৰো। মোৰ কালি দুটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** Question No. কেইটা কি আছিল?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** Question No. কেইটা আছিল 784 Unstarred Question অধ্যক্ষ মহোদয়, আমাৰ CM Special পেকেজত যিখিনি টকা আৰু টিন-পাত আমাৰ সমষ্টি অনুসৰি ভাগ হ'ব,তাত আমি ২০১১ পৰা চাই আছো তাত আমাৰ যিখন কমিটী হয়, তাত কমিটীত MLA Representative থাকে। তাত কমিটী বনোৱা হৈছে। Chief Executive Officer, Project Director DRDA আৰু সকলো Block Development Officer থাকে। মই এইকাৰণে কলো কাৰণ আইন সভাৰ সদস্য। আমি আইন বনাই থাকো। আমি MLA সকলে যদি এই কমিটীত নাথাকো এইবোৰ মূল্যহীন হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** Question No.784. হ'ৰ। মই এইটো চাই লম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** অধ্যক্ষ মহোদয়, মোৰ আৰু এটা Unstarred Question আছিল 758 তাত স্পষ্টভাৱে মই কৈছিলো যে প্ৰাক্তন বিধায়কে আধাৰশিলা স্থাপন কৰিছিল নেকি? কিবা নিৰ্দ্দেশ আছে নেকি? তেওঁ কৈছিল নিৰ্দ্দেশ নাই। যোৱাবাৰ ৬ নং প্ৰশ্নত কৈছিল প্ৰাক্তন বিধায়কৰ নামত আধাৰশিলা স্থাপনৰ ফলকখন লগোৱা হৈছে। অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ উত্তৰ হৈছে এতিয়াৰ বিধায়ক থাকোতে প্ৰাক্তন বিধায়কে যদি আধাৰশিলা স্থাপন কৰে, এই আইনবোৰ বনোৱাৰ মূল্য নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো চাম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, আৰু এটা আছে। DC য়ে BDP ৰ এটা আধাৰশিলা স্থাপন কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Question টো কি, কওঁক?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** অধ্যক্ষ মহোদয়, Question নহয় এনেয়ে ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো নকৰিব। কাৰণ এইটো Question related নহয়।

**শ্ৰী আব্দুল খালেক, জনিয়া ঃ** ছাৰ, বিষয়টো গুৰুত্বপূৰ্ণ। DC য়ে in present of MLA,MP আধাৰশিলা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** সেই বিলাক কথা আমি এতিয়া আলোচনা নকৰো। শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল, আজি Unstarred Question ত ৮২৬ নং প্ৰশ্নটোত আছিল যে অসমৰ নিবনুৱা পৰিস্থিতি বৰ্তমান কি পৰ্য্যায়ত আছে আৰু মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰটো খুব সুন্দৰভাৱে দিছে। সেইকাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিন্তু দেখা গৈছে যে আমাৰ Job Mela, National Carrier Service, Carrier Counselling Various Vocational Trainning, বিভিন্ন ধৰণে উল্লেখ কৰা হৈছে।কিন্তু যোৱা দুটা বছৰে বিধায়কসকলক পোনপটীয়াভাৱে জড়িত কৰা হোৱা নাই। Assistant Director Employment Exchange ৰ জৰিয়তে হওঁক বা DC ৰ হৈ এই শিতানটো চাই থকা ADC জনে হওঁক, আমাক আগতে মাতিছিল, এতিয়া নামাতে।

**মাননীয় অধ্যক্ষ ঃ কোনটো** বিষয়ত জব মেলা আৰু কোনখন মিটিংত মতা নাই?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** Unemployment বিষয় সমূহৰ লগত আমাৰ জব মেলা

যদি পাতে, কেতিয়া পাতিছে, ক'ত পাতিছে আদিবোৰ বিষয়ত আমাক জড়িত কৰা নাই। সেয়েহে আমাৰ MLA সকলক জড়িত কৰিব লাগে।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে, মই চাই লম। এতিয়া মই Next Question লৈ যাওঁ। যোৱাকালি আমাৰ Debate আৰম্ভ হৈছিল Cut Motion ৰ ওপৰত। ৰূপজ্যোতি কুৰ্মীয়ে ক'লে। এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই ক'ব।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) :** মাননীয় অধ্যক্ষ মহোদয়, কাটমোশনের সমর্থন জানিয়ে আমি আমার বক্তব্য তুলে ধরছি। কথাটা হচ্ছে PHE department সম্বন্ধে। আমরা সবাই জানি জলের অপর নাম হচ্ছে জীবন। জল ছাড়া আমরা বাঁচতে পারিনা । জলের খুবই দরকার। অধ্যক্ষ মহোদয় আমার তথ্য নয় পার্লামেন্টে বলা হয়েছিল যে ১২.৫১ শতাংশ মানুষ এখনও বিশুদ্ধ পানীয় জল থেকে বঞ্চিত। আসামের ৩০ লক্ষ ২৯ লক্ষ মানুষের officially ২৮ থেকে ২৯ লক্ষ মানুষ বিশুদ্ধ পানীয় জল থেকে বঞ্চিত। আমি মনে করি সেই তথ্যটা ২৮ লক্ষ নয় সেটা দাড়াবে গিয়ে ১ কোটি থেকে দেড় কোটি। কারণ অনেক সুন্দর সুন্দর প্রকল্প গুলো বানানো হয়, water supply plant সেগুলো মন্দিরের মতো বানানো হয়। বানানোর প্রায় ছয় সাত মাস পরে যে Raw water পাইপ থাকে সে লাইনগুলো নষ্ট হয়ে যায়।এবং যদি সেটা surrounding তিন কিমি থাকে ultimately আমরা দেখতে পারবো তিন চার হাজার মানুষ সেই water supply plant থেকে জল খাওয়া দরকার বা সরকার সেটা নির্দিষ্ট করে দিল এবং সেখান থেকে চার পাঁচশ মানুষ উপকৃত হয় ।আমাদের অসমে বর্তমান দিনে এক কোটি বিশ লক্ষ মানুষ এই বিশুদ্ধ জল থেকে বঞ্চিত। ২০১১ তে আমি যখন প্রথম বিধায়ক হই, আমার সিট নাম্বার ছিল ১০০। আমাদের মাননীয় মন্ত্রী,আমার সতীর্থ বিধায়ক পল্লব লোচন দাস, পিযুষ হাজারিকা আমরা সবাই এখানে ছিলাম।তখনও সরকারে তরফ থেকে যখন স্টেটমেন্ট দেওয়া হত আমরা তখন হাতে তালি দিতাম।এখন দেখছি আমাদের বিজেপি ভাইরাও হাতে তালি দিয়ে থাকেন।বেশি হাতে তালি দেওয়ার অবস্থা এটাই। যেভাবে হাতে তালি পড়ছে তার পরিণামটা হয়তো বা সেভাবেই হবে। আমাদের পিএইচই বিভাগে যে পার্সন্যাল পোস্ট যেগুলো আছে ২০২০ র ভিতরে যদি সেই পোস্টগুলি পর্মানেন্ট করা না হয় তাহলে কিন্তু পিএইচই বিভাগ আর চলবেনা।সেখানে স্টাফ আর থাকবেনা। সব রিটায়ার্টমেন্টে চলে যাবে।সেটা আমার কথা না। মাননীয় মন্ত্রী কয়েকদিন আগে বিধানসভায় বলেছিলেন যে স্টাফ নিযুক্তি হচ্ছে না, স্টাফ নেই , ভয়ঙ্কর অবস্থা। আমরা বারবার পিএইচই বিভাগকে বলছি যে আমরা চার পাঁচ দিনে একদিন জল পাই।অন্তত একটা স্টাফ আপনারা দিন। ওরা বলে আমাদের কাছে স্টাফ নেই । সবচেয়ে গুরুত্বপূর্ণ ব্যপার electrician, pump operator,plumber SA Assistent যারা আছে এক একটা খালাসি এইগুলো কাজ করছে। অধ্যক্ষ মহোদয় আমাদের কাছে electricianনেই, pump operator নেই,,plumber নেই, junior Assistent নেই। খালাসিদের দিয়ে এই কাজগুলো চালানো হচ্ছে। অধ্যক্ষ মহোদয় কত বড় ঘোরতর অন্যায় যে একজন খালাসিকে electrician এর কাজ করানো হচ্ছে। সেই খালাসির electric সম্বন্ধে কোন অভিজ্ঞতা নেই। সেই খালাসির হয়তো ইলেকট্রিকের কাজ করতে গিয়ে মৃত্যুবরণ করতে হতে পারে। সেই ক্ষেত্রে আমি মনে করি আমাদের PHE বিভাগ বর্তমানে একটা বড় ঝুকি নিচ্ছে। কারণ খালাসি দিয়ে আমাদের সেই কাজ গুলো করানো হচ্ছে। কারণ আমাদের কাছে স্টাফ নেই। তার জন্য আমি ব্যক্তিগত ভাবে মনে করি আমাদের PHE বিভাগে ১ টাকা হ্রাস করা হোক কিন্তু আমি মনে করি টাকার খুবই

দরকার। টাকা দিতে হয়, PHE বিভাগ খুবই গুরুত্বপূর্ণ বিভাগ। কিন্তু কেন PHE বিভাগকে অবহেলা করা হচ্ছে আমি সেটা বুঝতে পারছিনা। মিত্র জোটের সরকার। সরকারের মধ্যে কিছু difference থাকতে পারে, কোন বিভাগকে বেশী গুরুত্ব দেওয়া হচ্ছে আবার কোথাও কোন বিভাগকে গুরুত্ব দেওয়া হচ্ছে না। আমি কারো support বলছি না অধ্যক্ষ মহোদয়। আমাদের সবারই জলের দরকার। আমাদের সবার সমষ্টিতে জলের এই ধরণের problem। জলের অভাবে মানুষ হাহাকার করছে। plant গুলো অনেক সুন্দর সুন্দর, গ্রামাঞ্চলে plant হয়, কিন্তু ভালোভাবে চলেনা। আমাদের sports source,তারা পাম্প tube oil এগুলো খুব দরকাব। কিন্তু দুই বছর থেকে সেইলো দেওয়া হচ্ছেনা।অধ্যক্ষ মহোদয় বিধানসভা থেকে একটি গুরুত্বপূর্ণ তথ্য আমরা বিধান সভা থেকে পেয়েছি যে প্রায় ১১৬৭টি water supply plant এখনও অসম্পূর্ণ। সেগুলো আমরা কমিশন করতে পারছিনা।কারণ আমাদের কাছে টাকা নেই, সরকারের কাছে নেই।দুঃখজনক ব্যপার প্রায় এক হাজার running skill working ছিল সেগুলো defect হয়ে আছে। আমার সতীর্থ বিধায়ক বলেছিলেন বিগত সত্তর বছরে বিভিন্ন সময়ে কংগ্রেস শাষন ব্যবস্থায় ছিল। এই অসমে একটাও water supply plant ছিলনা। আজকে হাজার হাজার water supply project সেই কংগ্রেস সরকারে বানিয়েছে।এই অসমে একটা তারা পাম্প, টিউবওয়েল ছিলনা। হাজার হাজার লাখ লাখ টিউবওয়েল কংগ্রেস সরকার বানিয়েছে। কিন্তু সেগুলো রক্ষনাবেক্ষনের দায়িত্ব এখন বর্তমান সরকারের।আমরা দেখেছি প্রত্যেকটা সমষ্টিতে ছয়টি করে scheme repairing করা হচ্ছে। ছয়টি দিয়ে কোন কাজ হবেনা। আমরা চাই বৃহৎ সংখ্যক টাকা দেওয়া হোক এবং প্রত্যেকটা water supply project যাতে মেরামত করে জনসধারণের জন্য বিশুদ্ধ জলের সরবরাহ করতে পারি। মাননীয় অধ্যক্ষ মহোদয, আমাদের প্রধানমন্ত্রী যখন সচ্ছ ভারতের কথা বলেন আমরা খুশি হই। সচ্ছ মানে এটা নয় যে আমরা পরিষ্কার করে রাখলাম। স্বচ্ছ মানে আমাদের মনের দিক দিয়ে, মানষিক ভাবে আমাদের স্বচ্ছ হতে হবে। স্বচ্ছ ভারত অভিযানের under এ law cost sanitation করা হয়। সেই law cost sanitation এে একএকটা ইউনিটে বারো হাজার টাকা করে দেওয় হয়। বারো হাজার টাকা দিয়ে এই কাজ হয়না। যদি এই বারো হাজার টাকার সাথে রাজ্য সরকারের তরফ থেকে কিছু ফান্ড যুক্ত করা হয় তাহলে ২০-২৫ হাজার টাকা যদি একটা unit দেওয়া হয় তাহলে অন্তত ভালো করে একটা লেট্রিন আমরা মানুষের জন্য দিতে পারবো। নাহলে এই টাকাগুলোর সদ্ব্যবহার হয়না। বানানো হয় কিন্তু দু-এক বছর পর এগুলো ভেঙে যায়।অধ্যক্ষ মহোদয়, একটা বিশেষ করে একটা গুরুত্বপূর্ণ বিষয়, আমাদের মন্ত্রী মহোদয় ও জানেন সেই কথাটি আমি বিধানসভায় উত্থাপন করেছিলাম। আমাদের করিমগঞ্জ জেলায়, আমার সমষ্টিতে ১৯৬৭ সনে water supply plantস্থাপন করা হয়েছিল। এবং সেটা ডিজাইন করা হয়েছিল ত্রিশ বছরের জন্য। কিন্তু এখন একান্ন বছর running চলছে। অধ্যক্ষ মহোদয় অন্তত এক মাস দু মাস পরে পরে ১০- ১৫ দিনের জন্য আমাদের জল সরবরাহ বন্ধ রাখতে হয়। এই জন্য বন্ধ রাখতে হয়, কারণ জল সরবরাহের জন্য যে গুলো পাইপ লাইন ছিল সেগুলো ভেঙ্গে যায় এবং সেগুলো স্তব্দ হয়ে যায়। আমাদের চর অঞ্চলের water supply একদিন যদি বন্ধ হয় তাহলে আমাদের কি ধরণের অসুবিধা হয় তা প্রত্যেক জন বিধায়কই জানেন। ১৯৬৭ প্রায় ৩১ হাজার মানুষ সেটার থেকে উপকৃত হতো ১৯৯৭ প্রায় ৫০ হাজার ৪০০ মানুষ সেটা থেকে উপকৃত হতো। বর্তমানে ১৭-১৮ তে প্রায় ৮০ থেকে ৯০ হাজার মানুষ সেই water supply plant থেকে উপকৃত হচ্ছে। কিন্তু আমরা বিধান সভায় বলার পর বিধান

সভায় যে উত্তর দেওয়া হলো, অধ্যক্ষ মহোদয় আমরা জানি যে ৫০ বছর অতিক্রম করার পর সেটার লাইফ টাইম শেষ। সেখানে আরও একটা নতুন project এর দরকার আছে। কিন্তু আমারা দেখতে পাচ্ছি যে সরকারের তরফ থেকে বা সেই বিভাগের তরফ থেকে আজ অবধি কোনও ব্যবস্থা নেওয়া হয়নি। আমরা চাই একটা বিশেষ ব্যবস্থা নেওয়া হউক মানুষ যাতে বিশুদ্ধ পানীয় জল থেকে বঞ্চিত না হয়। কিছু দিন আগে আমি রিয়াং বস্তীতে গিয়েছিলাম। সেই রিয়াং বস্তী যেখানে একটি মেয়েকে রেপ ও মার্ডার করা হয়েছিল। প্রায় ৪ কিলোমিটার্ হেটে হেটে পাহাড়ের উপরে গেলাম সেখানে জল সরবরাহর কোনো ব্যবস্থা নাই, নীচে একটা রিং কুয়ো আছে সেখানে কাদায় ভরে আছে এবং সেখানে জল গিয়ে পড়ে। সেই নোংরা জল সেখানকার বাসিন্দারা পান করছে।আমি মনে করি rain water harvesting project গুলো যদি আমরা সেই অঞ্চলগুলোতে করতে পারি তাহলে পাহাড় অঞ্চলগুলোতে জল সরবরাহ ব্যবস্থা করা সম্ভব হবে। সভাপতিমহাশয়, আমদের মাননীয় প্রাক্তন মুখ্যমন্ত্রীও এখানে আছেন।ওনার সমষ্টিতে একটি grater Titabar নামে একটি project হয়েছিল। সেটি অনেক আধুনিক প্রযুক্তি সম্পন্ন হয়েছিল।বর্তমানে সেটা ভালোভাবে রান করার জন্য ফুয়েল না থাকায় সেটা চলছেনা।সেই ক্ষেত্রে মন্ত্রীমহোদয় যাতে বিশেষ পদক্ষেপ নেয়।আমাদের বিশ্বাস যদি বিশেষ পদক্ষেপ নেওয়া হয় তাহলে অনেক মানুষ উপকৃত হবেন। আমাদের গ্রামঅঞ্চলে বিশেষ করে sports source .তারা পাম্প খুবই দরকার। water supply project দিয়ে আমাদের পানীয় জলের সমস্যার সমাধান করা সম্ভব নয়। অতএব sports source এর যাতে ব্যবস্থা করা হয় । অনেক ক্ষেত্রে আমাদের আর্সেনিক থাকে অনেক ক্ষেত্রে ফ্লোরাইড থাকে। সেই ক্ষেত্রে আর্সেনিক ফ্লোরাইড অঞ্চলে জল দিয়ে ওদের মৃত্যু মুখে পতিত করা হয়। আমাদের River source এখানে নেই। সেই জায়গায় আমরা কিভাবে বিকল্প ব্যবস্থা গ্রহণ করে বিশুদ্ধ পানীয় জলের ব্যবস্থা করতে পারি তার জন্য আমরা মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকলো। বিশেষ করে করিমগঞ্জ শহরে যে পানীয় জলের যে সমস্যা আছে আমি মনে করি মন্ত্রী মহোদয় সেখানে একটা টিম পাঠিয়ে সার্ভে করে অন্তত করিমগঞ্জ শহরের জন্য একটা project বানানো হোক এবং আমাদের করিমগঞ্জ শহরের বাসিন্দারা যাতে সেই কষ্ট থেকে মুক্তি লাভ করতে পারে তার জন্য মন্ত্রী মহোদয় যাতে বিহীত ব্যবস্থা করেন তার জন্য মন্ত্রী মহোদয়ের কাছে অনুরোধ রইলো। বিশেষ করে আমাদের সরকার সবসময় টিম আসামের কথা বলে থাকেন। সবকা সাথ সবকা বিকাশ বলে থাকেন। আমরা সেগুলো শুনে ভালো পাই, খারাপ পাই না। কিন্তু প্রকৃত অর্থে আমরা সেগুলো দেখতে পাচ্ছি না। আমরা বিধান সভায় সেগুলো বলি, মন্ত্রী মহোদয়রাও বলেন কিন্তু ফিল্ড লেভেলে কতটুকু বাস্তবায়িত হচ্ছে সেটাই প্রশ্নের সন্মুখীন। Chairman sir, আমি আর বিশেষ কিছু বলছি না, আমি শুধু একটা কথাই বলবো আমার আগে অনেক বিধায়করা Water ATM এর কথা বলেছেন। সেই ক্ষেত্রে Water ATM ব্যবস্থা যাতে করা হয় কিছু কিছু ক্ষেত্রে । প্রথম ক্ষেত্রে আমারা ১০০০ টা বা ৫০০ টা Water ATM যদি দেওয়া হয় তাহলে আমরা বুঝতে পারবো যে আসামের ক্ষেত্রে একটা নতুন দিগন্তের সূচনা হচ্ছে, বিশেষ করে মন্ত্রী মহোদয় বলেছেন সোনালী যুগ, কিন্তু তখনই বুঝবো যে সোনালী যূগের সূচনা হয়েছে। আজকের দিনে বিশেষ করে আমি মন্ত্রী মহোদয়কে ধন্যবাদ জানাই যে উনি তৎপর, কিন্তু সেই তৎপরতা থাকা সত্বেও আমরা ফিল্ড লেভেলে কিন্তু কাজ দেখতে পাচ্ছি না। কেন সেই কাজ দেখতে পাচ্ছি না, কেন কাজ হচ্ছে না? টাকা এক টাকা হ্রাস করা হউক কিন্তু সেটা একটা device কিন্তু বাস্তবিক পক্ষে টাকা বেশী দেওয়া হউক, কাজ

বেশী হউক। কিন্তু ফিল্ড লেভেলে আমরা দেখতে পাচ্ছি টাকা বেশী দেওয়া হচ্ছে কিন্তু কাজ হচ্ছে না। সমস্য সমস্যা। বিশেষ করে PHE বিভাগে প্রচুর সমস্যা অধ্যক্ষ মহোদয়। বিশেষ করে ধন্যবাদ জানাই আজকের এই সমস্যাগুলো কাটমোশনের মাধ্যমে মন্ত্রী মহোদয়েব. তরফ থেকে আশ্বাস গুলো যাতেপাওয়া যায়। করিমগঞ্জ শহরে water supply plant নিয়ে মন্ত্রীমহোদয়ের তৎপরতায় যাতে একটি টিম গঠন করে তার ব্যবস্থা করা হউক। বিশেষ করে আমরা দেখতে পাই যে আজকের দিনে এবং বিগত দিনের মধ্যে তফাত হচ্ছে গিয়ে বিগত দিনে NRDW project . গুলো হয়েছিল কিন্তু আজকের দিনে সেই কাজ গুলো স্তব্দ হয়ে আছে। অধ্যক্ষ মহোদয় দু বছর হলো বিধায়ক হয়েছি কিন্তু একটা project আমরা শুরু করতে পারলাম না আমার সমষ্টিতে । একটা কাজের জন্য proposal আমরা দিতে পারলাম না, সেটার কারণ টা কি ? কেন কাজ হচ্ছে না ? সেই বিশুদ্ধ পানীয় জল থেকে আসামের মানুষ কেন বঞ্চিত সেই ক্ষেত্রে যাতে কঠোর পদক্ষেপ নেওয়া হয় এবং মন্ত্রী মহোদয়ের যে সদিচ্ছা সেটা প্রকৃত অর্থে যাতে ফিল্ড লেভেলে আমরা দেখতে পাই। কাটমোশনের সমর্থন জানিয়ে এবং ধন্যবাদ জানিয়ে সেই সমস্যা গুলোর যাতে সমাধান হয়, সেই আশ্বাসটুকু যাতে মন্ত্রী মহোদয়ের কাছ থেকে পাওয়া যায় এবং বাস্তবে যাতে রূপান্তরিত হয় সেই আশা রেখে আমি আমার বক্তব্য শেষ করলাম। ধন্যবাদ নমস্কার।

**শ্ৰীবীৰভদ্ৰ হাগজেৰ, সভাপতিঃ** ধন্যবাদ। এতিয়া মই সন্মানীয় বিধায়ক নাৰায়ন ডেকাক তেখেতৰ ভাষণ ৰাখিবলৈ অনুৰোধ জনাইছে।

**শ্ৰীনাৰায়ন ডেকাঃ** সভাপতি মহোদয়, আমাৰ জন স্বাস্থ্য কাৰিকৰী বিভাগৰ জসসিঞ্চন ,পানীযোগান আৰু Sanitation Grant ওপৰত যি কৰ্ত্তন প্ৰস্তাৰ আনিছে সেই কৰ্ত্তন প্ৰস্তাৰৰ বিৰোধিতা কৰি দুআষাৰ কথা উপস্থাপন কৰিবলৈ লৈছো। সভাপতি মহোদয় আমি সকলোৱে জানো এখন সুস্থ সমাজ পাবলৈ হ'লে সুস্থ ব্যাক্তিৰ প্ৰয়োজন। সুস্থ ব্যাক্তি পাবলৈ হ'লে সুস্থ মনৰ প্ৰয়োজন। সুস্থ মনৰ অধিকাৰী তেতিয়াহে হ'ব পাৰিব যেতিয়া এজন ব্যাক্তি সুস্থ শৰীৰৰ গৰাকী হ'ব পাৰিব। সুস্থ শৰীৰ গৰাকী হ'বলৈ বিশুদ্ধ খোৱা পানী অপৰিহাৰ্য্য। আমি দেখিবলৈ পাইছো আজিও আমাৰ ৰাজ্যখনৰ এক বৃহৎ সংখ্যক মানুহে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সন্মূখত এক বৃহৎ প্ৰত্যাহ্বান আছে। লগতে আমাৰ মানুহক বিশুদ্ধ খোৱা পানী যোগান ধৰা বিভাগৰ দায়িত্বও আছে। এই সমস্যা আজি আমাৰ সন্মুখত থিয় হোৱা নাই ই এটা Chronic Problem হিচাপে আমাৰ মাজত বহু দিনৰ পৰা আছে। বিশেষকৈ গ্ৰাম্যাঞ্চলত বহুত লোকে এই সমস্যাৰ লগত সহবাস কৰিবলৈ বাধ্য হৈছে। গতিকে এতিয়া আমি দেখিবলৈ পাইছো এই যে আমাৰ খোৱা পানীৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে ইতিমধ্যে যথেষ্ট তৎপৰতাৰে কাম কৰিছে। আমাৰ মন্ত্ৰী মহোদয়েও তেখেতৰ একাগ্ৰতাৰে আৰু তৎপৰতাৰে বিভাগটো সঠিক দিশত লৈ যোৱাৰ কাৰণে চেষ্টা কৰিছে আৰু আমি আশা ৰাখিছো যে অতিসোনকালে এই বিশুদ্ধ খোৱা পানীৰ সমস্যাটো সমাধান হ'ব। আমাৰ ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যাক্তি প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ সক্ষম হম। সভাপতি মহোদয়, আমাৰ খোৱা পানী যোগান ধৰি বলৈ যাওঁতে আমাৰ বিভাগৰ যিখিনি সমস্যা আছে আৰু বিভাগৰ যিখিনি কৰণীয় আছে তাৰ ওপৰত মই দুটামান কথা আলোকপাত কৰিবলৈ লৈছো। আমাৰ গ্ৰাম্যাঞ্চলৰ বিভিন্ন বেমাৰৰ কাৰক হৈছে এই খোৱা পানী। খোৱা পানীৰ সমস্যাৰ কাৰণে আমাৰ গ্ৰাম্যাঞ্চলৰ বিশেষকৈ জণ্ডিছ, ডাইয়েৰীয়া আৰু টাইফয়েড হয়। আৰ্চেনিক আৰু ফ্ল'ৰাইডৰ কাৰণে আমি গম পাওঁ আমাৰ ব'ন গ্ৰ'থৰ ক্ষেত্ৰত প্ৰব্লেম আহে, স্কীন ডিজিছ হয়। গতিকে এই

বেমাৰৰ পৰা পৰিত্ৰান পাবৰ কাৰণে বিশুদ্ধ খোৱা পানী যোগান দিয়াটো আমাৰ চৰকাৰৰ কৰ্ত্তব্য। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো এই ক্ষেত্ৰত বিহীত ব্যৱস্থা যাতে অতি সোনকালে হয়। কিন্তু তাৰ কাৰণে আমি কিছুমান অসুবিধা দেখিবলৈ পাইছো। যে আমাৰ গ্ৰাম্যাঞ্চলত বিগত সময়ছোৱাত আমাৰ ইয়াৰ আগতে সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থই উল্লেখ কৰিছে যে কংগ্ৰেছৰ দিনত কেইবা হাজাৰ খোৱা পানী যোগানৰ আঁচনি গ্ৰাম্যাঞ্চলত প্ৰস্তুত কৰা হৈছে। কিন্তু এই আঁচনিখিনিৰ কিমানখিনি আঁচনি কাৰ্য্যক্ষম হৈছে এইটো আজিৰ তাৰিখত আমি সকলোৱে জানো। প্ৰতিজন বিধায়কে জানো। আমি যেতিয়া সমষ্টিৰ গ্ৰাম্যাঞ্চলত ঘুৰি ফুৰো তেতিয়া ৰাইজে এটা কথা কমন হিচাপে কয় যে আমাৰ গাওঁৰ পানী যোগান আঁচনিটো ৪-৫ বছৰৰ পৰা বিকল হৈ আছে। আমাৰ গাওঁৰ পানী যোগান আঁচনিটো যোৱা ৫ বছৰ আগতে আৰম্ভ হৈছিল কিন্তু আজিলৈকে সেই আঁচনিখন সম্পূৰ্ণ হোৱা নাই। আমাৰ গাওঁৰ পানী যোগান আঁচনিটো প্ৰায় সকলোখিনি সম্পূৰ্ণ হৈছে সাধাৰন ট্ৰেন্সফৰ্মাৰটোৰ কানেকচনৰ কাৰনে আঁচনিটো আৰম্ভ কৰিব পৰা হোৱা নাই। এই যিখিনি আসোঁৱাহ আছে সেইখিনি দূৰ কৰাৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে ইতিমধ্যে তৎপৰতা লৈছে। যোৱা বছৰ আমাৰ প্ৰতি গৰাকী বিধায়কক মন্ত্ৰী মহোদয়ে কৈছে যে আপোনালোকৰ সমষ্টিৰ পৰা ৬-৭ টাকৈ আঁচনিৰ নাম দিয়ক আমি পৰ্য্যায়ক্ৰমে আমি সেই আঁচনিবোৰ ৰিভাইভ কৰিবলৈ চেষ্টা কৰিছো। সেই অনুযায়ী আমি তালিকা দিছো আৰু এতিয়া এই আঁচনিবোৰ ৰিভাইভ হোৱাৰ পথত গৈছে। গতিকে মন্ত্ৰী মহোদয়ক এই সুযোগতে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আৰু আশা ৰাখিছো বাকী যিবোৰ আঁচনি বিকল হৈ আছে সেই আঁচনিবোৰ ৰিভাইভ কৰাৰ ব্যৱস্থা কৰিব লাগে। যিবোৰ আঁচনি অসম্পূৰ্ণ হৈ আছে , সেইবিলাক সম্পূৰ্ণ কৰিব লাগে। লগতে কি কাৰনে অসম্পূৰ্ণ হৈ আছে তাৰ এটা তদন্ত কৰিব লাগে আৰু এটা নিৰ্দ্ধাৰিত সময় লৈ সেই সময়ৰ ভিতৰত অসম্পূৰ্ণ আঁচনিখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু কিছু আঁচনি দেখিছো আমি ৯৫ শতাংশ, ৯০ শতাংশ সম্পূৰ্ণ হৈছে হয়তো ২০ হাজাৰ, ৫০ হাজাৰ বা এক লাখ টকাৰ কাৰণে সেই আঁচনিখিনি আমি সম্পূৰ্ণ কৰিব পৰা নাই। এইখিনি আমাৰ মাননীয় মন্ত্ৰী মহোদয় নিশ্চয়কৈ knowledge ত আছে গতিকে মন্ত্ৰী মহোদয়ে যাতে ক্ষিপ্ৰতাৰে এই আঁচনিখিনি সম্পূৰ্ণ কৰি ৰাইজৰ সেৱাৰ কাৰনে মুকলি কৰিব পাৰে তাৰ কাৰনে বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। এতিয়া মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ গ্ৰাম্য অঞ্চলত যিখিনি আঁচনি কাৰ্য্যক্ষম হৈ আছে সেই খিনিয়ে যথেষ্ট নহয়, যিখিনি আঁচনি সম্পূৰ্ণ হ'ব লগা আছে সেইখিনি সম্পূৰ্ণ হ'লও আমি হয়তো সকলো গাওঁ চুব নোৱাৰিম। যিখিনি ডিফাং হৈ আছে সেইখিনি কাৰ্য্যক্ষম নকৰিলে সেইগাওঁখিনি বঞ্চিত হৈ ৰ'ব। তাৰ ওপৰিও আমাৰ বহুত এনেকুৱা গাওঁ আছে য'ত আমি আঁচনি এতিয়ালৈকে নিবই পৰা নাই। সেই গাওঁখিনিকো যাতে আমি আঁচনিৰ দ্বাৰা উপকৃত কৰিব পাৰো তাত নতুন প্ৰজেক্ট ল'বলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। সভাপতি মহোদয় আৰু এটা কথা আমি লক্ষ্য কৰিছো যে, বহু গাঁৱত কেইবাটাও চুবুৰী আছে কিন্তু এটা বা দুটা সাঙুৰি এই পানীযোগান আঁচনিখন কৰা হৈছে। কিন্তু তাৰ পৰা আমি partial connection হে দিছো। এই আঁচনিটোৰ পৰা সেই গাওঁখনৰ সকলো পৰিয়ালক আমি সামৰি ল'ব পৰা নাই। গতিকে এই পৰিয়ালবোৰক তাৰ লগত সাঙুৰি লোৱাৰ ব্যৱস্থা কৰা হয়, পানীৰ পাইবোৰ যাতে অধিক প্ৰসাৰ কৰা হয় তাৰ ব্যৱস্থা নিশ্চয় মন্ত্ৰী মহোদয়ে কৰিব। এই আহ্বান মই মন্ত্ৰী মহোদয়ৰ ওচৰত ৰাখিছো। আৰু সভাপতি মহোদয় আমি দেখিছো এই পানী যোগানবোৰ যেতিয়া ৰূপায়ণ হৈছিল তাৰ কথা অনুসন্ধান কৰিলে হয়তো বহু কথা ওলাব। এই

আঁচনিবোৰ ৰূপায়নৰ ক্ষেত্ৰত যি পাইপ ব্যৱহাৰ কৰিছিল অতি নিম্ন মানৰ পাইপ। এতিয়া কিছুমান আছনি আছে য'ত হয়তো ট্ৰেন্সফৰ্মাৰটো কানেকচন কৰিলে পানী হয়তো ওলাব কিন্তু পানী পাইপেদি গৈ হিতাধিকাৰীৰ ঘৰ পাবগৈনে নে সন্দেহ আছে। কাৰণ পাইপসমূহ একেবাৰে নিম্নমানৰ দিয়া হৈছিল এতিয়া মাটিৰ তলত পাইমসমূহ ফুটি গৈছে। পানী কঢ়িয়াব পৰা অৱস্থাত থকা নাই। বহু আঁচনিত এইটো আঁসোৱাহ আমি দেখিছো। এতিয়া পাইপবোৰ সলনি কৰিবলৈ বিভাগে কি ব্যৱস্থা লৈছে সদ্যহতে আমি গম পোৱা নাই এতিয়া মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো ইয়াৰ এটা সঠিক তদন্ত হ'ব লাগে। এই আঁচনিবোৰত লাখ লাখ টকা খৰছ হৈছে অথচ আঁচনি এতিয়ালৈ কামেই কৰা নাই, এতিয়া আৰম্ভ নহওতেই আকৌ ৰিপিয়াৰিং কৰিব লগা হ'ব। গতিকে এই কথাটো গুৰুত্ব সহকাৰে লৈ নিশ্চয় মন্ত্ৰী মহোদয়ে তদন্তৰ ব্যৱস্থা কৰিব। দ্বিতীয়তে অধ্যক্ষ মহোদয়, যিবিলাক আঁচনি অকনমান কথাত অচল হৈ আছেষ, সেই আঁচনিবোৰৰ regular maintenance ৰ প্ৰয়োজন আছে। আঁচনিবোৰ maintenance কৰাৰ বাবে আমাৰ এখন users committee গঠন কৰি দিয়াৰ ব্যৱস্থা আছে। কাৰণ এই যি নিম্নমানৰ পাইপ মাটিৰ তলত ব্যৱহাৰ কৰিলে, সেই পাইপবোৰ এতিয়া অধিকাংশ ভাঙি গৈছে। সেই পাইপবোৰৰ পানী যোৱাৰ অৱস্থা থকা নাই। এনেকুৱা ধৰণৰ বহুতো আঁচনিৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো। এই পাইপবোৰ আকৌ নতুনকৈ কৰিবৰ কাৰণে মাননীয় সভাপতি মহোদয়, মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে এতিয়ালৈকে গম পোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ইয়াৰ সঠিক তদন্ত হ'ব লাগে, কাৰণ লাখ লাখ টকা খৰছ কৰি এটা আঁচনি ৰূপায়ন কৰা হৈছে। সেই আঁচনি এতিয়ালৈকে ৰাইজৰ সেৱালৈ মুকলি কৰা হোৱা নাই। এতিয়া যদি আঁচনিটো মুকলি কৰিব যাওঁ, আঁচনিটো আৰম্ভ নহওঁতে মেৰামতি কৰাৰ কাৰণে প্ৰয়োজন হ'ব। গতিকে এইটো এটা উদ্বেগজনক কথা, এই কথাটো অতি গুৰুত্বসহকাৰে লৈ সভাপতি মহোদয়, মন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ এটা তদন্ত কৰিব।

দ্বিতীয়তে, সভাপতি মহোদয়, পানী যোগান আঁচনিসমূহৰ যিবোৰ কাৰ্য্যক্ষম হৈ আছে বা যিবোৰ আঁচিন কিবা অলপৰ কাৰণে এইটো অচল হৈ আছে, সেই আঁচনিবোৰ নিয়মীয়াকৈ মেৰামতি কৰাৰ কাৰণে প্ৰয়োজন আছে। আমাৰ আঁচনিসমূহ মেৰামতিৰ কাৰণে এখন Users Committee কৰি দিয়াৰ ব্যৱস্থা আছে। Users Committee য়ে যিবোৰ পৰিয়ালে পানী ব্যৱহাৰ কৰে, তেওঁলোকে মাহিলী এটা নিম্নতম পইচা দিব লাগে । Users Committee য়ে সেই পইচাটোৰে তাৰ মাহিলী মেৰামতিৰ কৰাৰ ব্যৱস্থা আছে। এতিয়া আমি দেখিছো বেছিভাগ আঁচনিৰ ক্ষেত্ৰত Users Committee সক্ৰিয় নহয় আৰু ৰাইজো সজাগ নহয় যে পাঁচ টকা বা দহ টকা দি পেলাই ৰাইজে পানী ব্যৱহাৰ কৰিব। গতিকে Users Committee সমূহক সক্ৰিয় কৰাৰ ক্ষেত্ৰত লগতে Users Committee ৰ জৰিয়তে আঁচনিসমূহ সুচাৰুৰূপে চলে, এই ব্যৱস্থাখিনি নিয়াৰিকৈ চলাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে নিশ্চয় এটা ফলপ্ৰসু ব্যৱস্থা লব। আৰু তাৰ ওপৰিও যিখিনি আঁচনি চলি আছে, এই খিনি নিয়মীয়াকৈ মেৰামতি কৰাৰ কাৰণে আমাৰ বিভাগৰ হাতত এটা contingency head এটা থকাৰ প্ৰয়োজন আছে। এইটো মন্ত্ৰী মহোদয়ে জানিব নিশ্চয় contingency head বুলি কোৱাৰ লগে লগে তাত কেলেংকাৰী কথাও থাকে, এইটো নুই নকৰো। কিন্তু আমি অন্তত যদি আঁচনি অনুসৰি ceiling ব্যৱস্থা কৰা হয় যে প্ৰতিটো আঁচনিৰ বিনিময়ত নিম্নতম এটা পইচা দিয়া হয়। যাতে তাৰ অতিৰিক্ত তেওঁলোকে misuse কৰিব নোৱাৰে। এতিয়া

হ'লে আঁচনি অনুসৰি ceiling ব্যৱস্থা কৰি দিলে নিশ্চয় সেই বিভাগৰ দায়িত্বশীল ব্যক্তিজনে accountable হ'ব। কাৰণ সেইখিনি পইচা যদি misuse হয়, সেই আঁচনিটো অচল হৈ থাকে, তেতিয়া হ'লে তেওঁ নিশ্চয় accountable হ'ব । এইখিনি মই মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিছো।

আনহাতে মই এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, সভাপতি মহোদয়, যে আমাৰ যিবোৰ আঁচনি এতিয়া চলি আছে বা যিবোৰ আঁচনি কিবা কাৰণত বন্ধ হৈ আছে, তাত আগতে সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা আছিল যে কোনোবা এটা আঁচনিত পাইপ ফাটি গ'ল, তাত সলনি কৰাৰ প্ৰয়োজন আছে। কোনোবা এটা আঁচনিত টেপতো ভাঙি গ'ল, তাত টেপতো সলনি কৰাৰ প্ৰয়োজন আছে। আৰু এই সমাগ্ৰীসমূহ যোগান ধৰাৰ ব্যৱস্থাটো বন্ধ হৈ আছে। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যিবোৰ আঁচনি এনেকৈ অচল হৈ আছে, সৰু সুৰা কিছুমান সামগ্ৰীৰ কাৰণে চলি থকা নাই, সেই বিলাক অকনমান পৰ্য্যবেক্ষণ কৰি সেই সামগ্ৰীখিনি যোগান ধৰিব পৰা যায়, তাৰ জৰিয়তে আমাৰ এই আঁচনিবোৰ পুনৰ কাৰ্য্যক্ষম হয় আৰু ৰাইজে যাতে উপকৃত হয়।

মাননীয় সভাপতি মহোদয়, আৰু এটা গুৰুত্বপুৰ্ণ কথা যে আজি আমি বিভাগবিলাকত যেতিয়া যাওঁ। আমাৰ Division Engineer ক যেতিয়া কওঁ, আপোনালোকে এই আঁচনিবোৰ সময়মতে পৰীক্ষা নকৰে , আমাৰ কামবোৰ কিধৰণে চলি আছে, আপোনালোকে নিৰীক্ষণ নকৰে। তেতিয়া তেওঁলোকৰ এটাই অভিযোগ আমি পাওঁ যে আমাৰ হাতত এটা Division ত যথেষ্ট সংখ্যক গাঁও আছে। যথেষ্ট সংখ্যক পানী যোগানৰ আঁচনি আছে । এই আঁচনি বোৰ আমি routinely যদি চাব লগা হয়, আমাৰ প্ৰতিটো Division ত গাড়ীৰ প্ৰয়োজন আছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অন্ততঃ প্ৰতিটো Division ত এখনকৈ গাড়ীৰ ব্যৱস্থা কৰে। যাতে Engineer সকলে এই আঁচনিসমূহ সততে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তেওঁলোকে vigilence ৰ ব্যৱস্থা কৰিব পাৰে।

আন এটা গুৰুত্বপুৰ্ণ কথা সভাপতি মহোদয়, আমি দেখিছো যে এতিয়া আমাৰ Division বোৰ নিৰ্দিষ্ট কেইজনমান মানুহৰ ওপৰত নিৰ্ভৰ হৈ আছে। তেওঁলোকৰ manpower অতি কম। **১৫, ২০** বছৰ ধৰি অৱসৰত গৈ আছে, কিন্তু তাৰ সলনি খালী পদবিলাক পুৰণ কৰাৰ ব্যৱস্থা নাই। গতিকে বৃহৎ পৰিসৰৰ এটা বিভাগ, ইমান গুৰুত্বপূৰ্ণ বিভাগ এটা পৰিচালনা কৰা ক্ষেত্ৰত এজন Engineer বা দুই চাৰিজন JE কাৰণে সম্ভৱ নহয়। গতিকে সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ জনসাধাৰণৰ স্বাস্থ্যৰ ওপৰত এইটো অতি গুৰুত্বপূৰ্ণ বিভাগ। গতিকে এই বিভাগটোক সঠিক ৰূপে চলোৱাৰ ক্ষেত্ৰত যিখিনি manpower ৰ প্ৰয়োজন, যিখিনি খালী পদ আছে, সেইখিনি অতি সোনকালে পূৰণ কৰি বিভাগটোক গতিশীল কৰাৰ কাৰণে যাতে গুৰুত্ব দিয়ে।

আনহাতে সভাপতি মহোদয়, আগৰ চৰকাৰৰ দিনত কি কাৰণে হৈছিল, কেনেকৈ হৈছিল মই সেইটো গম নাপাও। বহুতো পানী যোগান আঁচনি যেতিয়া আৰম্ভ কৰে, তেতিয়া কিছুমান মানুহৰ পৰা মাটি donation লৈছিলে। মাটিৰ donation এনেকুৱা চৰ্তত লৈছিলে যে

আপোনালোকৰ পৰিয়ালৰ যিকোনো এজন সদস্যক তাতে সংস্থাপন দিয়া হ'ব। কিছুমান মানুহৰ অতি কম মাটি, তাৰ ভিতৰতো এবিঘা, আধা বিঘা, তেওঁলোকে মাটি donation কৰিলে। আশা আছিলে যে তেওঁলোকৰ পৰিয়ালৰ কোনোবা এজন সদস্যই তাতে সংস্থাপন পাব। মাটি দিলে, তাত আঁচনি ৰূপায়ণ হ'ল, কিন্তু পৰিয়ালৰ এজন মানুহক তাতে temporary engagement দিলে। আজি **১৫, ২০** বছৰ ধৰি তেওঁলোকৰ মাটিও গ'ল আৰু সেই পৰিয়ালৰ মানুহ এজনে বিনাবেতনে তাত খাটি আছে। আজি এটা নিৰাশাই, হতাশাই তেওঁলোকক গ্ৰাস কৰিছে আৰু বহুত আঁচনিও দেখিছো এই পৰিয়ালৰ সেই মানুহৰ কব্জাত সেই আঁচনিখন আছে। বেলেগ মানুহ গ'লে তেওঁলোকে এৰিও নিদিয়ে আৰু তেওঁলোকেও সেই আঁচনিখন ভালকৈ পৰিচালনা নকৰে। গতিকে এই সমস্যাটো কি ধৰণে সমাধান কৰা যায়, এই ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে এটা বিশেষ পদক্ষেপ লোৱাৰ কাৰণে মই আহ্বান জনাইছো যাতে এই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে আমি যি প্ৰত্যাহ্বানৰ সন্মূখীন হৈছে। আমি গ্ৰাম্যাঞ্চলৰ লোকক বিশুদ্ধ খোৱা পানী দিয়াৰ যি ব্যৱস্থা বিভাগৰ হাতত আছে, সেই বিভাগটো যাতে সঠিক ৰূপত কাম কৰিব পাৰে।

সভাপতি মহোদয়, মই এতিয়া দুটামান কথা কম স্বচ্ছতাৰ ওপৰত। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ এটা সপোন, গোটেই ভাৰতবৰ্ষ স্বচ্ছ হিচাপে গঢ়ি তোলা। তাৰ কাৰণে স্বচ্ছ ভাৰত আঁচনি এক সুন্দৰ পদক্ষেপ প্ৰধানমন্ত্ৰী মহোদয়ে হাতত লৈছে। তাৰ জৰিয়তে ইতিমধ্যে **২** আক্টোবৰ, **২০১৯** চনৰ ভিতৰত গোটেই ভাৰতবৰ্ষ খনক মুকলি মল্যত্যাগ মুক্ত দেশ হিচাপে গঢ়াৰ সংকল্প লৈছে। আৰু আমি শুনি সুখী হম, আমাৰ অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে আমাৰ ভাৰত চৰকাৰৰ **২০১৯** চনৰ যি লক্ষ্য তাৰ বিপৰীতে, মাননীয় মন্ত্ৰী মহোদয়ে **২** আক্টোবৰ, **২০১৮** চনৰ ভিতৰত আমাৰ ৰাজ্যখনক মুকলি মুল্যত্যাগ মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ সংকল্প লৈছে। ইতিমধ্যে **৬** খন জিলা মুকলি মল্যত্যাগ জিলা হিচাপে ঘোষণা হৈছে। বাকী জিলা কেইখন হ'ব **২** আক্টোবৰ, **২০১৮** চনৰ ভিতৰত, এই পৰ্য্যায়লৈ লৈ যোৱাৰ কাৰণে আঁচনি লৈছে আৰু তেখেতে তীব্ৰতাৰে কাম কৰি আছে। কিন্তু সভাপতি মহোদয়, এই ক্ষেত্ৰত কিছুমান সতৰ্কতাৰ লোৱাৰ প্ৰয়োজন আছে। কাৰণ মই এই কাৰণে কৈছো সভাপতি মহোদয় যে যেতিয়া আমাৰ স্বচ্ছতাৰ ক্ষেত্ৰত এটা Baseline Survey হৈছিলে **২০১২** চনত। এই Baseline Survey ৰ জৰিয়তে আমাৰ household বিলাক চিনাক্ত কৰা হৈছে। আৰু আমি দেখিছো যে এই Baseline Survey এতিয়া বহুত মানুহ বাদ পৰি গৈছে। আমি যেতিয়া Baseline Survey ৰ তালিকাখন চাওঁ, তাত বহুত বিসংগতি আছে। কেতিয়াবা এখন গাওঁৰ গোটেই পৰিয়াল আছে আৰু কেতিয়াবা এখন গাওঁৰ তাতে 10% বা 5% Baseline Survey ত নাই। তাৰ পৰা এটা কথা অনুমান কৰিব পাৰো যে এই Baseline Survey properly হোৱা নাছিলে। প্ৰতিখন গাঁৱৰ চৰজমিন তদন্ত কৰি Baseline Survey হোৱা নাছিল। যি NGO য়ে বা যি সংস্থাই হওঁক, এই Baseline Survey কৰিছিল, তেওঁলোকে নিজৰ দায়িত্ব সঠিকৰূপে পালন নকৰি Baseline Survey কৰিছিল কাৰণে এতিয়াও বহুত পৰিয়াল এই Baseline Survey ৰ পৰা বাদ পৰিছে।

মাননীয় সভাপতি মহোদয়, আমি যদি ODF Declare কৰিব যাওঁ এইটো Base land survey ৰ ওপৰত base কৰি ODF Declare হল যে Practical ODF নহব। এই Base land survey কিয় বাদ পৰিল আমি দেখিছো যে যেতিয়া ইয়াৰ আগতে কিছুমান

পৰিয়ালক ১৮'শ টকাৰে কিছুমান Latrine বনায় দিয়াৰ ব্যৱস্থা আছে। ১৮'শ টকাত মাত্ৰ এখন RCC plate আৰু কিছুমান টৰ্জাৰ বেৰা যোগান ধৰিছে। আজিৰ পৰা ১০/১৫ বছৰ আগতে আৰু সেইবোৰ এতিয়া Latrine হৈ থকা নাই। এইটো Defunct হৈ গৈছে, কিছুমান পৰিয়াল ইচ্ছাকৃত ভাৱে এই কামৰ পৰা বাদ পৰি গৈছে, পৰৱৰ্তী সময়ত পৰিয়াল বাঢ়িছে, Newly বহুত পৰিয়াল growth হৈছে। সেই পৰিয়াল বোৰো Base land survey ৰ পৰা বাদ পৰিছে। এতিয়া আমাৰ Defunct toilet খিনি Newly grant আৰু left out এই তিনিটা Categories ক যদি আমি আকৌ সন্নিবিষ্ট নকৰো তেতিয়া হলে আমি মুকলি মনেৰে এই ৰাজ্যখনক উন্নতি ৰাজ্যলৈ লৈ যাব নোৱাৰিম। গতিকে এই যিখিনি বাদ পৰি যোৱা পৰিয়াল সেই পৰিয়াল খিনিক যাতে আমি সন্নিবিষ্ট কৰি প্ৰকৃতাৰ্থত আমি ODF আমি Declare কৰিব পাৰো তাৰ কাৰণে বিহীত ব্যৱস্থা ল'বৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আৰু এটা গুৰুত্বপূৰ্ণ কথা মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো, আমাৰ যিবোৰ অনাময় আঁচনিৰ জৰিয়তে Individual Household ক যি Toilet দিয়াৰ ব্যৱস্থা আছে, toilet ৰ Design ৰ ক্ষেত্ৰত কিছু বিংসগতি আমি দেখিছো, বিসংগতি বুলি কোৱা নাই এইটো আমাৰ অপ্ৰয়োজন। কাৰণ এইবোৰ Design যেতিয়া সৰ্বভাৰতীয় পৰ্য্যায়ত এই Latrine ৰ Design বোৰ হয়, এই Toilet ৰ লগত চাইদত এটা অতিৰিক্ত পানীৰ টেংকী দিয়া হয়। ৰাজস্থান, হাৰিয়ানা বা গুজৰাট এই বিলাকত পানীৰ Problem আছে। Ground water তাত নাই, দুৰৰ পৰা পানী Carry কৰি আনি তেওঁলোকে সঞ্চয় কৰে, সেই টেংকিটোত পানী ৰাখি তেওঁলোকে ব্যৱহাৰ কৰে। আমি অসমৰ ক্ষেত্ৰত দেখিছো, কোনো সেই টেংকিটো ব্যৱহাৰ নকৰে। তাত পানী জমা হয়, তাত মহ আদিৰ বাসস্থান হয়, আমাৰ কাৰণে ক্ষতি কাৰক । দ্বিতীয়তে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো, এই টেংকিটো Curtail কৰি সেই estimate আৰু Component খিনি যদি আমাৰ Septic টেংকিত যদি সংযোগ কৰা হয়, সেইটো আমাৰ কাৰণে অকনমান ভাল হব বুলি মই বিবেচনা কৰো। গতিকে মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত মই গুৰুত্ব দিবৰ কাৰণে মই অনুৰোধ জনাইছো। সভাপতি মহোদয়, মই মাত্ৰ আৰু এটা কথা কব বিচাৰিছো, যে যিহেতু আমাৰ পানীৰ ক্ষেত্ৰত বিশেষকৈ নলবাৰী জিলাৰ ক্ষেত্ৰত মই এটা প্ৰশ্নৰ উত্তৰত পাইছিলো যে নলবাৰী জিলাখনৰ অধিকাংশ গাঁৱৰ পানীতে Arsenic and Fluoride পোৱা গৈছে আৰু যিবোৰ গাওঁত Arsenic and Fluoride পোৱা হৈছে, বা যিবোৰ দমকল বা নাদ আদিৰ পানীত Arsenic and Fluoride পোৱা গৈছে, সেই বোৰত আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰঙা ৰঙ দি তাক Marking কৰি থৈছে, আৰু গাওঁৰ ৰাইজক কোৱা হৈছে যে ইয়াৰ পানী খাব নালাগে। কিন্তু আমি তাৰ কোনো বিকল্প ব্যৱস্থা দিব পৰা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, যে অকল নলবাৰী জিলায়ে নহয় আমাৰ ৰাজ্যখনৰ যিবোৰ অঞ্চলত Arsenic আছে, সেই ঠাইবোৰত Arsenic মুক্ত পানী আমি যাতে ৰাইজক দিব পাৰো তাৰ বিকল্প ব্যৱস্থা হিচাবে Water ATM য়ে হওঁক বা আমাৰ River source হওঁক এই River source ব্যৱহাৰ কৰি যাতে ভৱিষ্যতে আমি Water supply ৰ ব্যৱস্থা কৰিব পাৰো তাৰ এটা ফলপ্ৰসু ব্যৱস্থা হাতত লব লাগে। কাৰণ River source ব্যৱহাৰ কৰাৰ কাৰণে আমাৰ আৰু এটা গুৰুত্বপূৰ্ণ কথা আছে, যে আমি সকলোৱে জানো সমীক্ষা মতে আমাৰ পৃথিৱীৰ মুল আয়তনৰ ৭৫ শতাংশ পানী। তথাপিও কিন্তু আজি সাগৰৰ পাৰত থাকি মহাৰাষ্ট্ৰই পানীৰ কাৰণে হাহাকাৰ কৰিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছে। কাৰণ এই ৭৫ শতাংশ পানীৰ মাত্ৰ ৩ শতাংশ পানী হে খোৱাৰ উপযোগী।

তাৰ ভিতৰত ২ শতাংশ Ice আৰু Glacier ৰ ৰূপত থাকে। মাত্ৰ ১ শতাংশ পানী খোৱাৰ কাৰণে উপযুক্ত হয়। ১ শতাংশ পানী যদি আমি সদ্ ব্যৱহাৰ কৰিব নোৱাৰো আমি ভৱিষ্যত প্ৰজন্মক কিন্তু আকৌ পানীৰ সংকটৰ পিনে ঠেলি লৈ যাম। সেই কাৰণে মই সভাপতি মহোদয়, আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ পৰৱৰ্তী যি আঁচনি সমূহ হব সেই আঁচনি সমূহ Ground water আমি নিৰ্ভৰ নকৰি আমাৰ যিবোৰ নৈ পৰীয়া গাওঁবোৰ আছে, সেই প্ৰত্যকখন গাঁৱৰ ওচৰতে কিবা নহয় কিবা নদী আছে, সেই নদীৰ পানীক যদি আমি ব্যৱহাৰ কৰো আমাৰ এটা হল Arsenic মুক্ত পানী পাব পাৰো আৰু দ্বিতীয় কথা হল আমাৰ Ground water খিনি আমি ভৱিষ্যত প্ৰজন্মৰ বাবে Preserve কৰিব পাৰিম। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু আমাৰ মন্ত্ৰী মহোদয়ে ইতিমধ্যে এই বিভাগটো তেখেতৰ Sincerity আৰু Dedication ৰে এটা Streamline লৈ আনিছো। আৰু বিভাগৰ পৰা দুৰ্নীতি নিৰ্মুল হৈছে। আৰু বহুত ক্ষেত্ৰত দুৰ্নীতি নিৰ্মুল হোৱাৰ প্ৰয়োজন আছে এইখিনি যাতে তৎপৰতাৰে নিৰ্মুল কৰি বিভাগটো প্ৰকৃতাৰ্থত ৰাইজৰ সেৱাৰ বাবে উপহাৰ দিব পাৰো, তাৰ বাবে মন্ত্ৰী মহোদয়ে নিশ্চয় ব্যৱস্থা লব এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভাপতি** ঃ ধন্যবাদ, The Hon'ble MLAs please এটা কথা মনত ৰাখিব লাগে, যে ইমান দীঘলীয়া কৰিব নালাগে বিশেষকৈ আমাৰ শাসকীয় দলৰ পৰা নহলে আমাৰ পিছৰ যিবোৰ listed speakers আছে, তেখেত সকল বঞ্চিত হব। গতিকে এটা কথা আছে, যে “Brevity is the soul of wit” যাতে তেখেত সকলে ভাষণবোৰ নিৰ্ধাৰিত সময়ত শেষ কৰে। I will now request Hon'ble MLA Shri Ananta Kumur Malo.

**শ্ৰী অনন্ত কুমাৰ মালো (মাননীয় বিধায়ক, অভায়াপুৰী)** ঃ মাননীয় সভাপতি মহোদয়, মই কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাই কিছু কথা সদনত দাঙি ধৰিবলৈ ওলাইছো। জীৱ শ্ৰেষ্ঠ মানৱ জাতি বহু সাধনাৰ ফল আৰু ধৰ্মই কৈছে যে ৮৪ লক্ষ বাৰ জন্ম লোৱাৰ পিছত আমি মানৱ হিচাপে জন্ম পাইছো। সেই মানৱ সম্পদ সু স্বাস্থ্য অধিকাৰী কৰা দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ। মানৱ সম্পদ গঢ়াৰ দায়িত্ব যেনেকুৱা শিক্ষক সমাজৰ তেনেকুৱা মানৱ সমাজৰ স্বাস্থ্য সুৰক্ষাৰ কাৰণে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্ব আছে , সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক মোৰ সমষ্টি সম্পৰ্কে কিছু কথা জ্ঞাত কৰিবলৈ ওলাইছো। ইতিমধ্যে মই যিখন সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰি আহিছো, সেইখন হৈছে , অভায়াপুৰী দক্ষিণ সমষ্টি তাত যি কেইখন পানী যোগান আঁচনি আছে, এই অধিকাংশ আঁচনি বিকল হৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ে, যোৱা বছৰে প্ৰতিটো সমষ্টিত ৩৬ লাখকৈ টকা মেৰামতিৰ বাবে মঞ্জুৰ কৰিছে। মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো, আৰু তেখেতৰ পদক্ষেপক শলাগ লৈছো। সভাপতি মহোদয়, মই এটা বস্তু দেখিবলৈ পাইছো যে আমাৰ বঙাইগাঁও জিলাত এটা Division থকা সত্বেও আমাৰ এই আঁচনিবোৰ মেৰামতিৰ কাৰণে ইতিমধ্যে বিধায়ক হিচাবে মই ৬খন আঁচনি বাচনি কৰিছিলো প্ৰতিখন আঁচনিৰে Against তে ৬/৭ লাখ টকাকৈ ধৰা হৈছিলে। Tender হল কত, মাননীয় সভাপতি মহোদয়, Tender হলে নলবাৰী জিলাত Superintending Engineer Office ত আমাত তাত বঙাইগাওঁ জিলাত এটা Division থকা সত্বেও এই মেৰামতিৰ কাৰণে Tender টো কিয় নলবাৰীত হল মই বুজি নাপালো। ঠিকাদাৰ সকলে Tender দিলে কিন্তু কাম আৱণ্টন কৰাৰ সময়ত কোনাবা ঠিকাদাৰক ৫০ হাজাৰ কোনোবা ঠিকাদাৰক ১লাখ ২লাখ কৈ কাম আৱণ্টন দিলে। ঠিকাদাৰ

সকলে Tender দিব ৫লাখ টকাৰ আৰু কাম পাব ৫০হাজাৰ টকাৰ অৰ্থাৎ এটা Scheme ৩/৪ জন ঠিকাদাৰক ভগাই দিয়া হয়। সুদুৰ বঙাইগাঁৱৰ পৰা অভয়াপুৰীৰ পৰা ঠিকাদাৰ সকলে নলবাৰীলৈ অহা যোৱা কৰিব লগা হৈছে, ইয়াৰ বাবে তেওঁলোকে বহুটো টকা পইচা খৰচ কৰিব লগা হৈছে, তাৰ ফলত আমি সেই ঠিকাদাৰ সকলৰ পৰা কি ভাল ফল আশা কৰিব পাৰো। সেই কাৰণে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আৰু মই ইতিমধ্যে জানিব পাৰিছো যে কিছুমান জিলাত জিলা Division তে Tender call কৰিছে, তাতে কাম দিছে। কিন্তু আমাৰ বঙাইগাওঁ জিলাৰ ক্ষেত্ৰত নলবাৰীৰ Superintending Engineer Office ত কিয় দিব লগা হয়। আৰু যিজন Superintending Engineer Mr. Anada Prashad Sarma তেখেতৰ Posting আছে, গুৱাহাটীৰ Chief Engineer ৰ অফিচত। তেখেতে অতিৰিক্ত দায়িত্বত আছে, SE হিচাবে নলবাৰীত। কিন্তু আমাৰ বঙাইগাওঁ জিলাত Executive Engineer আছে, শ্ৰী মাধৱ দত্ত ডাঙৰীয়া, তেখেতে এনেয়ে বহি আছে, তেতিয়া হলে সেই অফিচটোৰ কি Function আছে, সেই Division টোৰ কি কাম আছে, সামান্য মেৰামতিৰ কাৰণেও যদি নলবাৰী আহিব লগীয়া হয় বা Tender দিবলৈ। সেই কাৰণে মই অনুৰোধ জনাইছো মন্ত্ৰী মহোদয়ক যাতে অনাগত দিনত এই ধৰণে কামবোৰ নহয় আৰু ঠিকাদাৰ সকলে যি অলপ কাম পাইছে তেওঁলোকে up down কৰোতে খৰচ হৈছে, বি ভিন্ন ধৰণে খৰচ কৰিছে। তেওঁলোকে কিদৰে ভাল কাম কৰিব। ইতিমধ্যে ৬ খন আঁচনিৰ ২ খনৰ কাম কৰিছে যদিও কিন্তু জনপ্ৰতিনিধি সকলৰ লগত কোনো বিষয়াই হওঁক বা ঠিকাদাৰৰ কোনো সম্পৰ্ক নাই। আমি নিৰ্বাচিত হৈ আহিছো, ৰাইজে আমাক ভোট দিছে, আমাৰ পৰা কিবা এটা পোৱাৰ আশাত ভোট দিছে। যিবোৰ সমস্যা আছে আমাৰ ওচৰত ৰাইজে প্ৰতিদিনে ৰাতিপুৱাৰ পৰাই, কাৰোবাৰ পানীৰ অভাৱ, কাৰোবাৰ ৰাষ্টাৰ অভাৱ, কাৰোবাৰ স্কুলৰ অভাৱ বিভিন্ন সমস্যা লৈ আহে। কিন্তু আঁচনি ধৰো, কাম কৰাৰ সময়ত টেণ্ডাৰ যেতিয়া দিয়ে, কাক দিয়ে, কোন ঠিকাদাৰে ভাল কাম কৰিব পাৰিব, কাৰ performance ভাল আছে সেই বোৰ জনপ্ৰতিনিধিৰ পৰা কোনো suggestion নলয়। কিছুমান বিষয়াই ইচ্ছাকৃত ভাৱে আৰু যদি কোৱা হয় যে ভাল ঠিকাদাৰক কাম দিব, কিছুমানক লিখি দিলে কয় যে বিধায়ক, মন্ত্ৰীয়ে কিমান লিখি দি আছে, তেওঁলোকৰ কথামতে কাম কৰিলে হব নেকি ? এনেকুৱা ভাষ্য প্ৰদান কৰে কিছুমান বিষয়াই। সেই কাৰণে মাননীয় সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, যাতে সেই সকল বিষয়াক অলপ চোকা দৃষ্টি ৰাখিব লাগে। আমাৰ কামবোৰৰ বাবে টকা আপুনি দিছে, টকাখিনি যদি সৎ ব্যৱহাৰ নহয় নলবাৰীৰ পৰা তেওঁ কেনেকৈ জানিব যে কোন ঠিকাদাৰে ভাল কাম কৰিব। তাক কেনেকৈ নজৰ ৰাখিব। বিভিন্ন অঞ্চলৰ পৰা ঠিকাদাৰে টেণ্ডাৰ দিছে, কোনোবাই লামডিংৰ পৰা টেণ্ডাৰ দিছে সেইজন ঠিকাদাৰক যদি বঙাইগাওঁ সমষ্টি যায় কাম কৰে, অভয়াপুৰী সমষ্টিত যায় কাম কৰে, তেওঁ কাম কৰি গুচি আহিব তেওঁক আমি কেনেকৈ ধৰিম বেয়া কাম কৰিলে। সেই কাৰণে মই অনুৰোধ জনাইছো যাতে অনাগত দিনত এই ধৰণে কাম নহয়। সভাপতি মহোদয়, আগতে কৈছে যে চমুকৈ কবৰ বাবে, কব লগা বহুতো আছিল মোৰ, এতিয়া মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ সপোন 'স্বচ্ছ ভাৰত অভিযান' সময় উপযোগী পদক্ষেপ খুব ভাল পাইছো। ইয়াৰ জৰিয়তে মুকলি ঠাইত মল ত্যাগ কৰাৰ বন্ধ কৰাৰ কাৰণে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ লৈছে। প্ৰসংশনীয় পদক্ষেপ। কাৰণ আমি জানো অধিকাংশ বেমাৰ-আজাৰ পানীৰ পৰা হয় আৰু এই বিশুদ্ধ বস্তুৰ পৰাই বিভিন্ন ধৰণৰ বেমাৰ-আজাৰ বিয়পি

পৰে। সেই কাৰণে এই পদক্ষেপক মই প্ৰশংসা কৰিছো। কিন্তু অনাময় আঁচনিৰ জৰিয়তে শৌচাগাৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যিবোৰ বেমেজালি দেখিবলৈ পাইছো, বিশেষকৈ মোৰ সমষ্টিত ধনী ধনী মানুহৰ যাৰ sanitary latrine আছে তেওঁলোকৰ নাম আছে আনহাতে দুখীয়া মানুহৰ নাম বাদ পৰিছে। আমি জনপ্ৰতিনিধি হোৱা হেতুকে আমাৰ ওচৰত কিছুমান অভিযোগ আহে, চাৰ মই দুখীয়া মানুহ মোৰ ঘৰত latrine নাই, মই নাপালো। ধনী মানুহ তেওঁৰ ঘৰত latrine আছে, তেওঁপালে। যিসকল NGO য়ে কাম কৰে তেওঁলোকে কি কৰে তেওঁৰটো sanitary latrine আছেই তেওঁৰটো আৰু প্ৰয়োজন নাই, তেওঁৰ লগত এটা under standing হয়, ৫০-৫০ ভগাই লয়, যে তুমি এটা ফটো মাৰি দিয়া তোমাৰটো হোৰ বুলি লিখি দিয়া যে মোৰটো হৈছে। এই ভাৰে চলি আছে। লগতে এনেকুৱা নিম্ন মানদণ্ডৰ সেই শৌচাগাৰ বিলাক বনাই আছে হয়তো দুই বা এক বছৰৰ পিছত সেইবোৰ নাইকিয়া হৈ যাব। তেনেহলে ইমান কোটি কোটি টকা যিসময়ত আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ সপোন বাস্তৱত ৰূপায়ণ কৰাৰ বাবে খৰচ কৰি আছে, সেই সময়ত যদি এনেকুৱা কাম হয়, আমাৰ সেই আঁচনিবিলাকৰ টকা যদি এনে অথলে যায়, এক বছৰ, দুই বছৰ পিছত যায় যদি সেই অনাময় আঁচনিৰ শৌচাগাৰ দেখিবলৈ নাপাও তেতিয়াহলে আমাৰ এই কোটি কোটি টকা খৰচ কৰাৰ উদ্দেশ্য কি? সেই কাৰণে মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্যণ কৰিলো, যাতে তেখেতে এই দিশত অলপ সুদৃষ্টি দিয়ে। মোৰ সমষ্টিত মই এটা দেখিবলৈ পাইছো এজন গাওঁপঞ্চায়তৰ সভানেত্ৰীৰ স্বামীয়ে NGO খুলি হাজাৰ হাজাৰ শৌচাগাৰৰ কাম কৰিছে, তেওঁ ইতিমধ্যে এই শৌচাগাৰৰ কাম কৰি দুই, তিনিখন গাড়ী কিনিলে, ক'ৰ পৰা ইমান টকা পালে। আমি বিধায়ক হৈও গাড়ী কিনিব পৰা নাই, লোন লৈ গাড়ী কিনিছো। দৰমহাৰ পৰা কিস্তি দিব লগা হৈছে। সামান্য শৌচাগাৰৰ কাম কৰি দুই তিনিখন গাড়ীৰ মালিক হৈ গ'ল। বাৰী-ঘৰ টনটনীয়া কৰি পেলালে। সেই কাৰণে ইয়াতে যে এটা বিষম দূৰ্নীতি হৈ আছে মোৰ দৃষ্টিত মই অনুভৱ কৰিছো। যাতে এই ধৰণে নহয়, বিভাগীয় ভাৱে যাতে তদন্ত কৰি ইয়াৰ ব্যৱস্থা লোৱা হয় তাৰ কাৰণে মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্যণ কৰিলো। মই আৰু বেছি দীঘলীয়া কৰিব বিচৰা নাই, যিহেতু আৰু বহুতো বক্তা আছে, সদৌ শেষত মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ চমু ভাষণ ইয়াতে শেষ কৰিলো। ধন্যবাদ।

**সভাপতি (শ্ৰীবীৰ ভদ্ৰ হাগজেৰ) ঃ** ধন্যবাদ বিধায়ক ডাঙৰীয়া, এতিয়া মই মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰয়ণ কলিতা ডাঙৰীয়াক মই অনুৰোধ জনাইছো তেখেতৰ ভাষণ ৰাখিবলৈ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় সভাপতি ডাঙৰীয়া, সুস্বাস্থ্যৰ অধিকাৰী হবলৈ হলে স্বাস্থ্য বিভাগৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰো এটা গুৰু দায়িত্ব আছে। সেই গুৰু দায়িত্ব পালন কৰাত কিমান খিনি সফল হৈছে সেই কথাটো নিশ্চয় আজি আমি পৰ্য্যায়ালোচনা কৰিব লাগিব। বিশেষভাৱে আমি লক্ষ্য কৰিছো আৰু ইতিমধ্যে আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাৰ ডিব্ৰুগড় জিলাৰ টিংখঙৰ এখন সভাত তেওঁ উল্লেখ কৰিছে যে অসমত ২২ খন জিলাত Arsenic আৰু ৭ খন জিলাত Floride যুক্ত পানী আজি অসমৰ সেই জিলা সমূহৰ জনসাধৰণে সেৱন কৰি আহিছে। এইটো কথা ঠিক যে Arsenic আৰু Floride যুক্ত যি পানী আজি জনসাধৰণে খাইছে, এইযে এটা 'বৰ বিহ' সেই কথাটো কোৱাৰ প্ৰয়োজন নাই। কাৰণ Arsenic আৰু Floride যুক্ত পানী খাই ইতিমধ্যে অসমৰ বিভিন্ন জিলাত বা যিবিলাক জিলাত Arsenic আৰু Floride যুক্ত পানী সেৱন কৰিছে সেই সকলে আজি বিভিন্ন বেমাৰত

আজি আক্ৰান্ত হব লগীয়া হৈছে। তাতোকৈ ডাঙৰ কথাটো হৈছে যে এই পানী খোৱা ফলত, কিমান দূৰ সত্য মই নাজানো, কিন্তু জানিব পাৰিছো যে এই পানী খোৱাৰ ফলত বহু মানুহৰ কেন্সাৰ বেমাৰ হৈছে। গতিকে আজি এনে ধৰণৰ এটা জলন্ত সমস্যা থকাৰ পিছতো বিশেষভাৱে আজি সেই জিলা সমূহত বৰ্তমান আমাৰ মিত্ৰজোঁটৰ চৰকাৰ খনে সেইটোক যি ধৰণে এটা গুৰুত্ব সহকাৰে লব লাগিছিল সেইটো লৈছেনে নাই মই নাজানো। কিন্তু আমাৰ বিশেষ ভাৱে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰীয়ে ২০১৬ চনৰ পৰা, মই একেবাৰে এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা নাই এই কথাটো কব নিবিচাৰো। কাৰণ ২০১৬ চনৰ পিছতে মই জনা মতে আজি যিবিলাক অঞ্চলত পাৰ্য্যমানে তেওঁ ইতিমধ্যে এটা পিউৰ ফিল্টাৰৰো ব্যৱস্থা, খোৱা পানী ফিল্টাৰৰো ব্যৱস্থাও কৰা বুলি জানিব পাৰিছো। কিন্তু এইটোৱে আমাৰ কাৰণে যথেষ্ট নহয়। কাৰণ যিবিলাক জিলা ইতিমধ্যে identify হৈছে, যিবিলাক জিলাৰ যিবিলাক অঞ্চলত আজি Arsenic আৰু Floride যুক্ত পানী সেৱন কৰিছে, সেই অঞ্চল বিলাকৰ কাৰণে বিশুদ্ধ পানী, বিশেষকৈ পাইপৰ পানীযোগান আঁচনিৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা কিন্তু চৰকাৰে গ্ৰহণ কৰিব লাগিব আৰু এই ক্ষেত্ৰত প্ৰয়োজন হলে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত, কেন্দ্ৰীয় চৰকাৰকো এই সম্পৰ্কত তথ্য সহকাৰে convinced কৰাব লাগে। convinced কৰাই যাতে এই অঞ্চল সমূহৰ কাৰণে আমাৰ যাতে এটা অতিৰিক্ত পুঁজি আৰু আমি যাতে সেই অঞ্চল সমূহত বিশুদ্ধ পানী দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা নিশ্চয় লব লাগিব। ঠিক তেনেকৈ বিশেষ ভাৱে আমাৰ কিছুমান বিত্তীয় Financial Institute আছে, আমাৰ বিশ্ব বেংকৰ পৰা টকা লৈ আছে, NABARD ৰ পৰা বিভিন্ন বিভাগৰ বাবে ইতিমধ্যে পুঁজি লৈছে।

যদি প্ৰয়োজন হয়, মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি বিশ্ববেংকৰ জৰিয়তে বা NABARD ৰ RIDF ৰ যি টকা আছে এই পুঁজিৰে আমি সেই অঞ্চলৰ জনসাধাৰণক বিশুদ্ধ খোৱাপানী দিয়াৰ ব্যৱস্থা কৰিব পাৰো। তাৰ বাবে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। মই আশাঁ ৰাখিছো মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো গুৰুত্ব সহকাৰে ল'ব আৰু বিস্তৃত আচঁনি গ্ৰহণ কৰিব আৰু বিশেষভাৱে মই ইতিমধ্যে গম পাইছো আৰু মাননীয় মন্ত্ৰী মহোদয়েও অসম বিধান সভাৰ এই চলিত অধিবেশনতে কৈছে যে আমাৰ ৰাজ্যখনত বৰ্তমান যিমানটা বিশুদ্ধ খোৱাপানীৰ আচঁনি আছে তাৰে ভিতৰত প্ৰায় ১৬১২ টা এতিয়াও বিকল। সমগ্ৰ অসমত মুঠ আচঁনি আছে ৯৪২০ খন। তাৰে ভিতৰত ৬৩৯০ খন কাৰ্য্যক্ষম হৈ থকা বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে। এই ৬৩৯০ ৰ ভিতৰত ১৬১২ টা এতিয়া বিকল হৈ আছে। অৱশ্যে মাননীয় মন্ত্ৰী মহোদয়ে এইবাৰ এটা ভাল কাম কৰিছে যে প্ৰত্যেকটো সমষ্টিত বিকল হৈ থকা ৬ খন আচঁনিৰ বাবদ ইতিমধ্যে টকাৰ আবন্টন দিছে। কিন্তু মোৰ অনুৰোধ অকল এই ৬ খন আচঁনিৰ কামেই আমাৰ প্ৰতিটো সমষ্টিৰ সমস্যা সমাধান নকৰে। গতিকে অতিৰিক্তভাৱে যিখিনি আচঁনি বিকল হৈ আছে সেইখিনিও যাতে অহা বছৰত প্ৰতিটো সমষ্টিত কাৰ্য্যক্ষম কৰি তোলে তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো।

ঠিক তেনেকৈ আমাৰ গ্ৰাম্যাঞ্চলত মুঠ ৮৮,০৯৯ টা বসতিস্থল আছে । তাৰ ভিতৰত ২০১৭ চনৰ ডিচেম্বৰৰ ভিতৰত ৫২,৭৪২ টা বসতিস্থলত পানী যোগান আচঁনিৰ কাম হাতত লৈছে। এইটো এটা বলিষ্ঠ পদক্ষেপ। মই আশাঁ ৰাখিছো ৫২,৭৪২ টা বসতিস্থলৰ উপৰিও আৰু বাকী থকা বসতিস্থল সমূহো যাতে অনাগত দিনত সামৰি লয় আৰু প্ৰতিজন গ্ৰাম্যাঞ্চলৰ ৰাইজে যাতে বিশুদ্ধ খোৱাপানী পায় ,তাৰ ব্যৱস্থা ল'ব।

মাননীয় সভাপতি মহোদয়, মই বিশেষভাৱে এই কথা লক্ষ্য ৰাখিছো যে আমাৰ যিবিলাক সীমান্তৱৰ্তী এলেকা আছে আপুনি শুনি সুখী হ'ব যে ইতিমধ্যে আমাৰ যিবিলাক নিকটৱৰ্তী সীমান্ত অঞ্চল আছে- মেঘালয়, নাগালেণ্ড বা মিজোৰাম হওক, তেওঁলোকে কিন্তু সেই অঞ্চলৰ লোকসকলৰ কাৰণে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিছে। কিন্তু বিগত Congress(I) চৰকাৰৰ দিনতো এই বলিষ্ঠ পদক্ষেপটো গ্ৰহণ কৰা নাছিল যাৰ কাৰণে এটা সমস্যাৰ সৃষ্টি হৈছে। তাৰ ফলত অসমৰ ভিতৰৰ এলেকা বিলাকতো নিকটৱৰ্তী ৰাজ্য বিলাকে পানী যোগান আচঁনিৰ ব্যৱস্থা লৈছিলে। মোৰ সমষ্টি ৰাণীতো মেঘালয় চৰকাৰে পানী যোগানৰ কাম আৰম্ভ কৰিব লওঁতে মই গম পাই গোটেই সামগ্ৰী সমূহ cease কৰি আনো। আমি অসম চৰকাৰে যদি সীমান্তৱৰ্তী লোক সকলৰ কাৰণে তেনেধৰণৰ আচঁনি গ্ৰহণ নকৰো , তেনেহলে অন্য ৰাজ্যৰ aggression নিশ্চয় হ'বই। এইটো স্বাভাৱিক। গতিকে মই আশা ৰাখিছো যাতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে সীমান্তৱৰ্তী লোক সকলৰ কাৰণে তেনেধৰণৰ খোৱাপানী যোগানৰ আচঁনিৰ ব্যৱস্থা কৰে। যাতে সেই লোকসকলে বেলেগ ৰাজ্যলৈ যোৱাৰ মানসিকতাটো আমি বন্ধ কৰিব পাৰো। এই মানসিকতা বন্ধ কৰিবলৈ আমি তেওঁলোকৰ উন্নয়নৰ কাৰণে কাম কৰিব লাগিব। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ কৰিছো। সেই সীমামূৱীয়া ৰাইজৰ অসমৰ প্ৰতি যি আনুগত্য, সেইটো যাতে আমি বৰ্তাই ৰাখিব পাৰো। তাৰোপৰি এটা কথা লক্ষ্য ৰখা হৈছে যে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্বচ্ছ ভাৰত অভিযানৰ যিখিনি সপোন এই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ আমাৰ চৰকাৰখনে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন ঠাইত শৌচাগাৰ নিৰ্মাণৰ যিটো ব্যৱস্থা লৈছে সেইটো ভাল পাইছো। মাননীয় মুখ্য মন্ত্ৰী দেৱেও ইতিমধ্যে প্ৰায় ১ লাখ শৌচাগাৰ নিৰ্মানৰ কাম হাতত লৈছে আৰু আনুষ্ঠানিকভাৱে তেওঁ মৰিগাওঁত এইটো উদ্বোধন কৰিছে। স্বচ্ছ ভাৰতৰ জৰিয়তে প্ৰতিটো পৰিয়ালত এটা শৌচাগাৰ নিৰ্মাণৰ যিটো পৰিকল্পনা , সেইটো যাতে আমি বাস্তৱত সফল ৰূপ দিব পাৰো তাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে বলিষ্ঠ পদক্ষেপ ল'ব লাগিব। আজি আমি দেখিছো আমাৰ মাননীয় সদস্য নাৰায়ণ ডাঙৰীয়াই কৈছে যে আমাৰ যিটো Base line Survey আছে, সেইটো সঠিক হোৱা নাই। এই Base line Survey টো যদি সঠিকভাৱে নহয়, তেতিয়াহলে বহু দুখীয়া পৰিয়াল শৌচাগাৰ পোৱাৰ পৰা বঞ্চিত হৈ ৰ'ব। এনেকুৱা দুখীয়া পৰিয়াল মই মোৰ সমষ্টিতে দেখিছো যিসকলে শৌচাগাৰ পোৱা নাই। গতিকে মই ভাৱো প্ৰয়োজন হলে এই Base line Survey টো নতুনকৈ কৰিব লাগে যাতে কোনো দুখীয়া পৰিয়াল শৌচাগাৰ পোৱাৰ পৰা বাদ পৰি নাযায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সচ্ছ ভাৰত সপোনটো যদি বাস্তৱত সফল ৰূপ দিব লাগে তেতিয়াহলে মই ভাৱো Base line Survey টো পুনৰ কৰিব লাগে আৰু যিবিলাক দুখীয়া পৰিয়াল বাদ পৰি গৈছে, তেওঁলোকক যাতে শৌচাগাৰ দিয়াৰ ব্যৱস্থা কৰে, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু ইতিমধ্যে এটা ডাঙৰ কথা হৈছে যে আমাৰ বিশুদ্ধ খোৱা পানী যোগানৰ বাবে যিবোৰ আঁচনি আছে, সেই আঁচনি বোৰত কেন্দ্ৰীয় চৰকাৰৰ Guideline মতে User Committee ৰ জৰিয়তে যিবোৰ পানী যোগান আঁচনিত কিবা ত্ৰুটি-নাটি আছে বা যদি কিবা সঁজুলি বিকল হৈ আছে তেন্তে সেইবোৰ ঠিক কৰিবলৈ প্ৰতিটো পৰিয়ালৰ পৰা সংগ্ৰহ কৰা পইচাখিনি প্ৰয়োজন অনুসৰি খৰচ কৰিব লাগে। কিন্তু গ্ৰামাঞ্চলত বিশেষ ভাৱে দেখা গৈছে যে পানী যোগান আঁচনিৰ বাবে যি ৫-১০ টকা আমাৰ মানুহে প্ৰতি মাহে দিব লাগে সেই পইচাটো তেওঁলোকে দিবলৈ নাযায় কাৰণ তেওঁলোকে ভাৱে যে যিহেতু এই পানী যোগান আঁচনিটো চৰকাৰে দিছে

আৰু আমি বিনামূলীয়াকৈ পানী পাইয়ে আছো গতিকে এনে ক্ষেত্ৰত আমি কিয় পইচা দিম? সেই কাৰণে এই আঁচনিবোৰত ব্যৱহাৰ হোৱা বিদ্যুতৰ বাবে শক্তি বিভাগক দিবলগীয়া পইচাৰ হাৰ ৪-৫ লাখ টকা হৈছে। বহু বছৰৰ পৰা এই বোৰ টকা pending হৈ আছে। মোৰ সমষ্টিতে মই দেখিছো বহু কেইটা পানী যোগান আঁচনি বন্ধ হৈ আছে। গতিকে এই ব্যৱস্থাটো কেনেকৈ কি ধৰণেৰে কৰিব পৰা যায় সেইটো আমি চাব লাগে। মই ভাৱো, প্ৰয়োজন হ'লে শক্তি বিভাগক পানী যোগান আঁচনিৰ বাবদ হিচাপে যি পইচা দিব লাগে সেইটো যদি বিশেষ ব্যৱস্থা এটা কৰি ৰাজ্য চৰকাৰৰ পৰা দিয়া হয় আৰু পৰৱৰ্তী সময়ত যদি এটা কঠোৰ নিৰ্দেশনা দিয়া হয় যে এইবাৰৰ পৰা যদি তেনেকৈ পইচা দিব লগা হয় তেন্তে আমি ৰাজ্য চৰকাৰে নিদিওঁ । লগতে আমাৰ বাজেটৰ যি ৰাজ্যিক পৰিকল্পনা আছে তাত যদি জনস্বাস্থ্য কাৰিকৰী বিভাগে শক্তি বিভাগক দিবলৈ ইমান টকা লাগে বুলি বিশেষ ভাৱে ধাৰ্য কৰি দিয়ে তেন্তে এই ক্ষেত্ৰত আমাৰ কোনো বিধায়কে আপত্তি নকৰিব। চৰকাৰৰ এই পদক্ষেপৰ প্ৰতি তেওঁলোকে নিশ্চয় পূৰ্ণ সমৰ্থন জনাব। প্ৰয়োজন হ'লে এই ক্ষেত্ৰত আমি বিধান সভাত প্ৰশ্ন আনিম যাতে সেই টকা খিনি আমাৰ বিত্ত বিভাগে দিবলৈ বাধ্য হয়। কিন্তু এই ব্যৱস্থাটো যদি কৰা নাযায়, তেন্তে অকল এই খিনি পানী যোগান আঁচনিয়েই বিকল হৈ থকাই নহয় আৰু বহু আঁচনি বিকল হৈ পৰিব। এফালে যদি বিকল আঁচনি বোৰ কাৰ্যক্ষম কৰা হয় তেন্তে আনফালে আৰু আঁচনি বিকল হৈ আহিব। গতিকে এই সমস্যাবোৰ সমাধানৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে বিচাৰ-বিবেচনা কৰি এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে আগন্তুক সময়ত বহুত পানী যোগান আঁচনি নিশ্চিত ভাৱে বিকল হোৱাৰ সম্ভাৱনা আছে। মই আশা ৰাখিছো, মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰক। বাস্তৱ ক্ষেত্ৰত আমি যিখিনি অসুবিধা পাইছো সেইখিনি মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বিশেষকৈ বিৰোধীয়ে যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটো হয়তো আলোচনাৰ বাবেই আনিছে। আজি যিখিনি টকা জনস্বাস্থ্য কাৰিকৰী বিভাগত ধাৰ্য কৰা হৈছে সেইটো একেবাৰে নগণ্য টকা। গতিকে পানী যোগান আঁচনিৰ ক্ষেত্ৰত যিখিনি টকা ধাৰ্য কৰা হৈছে, মই ভাৱো তাতকৈ আৰু চাৰি-পাঁচ গুণ বেছিকৈ টকা ধাৰ্য কৰাটো উচিত । গতিকে মই আশা ৰাখিছো, পৰৱৰ্তী সময়ত মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰীয়ে এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰি আমি যাতে সু স্বাস্থ্যৰ অধিকাৰী হৈ থাকিব পাৰো তাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগকো স্বাস্থ্য বিভাগৰ নিচিনাকৈ সমানে গুৰুত্ব প্ৰদান কৰি এই ক্ষেত্ৰত অধিক টকাৰ আৱণ্টন দিয়াটো প্ৰয়োজন বুলি মই অনুভৱ কৰো । গতিকে মই বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি এই খিনিতে মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় সভাপতিঃ**- ধন্যবাদ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া।

এতিয়া মই ডাঃ মতিউৰ ৰহমান মণ্ডল ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**ডঃ মতিউৰ ৰহমান মণ্ডল, মাননীয় সদস্য (মান কাচাৰ)** ঃ- মাননীয় সভাপতি মহোদয়, ২০১৮-১৯ চনৰ বাজেটত পানী যোগান আৰু অনাময় শিতানত ৩০ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ কৰ্তন প্ৰস্তাৱৰ পক্ষে মোক দু-আষাৰ ক'বলৈ দিয়াৰ বাবে মই আপোনাক আৰু পবিত্ৰ সদনক ধন্যবাদ জনাইছো। মহোদয়, পানীৰ আন এটা নাম হ'ল জীৱন। আমি জীয়াই থাকিবৰ বাবে পানী অত্যন্ত জৰুৰী। It is one of the second most essential elements. সৃষ্টিকৰ্তাই পৃথিৱী খন তৈয়াৰ কৰি জীৱ কূল আৰু উদ্ভিদেৰে উপযুক্ত পৰিবেশৰ সৃষ্টি কৰি সু-স্বাস্থ্যৰে জীৱন যাপন কৰি জীয়াই থাকিবৰ বাবে সকলোখিনি লাগতীয়াল বস্তু দিছে। আমাক জীয়াই থাকিবৰ

বাবে প্ৰথমে বায়ুৰ প্ৰয়োজন য'ত অক্সিজেন থাকে। উদাহৰণস্বৰূপে, তিনি মিনিট সময়ৰ বাবে যদি কোনো এজন মানুহৰ পৰা অক্সিজেন বন্ধ কৰি দিয়া হয়, তেন্তে সেই মানুহজন তিনি মিনিটৰ ভিতৰতে মৰি থাকিব। গতিকে এই most essential element i.e. air or Oxygen ভগৱানে আমাক free কৰি দিছে। পৃথিৱীৰ surface ত য'তেই যোৱা যায় তাতেই অক্সিজেন পোৱা যায়। ঠিক তেনেদৰে পানীও আমাৰ বাবে অত্যন্ত প্ৰয়োজনীয় উপাদান। এজন মানুহে পানী এটুপিও নোখোৱাকৈ ৪৮ বা ৭২ ঘন্টাতকৈ বেছি সময় জীয়াই থাকিব নোৱাৰে কাৰণ পানী নোখোৱাৰ ফলত তেওঁৰ পেচাব বন্ধ হৈ যাব, শৰীৰত পানীৰ মাত্ৰা কমি যাব, তেজ কমি যাব আৰু অৱশেষত ৪৮ বা ৭২ ঘন্টাৰ ভিতৰত মানুহজন মৰি যাব। সেইকাৰণেই পানীক জীৱন বুলি কোৱা হৈছে। বাকী অন্যান্য খোৱা বস্তুৰ বাবে সময় পোৱা যায়। সেইকাৰণে আমাক সৃষ্টিকৰ্তাই বায়ু আৰু পানীক উপহাৰ স্বৰূপে বিনামূলীয়াকৈ দিছে। গতিকে, এই পানীৰ ব্যৱহাৰটো আমি সঠিক ভাৱে কৰিব লাগিব। আজিলৈকে পানীৰ প্ৰয়োজনীয়তা অনুযায়ী সঠিকভাৱে ব্যৱস্থা কৰিব পৰা নাই। বিভিন্ন স্থানত, যেনে- সমভূমি, নদী-উপত্যকা, পাহাৰ-পৰ্বত আদিত পানীৰ উৎস বিভিন্ন ৰূপত পোৱা যায়। আমাৰ অসমত প্ৰায় ৮৮,০৯৯ টা habitation আছে বুলি কোৱা হৈছে। ইয়াৰে ৫২,৭৪২ টা লোক বসতিক ২০১৬-১৭ চনত ডিচেম্বৰ মাহৰ ভিতৰত পানীৰ যোগান ধৰা হৈছিল। তাৰে এতিয়া বাকী থাকিল ৩৫,৩৫৭ টা habitation আৰু ২০১৮-১৯ চনৰ ভিতৰত তাৰ ৫০০ টা habitation সামৰি লোৱা হ'ব বুলি কোৱা হৈছে। বহু ঠাইত খোৱা পানীৰ উৎসত ফ্লু'ৰাইড আৰু আৰ্চেনিক পোৱা যায়। কিন্তু এই ফ্লু'ৰাইড আৰু আৰ্চেনিক সেৱনৰ ফলত মানুহৰ কিছুমান ৰোগ যেনে Fluorosis, Arsenic poisoning আৰু কেঞ্চাৰ ইত্যাদিৰ নিচিনা জটিল ৰোগ হয়। এই দূষিত পানীতে বিভিন্ন বীজাণুবোৰ মিহলি হৈ অৱশেষত খোৱা বস্তুৰ লগত মিহলি হৈ বিভিন্ন ৰোগৰ স্থান লয়। সেয়েহে খোৱাপানী বিশুদ্ধ হোৱাটো স্বাস্থ্যৰ বাবে অত্যন্ত জৰুৰী আৰু ইয়াক কেনেধৰণে বিশুদ্ধ কৰি ৰাখিব পৰা যায় তাৰ প্ৰতি আমি গুৰুত্ব দিব লাগে। নীতি আয়োগে ভাৰতবৰ্ষত বিশুদ্ধ পানী পাবৰ বাবে ৯৬ টা Community Water Purification Plant দিয়াৰ প্ৰস্তাৱ দিছে। যদি এইটো কাৰ্যকৰী হয়, তেন্তে আমাৰ কিছুমান অঞ্চলত বিশুদ্ধ পানী পোৱা যাব। World Bank ৰ জৰিয়তে fund দি কামৰূপ মেট্ৰ', বঙাইগাওঁ, মৰিগাওঁ, যোৰহাট , হাইলাকান্দি আৰু শোণিতপুৰ এই ৭ খন ৰাজ্যত ১৪৭৪.০৩ কোটি টকা ধাৰ্য্য কৰি 'নীৰ নিৰ্মল পৰিযোজনা' নামৰ বৃহৎ বহু গাওঁ আঁচনি (Large Multi-Village Scheme) ৰ কাম আৰম্ভ কৰা হৈছে। এই কামবোৰ হ'লে আমাৰ ভালেখিনি অঞ্চলক cover কৰিব। আমি দেখা পাওঁ গোটেই অসমৰ গাওঁ অঞ্চলত খোৱা পানীৰ ব্যৱস্থা ক'ৰবাত ক'ৰবাত ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰা চলি আছে কিন্তু বেছিভাগ ক্ষেত্ৰতেই almost 80-90% scheme/plan non functioning হৈ আছে। য'ত কাম আৰম্ভ হৈছে অত্যন্ত লেহেমীয়া গতিত। এই বস্তুখিনি চাব লাগিব আৰু য'ত পানী দিয়া হৈছে বেছিভাগ ক্ষেত্ৰতেই বন্ধ হৈ আছে স্কীমবোৰ। দ্বিতীয়তে, আমাৰ স্বচ্ছ ভাৰত মিছন। স্বচ্ছ ভাৰত মিছনৰ জৰিয়তে অসম তথা ভাৰতবৰ্ষৰ প্ৰত্যেকটো ঘৰত ধনীয়েই হওঁক বা দুখীয়াই হওঁক latrine ৰ ব্যৱস্থা কৰি স্বাস্থ্যৰ কাৰণে ৰোগ ব্যাধি বন্ধ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু মুকলি ঠাইত মলত্যাগ বন্ধ কৰি নিৰ্মল গাওঁ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ২০১৮-১৯ বৰ্ষত মুকলি ঠাইত মলত্যাগ open defecation free clean Assam কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। যোৱা ২৬ তাৰিখে গোটেই অসমতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এক লাখ latrine কৰাৰ বাবে আনুষ্ঠানিক ভাৱে ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে।

২০১৮ চনত গোটেই অসম open defecation free area and clean Assam লৈ পৰিবৰ্তন হ'ব বুলি কোৱা হৈছে। date fix কৰা হৈছে। আমি ভাল পাইছো। কিন্তু খোৱা পানীৰ বিষয়ে এতিয়ালৈকে কোনো নিৰ্দিষ্ট তাৰিখ ধৰা নাই। কেতিয়াকৈ হ'ব আমাৰ চৰকাৰে সেইটো সিদ্ধান্ত ল'ব লাগে। ২০৩০ চনত Sustainable Development Goals ৰ under ত গোটেই অসমখন সাঙুৰি লোৱা হৈছে। তাৰ লগত মিলাই যদি পানীৰ ব্যৱস্থাটো phase wise এই কেইবছৰত কৰিব পৰা যায়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে তেওঁলোকে meticulous planing কৰক আৰু পৰ্য্যায়ক্ৰমে কেনেকৈ আমি অহা বছৰ কেইটাত Sustainable Development Goals ৰ লগত মিলাই যাতে (খোৱাপানী বা sanitation SDG ৰ লিষ্টত ৬ নম্বৰত আছে) কৰিব পাৰো সেই কথাতো মনত ৰাখিব লাগে আৰু এটা কথা আমি দেখা পাইছো যে গাওঁ তথা চহৰ অঞ্চলত যিখিনি plan বা programe ইমানদিনে চলি আছিল বা নিৰ্মাণৰত অৱস্থাত আছে সেইবোৰ কমপ্লিট হোৱা নাই বা অকামিলা হৈ আছে, সেইবোৰ repair কৰিব লাগে, construction complete কৰিব লাগে, খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে। ঠিকমতে কাম কৰিলে, প্লেন কৰিলে এই ১২ বছৰৰ ভিতৰত ঠিকমতে হ'ব বুলি মোৰ বিশ্বাস আছে। মই সন্মানীয় মন্ত্ৰী মহোদয়ক এটা আবেদন জনাব বিচাৰিছো মোৰ সমষ্টি মানকাছাৰ, চাউথ শালমাৰা । মানকাছাৰ জিলা দুবছৰ হ'ল নতুনকৈ হৈছে। আমাৰ তাত subdivision আছে যাতে division লৈ উন্নীত কৰা যায় তাৰ বাবে মই অনুৰোধ জনাম আৰু ষ্টাফ একেবাৰে কম। কাম-কাজত বহুত অসুবিধা হয়। তেওঁ এই কথাখিনি অকল মোৰ সমষ্টিতেই নহয় গোটেই অসমৰ লিষ্ট আপোনাৰ হাতত নিশ্চয় আছে সেইবোৰ চাই পুৰণ কৰিলে কামবোৰ যাতে হয়, তাৰ maintenance ৰ proper ব্যৱস্থা কৰা হয় সেইখিনি কাম কৰিবৰ কাৰণে অনুৰোধ জনাই মোৰ চমু বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ মণ্ডল ডাঙৰীয়া। এতিয়া মাননীয় বিধায়ক শ্ৰীদেৱানন্দ হাজৰিকা ডাঙৰীয়া।

**শ্ৰীদেৱানন্দ হাজৰিকা ঃ** মাননীয় সভাপতি মহোদয়, Public Health ৰ ২৬৬১ কোটি ৮৪ লাখ ১ হাজাৰ টকাৰ যি প্ৰস্তাৱ দিছিলে, তাৰ ওপৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধ কৰি দুআষাৰ ক'ব ওলাইছো। সভাপতি মহোদয়, আমাৰ অসমীয়া সমাজত তিনিটা "প" প্ৰচলন আছে। পানী, পাকঘৰ আৰু পাইখানা। এইটো আজিৰ কথা নহয়। যেতিয়াৰ পৰা জনা হৈছো তেতিয়াৰ পৰা শুনি আহিছো। সেই awareness টো তাহানিৰ পৰাই আছিলে। কিন্তু এটা বিশেষ শ্ৰেণীৰ মাজততে সীমাবদ্ধ হৈ থাকিল। আজি কলিতা ডাঙৰীয়া দেৱে ভাষণ দিওঁতে কেঞ্চাৰ বেমাৰৰ কথা কৈছে। মোৰ সমষ্টিত এইটো এটা alarming situation. মই MLA হোৱাৰ পৰা যোৱা দুবছৰৰ ভিতৰত কমেও ৬০০ মান ৰোগী মোৰ সমষ্টিত থকা গম পাইছো। যিসকলে আমাৰ ওচৰত আবেদন লৈ আহিছে। যিসকলে আবেদন অনা নাই মই সেইসকলৰ কথা কোৱাই নাই। এই কেঞ্চাৰ হোৱাৰ এটা মূল কাৰণ হৈছে বিশুদ্ধ পানী নোহোৱাটো। তেওঁলোকে আৰ্ছেনিক বা ফ্লৰাইড যুক্ত পানী সেৱন কৰে। কেতিয়াবা খাল-ডোঙৰ পানীও সেৱন কৰে। বিশেষকৈ বানপানীৰ সময়ত আমি যেতিয়া যাওঁ, মই চাৰিওফালে চাওঁ যে মানুহবোৰে ক'ৰ পানী খাইছে। সেই লেতেৰা, ঘোলা পানী বিলাকেই মানুহ বিলাকে খাই জীৱন নিৰ্বাহ কৰি আছে। এইটো আচৰিত কথা। যোৱাবাৰ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে USA ৰ এটা company এ বনাইছে instant water purification system সেইবিলাক যোগান ধৰাৰ কথা কৈছিলো। তাত

প্ৰায় ২৫ লিটাৰ মান পানী instantly চাফা কৰিব পাৰি। এই কথাটো হয়তো মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক কৈছো। পানীযোগান আঁচনিৰ বিষয়ে মই প্ৰশ্নও কৰিছিলো। মোৰ সমষ্টিত তেতিয়া কোৱা হৈছিল যে ৪৫ টা পানী যোগান আঁচনিৰ ভিতৰত ৩৬ টা active হৈ আছে। কিন্তু তেতিয়া মই মন্ত্ৰী মহোদয়ক কৈছিলো যে আপোনাৰ ওচৰত ভুল তথ্য দিছে। ৩৬ টা active হৈ থকা নাই। তাৰে পাঁচটাৰ বৰ্তমান কাম চলি আছে। যিসকল লোকে ফিল্ডত কাম কৰে তেওঁলোক অতি এলেহুৱা and not well trained even. মই মাননীয় সভাপতি ডাঙৰীয়াৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে ইয়াতে এটা কাম কৰিলে ভাল হয় যে প্ৰত্যেক ঠাইতে গাঁৱে-ভূঞে পানীবিলাক পৰীক্ষা কৰিব লাগে আৰু সেইবিলাকৰ প্ৰকৃততে সেৱনৰ যোগ্যতা আছেনে নাই চাই, সেইমতে পানীযোগানৰ ব্যৱস্থা কৰিব লাগে। যেতিয়া এটা পানী যোগান আঁচনি বিকল হয় সেইটো আকৌ active কৰিবৰ বাবে কোনো ধৰণৰ উদ্যম বিভাগত থকা আমাৰ পৰিলক্ষিত নহয়। মোৰ সমষ্টিত এটা sub-division আছে আৰু আটাইতকৈ বেছি শুই থকা sub-division টো হৈছে সেইটো। মই বহুবাৰ কৈছো আৰু ওপৰ মহলতো কৈছো। মই ৩-৩.৩০ বজাত যাওঁতে তাত SDO জনো নাই। চকীদাৰ জনৰ বাহিৰে কোনো নাই। গতিকে সেই কথাবিলাক কেতিয়াবা কাৰোবাৰ হতুৱাই যদি Check কৰে, এই কথাবিলাকৰ সত্যতা পাব। গতিকে যিটো ডিপাৰ্টমেণ্টে মানুহক খোৱা পানীৰ যোগান ধৰে, বিশুদ্ধ খোৱা পানীৰ যোগান ধৰে সেই বিভাগটো যদি মোৰ তাত শুই থাকে, তেতিয়াহ'লে মানুহে কিমান ইয়াৰ পৰা উপকৃত হ'ব, এইটো আচলতে জনা যায়। মই বাৰে বাৰে কোৱা সত্বেও এই বিভাগটোৰ কামৰ যি লেহেমীয়া গতি সেইটোক আমি সেই একেই স্থবিৰ অৱস্থাত দেখা পাইছো। আমাৰ টিউবৱেল বিলাক দিয়া হৈছে, মোৰ তাত চৰ অঞ্চল আছে। য'ত নেকি প্ৰতিবছৰত কমেও তিনি-চাৰিটাকে বানপানী হয়। কাৰণ মই যোৱা দুটা বছৰে আহিছো আৰু যিবিলাক টিউবৱেল বহুৱাই দিয়া হৈছে, হেণ্ড পাম্প সেইবিলাক ডুবি থাকে আৰু কোনো Scientfic way method তএইটো টিউবৱেল হেণ্ড পাম্পবিলাক বহুৱা নাই কাৰণ সেই সকলোৱে জানে যে, পানীত ডুবে। গতিকে Raised platform কৰি সেই টিউবৱেল বিলাক বহুৱাৰ ব্যৱস্থা কৰিব লাগে।WPT ৰ মাননীয়া মন্ত্ৰী মহোদয়াৰ জৰিয়তে মই **৩৬০** টা টিউবৱেল পাইছিলো। যোৱা ফেব্ৰুৱাৰী মাহতে এইটো চেংচন হ'ল। **৭৯** লাখটকাৰ। কিন্তু আজিলৈকে বি ভাগৰ হেমাহিৰ কাৰণে এটাও টিউবৱেল বহুৱাব পৰা নাই। এই কথাটো মই ইতিমধ্যে মন্ত্ৰী মহোদয়ক অৱগত কৰিছো আৰু শ্ৰীমতী প্ৰমিলা ৰাণী বাইদেউকো এইটো মই অৱগত কৰিছিলো যে চৰকাৰে টকা দিয়ে, বিভাগে কাম নকৰে। Superintendent Engineer জনৰ বেমাৰ হ'ল আৰু পাচত তেওঁ ইহলীলা সম্বৰণ কৰিলে। ইয়াৰ কাৰণে যে, কামবিলাক স্থবিৰ হৈ থাকিব এইটো কিন্তু আমি আশা নকৰো কাৰণ বানপানীৰ সময়ত মানুহ বিলাকে হাবুডুবু খাই খোৱা পানীৰ কাৰণে। কেইদিনমানৰ আগতে D D M A ৰ মিটিঙত মই কৈছো যে, vulnerable point বিলাক খৰালি মাহতে চিনাক্ত কৰক। আৰু সেইবিলাকত বানপানী হওঁতে পৰ্য্যাপ্ত পৰিমাণে খোৱাপানী দিব পৰা ব্যৱস্থা কৰিব পাৰি নে নোৱাৰি, সেইটো আপোনালোকে কৰক আৰু দৰকাৰ হ'লে তাত হেণ্ড পাম্প বা যি ধৰণৰ ব্যৱস্থা কৰে তাত আগতীয়াকৈ কৰক। নহ'লে বানপানী একেদিনাখনেই গাওঁবিলাক বুৰাই পেলাই। একেদিনাখনেই যেতিয়া গাওঁখন বুৰাই পেলাই আৰু **৪৮** ঘণ্টা পানী নহ'লে মানুতো মৰি থাকে। আৰু সেই লেতেৰা পানী বিলাক যেতিয়া সেৱন কৰে মানুহে তেতিয়াহ'লে মানুহৰ বেমাৰ আজাৰ হয়। আকৌ কিছুমান আমাৰ বিপদ আহি থাকে। সু-স্বাস্থ্য আমি কামনা কৰো। সকলোৱে সু-স্বাস্থ্যৰ কাৰণে নানান আইন

প্ৰণয়ন কৰা আঁচনি হৈছে। কিন্তু আমাৰ মানুহ আজিৰ দিনতো সেই তেনেকুৱা পানী বানপানীৰ সময়ত সেৰন কৰি থাকিবলগীয়া হয়। ইয়াৰ পাছতে Toilet বিলাক যে বনোৱা হৈছে, চৰ অঞ্চলত বনাওতে আমাৰ এটা Target fix কৰা হয় যে ইমানখিনি Toilet বনাব লাগিব। মুখ্য উদ্দেশ্যটো হৈছে Target টো fullfill কৰা কিন্তু usefull হ'বনে নহয়, সেই বস্তুটোৰ ওপৰত লক্ষ্য ৰখা নাই। উদাহৰণ স্বৰূপে কানিয়াজান বুলি মিচিং গাওঁ আছে তাত মই যাওঁতে দেখিলো গাওঁখনৰ মাজেদি যিটো ৰাস্তা গৈছে, ৰাস্তাটোৰ দুয়োফালে Toilet বিলাক বনাই থৈ দিয়া হৈছে। মই তাৰে **৩৬** টাৰ দৰ্জা খুলি চালো কোনো এটাও কেতিয়াও ব্যৱহাৰ কৰা নাই গতিকে এই বিলাক বনালে কি হ'ব। আমাৰ টেলিভিশ্যনত দৰ্জা বন্ধ কৰক বুলি এটা এডভাৰটাইজ আহি থাকে। অমিতাভ বচ্চন ডাঙৰীয়াই সেইটোত লিড পাৰ্ট লৈ আছে। কিন্তু টি ভিৰ সেই পৰ্দাত যিটো এডভাৰটাইজমেণ্ট আহি থাকে Awareness আনিবৰ কাৰণে। সেই দুৰৰ গাঁৱৰ মানুহে য'ত নেকি ইলেক্ট্ৰিচিটি নাই, টেলিভিশ্যন নাই তেওঁলোকে কি জানিব। গতিকে মই আহ্বান কৰিছো মন্ত্ৰী মহোদয়ক বিভাগৰ জৰিয়তে Awareness programme কৰি এই Toilet বিলাক যে ব্যৱহাৰ কৰিব লাগে কৰিলে কি হয় , নকৰিলে কি হয় ইয়াৰ এটা Awareness programme আনিব লাগে। So that you can Sensitize the people to use such type of toilets and this type of facilities.মই আগতে এটা প্ৰশ্নৰ উত্তৰ শুনিছিলো লক্ষীমপুৰৰ মাননীয় বিধায়ক শ্ৰী উৎপল দত্ত ডাঙৰীয়াই কৈছিল আৰু যোৱা আগৰ কেইটামান দিনৰ এখন অধিৱেশনত ময়ো কৈছিলো যে, আমাৰ যিটো বাৰ হাজাৰ টকা দামৰ টইলেট। এই টইলেটটো আমাৰ চৰ অঞ্চলত বাৰ হাজাৰ টকাত বনাব নোৱাৰে। সেই কাৰণে কোনো ঠিকাদাৰ আগবাঢ়ি নাহে। আজি কেইদিনমানৰ আগতে নাৰায়ণপুৰৰ S D C অফিচত মই বহি থাকোতে এই Public Health ৰ Engineer ৰ সৈতে বহুতখিনি মানুহে তাত মিটিং কৰি আছে। কৈছে যে, কাইলৈৰ ভিতৰত নশ টা গাত খান্দিব লাগিব। নশ টা গাত খান্দিব লাগিব কিহৰ কাৰণে বোলে টইলেট বনাবৰ কাৰণে। চৰকাৰে নিৰ্দেশ দিছে এক লাখ টইলেট বনাব লাগে, তাৰে অধীনত নশ টা গাত একেদিনাখনেই খান্দি পেলাব। নশ টা গাত একেদিনাই খান্দিব, কিন্তু টইলেটটো বনাব কেনেকৈ? কোনে বনাব। আৰু আগতে যিখিনি টইলেট বনাইছে, যিসকল ঠিকাদাৰে টইলেট বিলাক বনাইছে, তেওঁলোকে মোৰ ওচৰত আহি আপত্তি কৰে সময়মতে পইচাখিনি নাপায় বুলি। গতিকে মন্ত্ৰী মহোদয়ে ইয়াৰ আগত প্ৰশ্ন সুধোতে কৈছে যে, এইটো পৰ্য্যাপ্ত ধন দিয়া হৈছে, গতিকে পেমেণ্টৰ দিগ দাৰি নহয়। গতিকে তাত লাভ নাথাকে ঠিকাদাৰৰ আৰু বিশেষকৈ নদী পাৰ কৰি এটা টইলেট বনাবৰ কাৰণে বা দহ টা টইলেট বনাবৰ কাৰণে যেতিয়া মেটেৰিয়েল লৈ যায় এইটো expensive হৈ গুচি যায় সেইটো। যদি একেলগে এখন গাওঁত এশ টা টইলেট বনাবৰ কাৰণে যদি বস্তুখিনি নিব পৰা যায়, তেতিয়া পৰা যাব কিন্তু সেইটো কৰিব নোৱাৰি। কাৰণ গাড়ী যাব নোৱাৰে, সেইবিলাক ঠাইত। কেৱল নাঁৱেৰে বস্তু নিব লগীয়া হয়। গতিকে এই ক্ষেত্ৰত মই আকৌ এবাৰ আহ্বান কৰিছো মন্ত্ৰী ডাঙৰীয়াক যে, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এই অঞ্চলবিলাকত যাতে এই পইচাটো অলপ বঢ়াই দিব পাৰি তাৰ এটা ব্যৱস্থা কৰিলে ভাল হয়। আৰু এই টইলেটবিলাক যাতে raised platform ৰ ওপৰত বনাই যাতে বানপানীত সেই টইলেটবিলাক বুৰি নাযায় এনেকুৱা এটা কদৰ্য্য অৱস্থা হয়, ভুক্তভোগীহে জানে আৰু যিসকল প্ৰত্যক্ষদৰ্শী তেওঁলোকে জানে। কাৰণ বানপানীত আমি নাওঁলৈ যাওঁ। তাত টইলেট নাই, টইলেটবিলাক পানীৰ তলত, হেণ্ড পাম্পবিলাক পানীৰ তলত। সেই মানুহখিনি কেনেকৈ জীয়াই থাকিব। গতিকে এই কথাবিলাক অকণ মান চকু দিলে বেছি ভাল

হয়। কাৰণ আমি কেৱল আমাৰ  নাম্বাৰ গণনা যিটো হয় সেই নাম্বাৰ গণনা টোৰ ক্ষেত্ৰত আমি বেছি ধ্যান নিদি আমি সেই বস্তুটোৰ utility আৰু usefullness টো কি হ'ব মানুহে কেনেকৈ ব্যৱহাৰ কৰিব পাৰিব, নোৱৰিব, বানপানীৰ সময়ত বিশেষকৈ ব্যৱহাৰ কৰিব পাৰিব নে নোৱৰে এই কথা টোৰ প্ৰতি লক্ষ্য ৰাখি টইলেট বনালে বেছি ভাল হয়। লগতে খোৱা পানীৰ ব্যৱস্থাটো। গতিকে এইখিনি কথা মই বেছিকৈ আৰু নকওঁ। আপোনাৰ জৰিয়তে, আমাৰ মন্ত্ৰী ডাঙৰীয়াক এই কথাখিনি মই কব বিচাৰিছো যে, এই কথাবিলাকৰ ওপৰত ধ্যান দিলে বেছি ভাল হয়। যে কোনো ঠিকাদাৰে আচলতে চৰ অঞ্চলত টইলেট বনাবলৈ যাব নিবিচাৰে। কেৱল বাৰ  হাজাৰ টকাৰ টইলেটটো নবনায়। আৰু এটা কথাা ক'ব বিচাৰিছো যে, Size of the toilet.মই সোমাই চাইছো, যে বেছি শকত মানুহ হয়, তেতিয়া সেই টইলেটটোত সোমাব নোৱাৰে। যে টইলেটটো ইমানেই সৰু। গতিকে এইটো এটা আভুৱা ভৰা চিষ্টেমৰ নিচিনা হৈ গৈছে। কোনে ডিজাইন কৰিছে, মই ক'ব নোৱাৰো। কাৰণ আমাৰ ভাৰত বৰ্ষত এইটো বোধকৰো Central Government ৰে Scheme. গতিকে টইলেটৰ চাইজটো যাতে অকনমান বঢ়াব পাৰি এই বিষয়ে ধ্যান দিলে ভাল হয়, আৰু এইখিনি কথাকেই মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ ওচৰত ৰাখিলো। যাতে আমাৰ সকলোৰে সু-স্বাস্থ্যৰ ব্যৱস্থা কৰে, বিশেষকৈ পানীৰ ক্ষেত্ৰত। এই পানীৰ  পৰীক্ষা কৰি খোৱা পানীখিনিৰ  সুবিধা ৰাটাৰ যাতে মানুহে পায়, ইয়াৰ এটা ব্যৱস্থা হ'লে ভাল হয়। কাৰণ মোৰ সমষ্টিত এতিয়া বিশেষকৈ যদি মই টইলেটৰ ওচৰলৈ গুচি যাওঁ ৫২ শতাংশহে টইলেট ইতিমধ্যে সাজিছে। আপোনালোকৰ লেখ মতে ৯৬৯৫ টা টইলেট কিন্তু বনবলৈ বাকী আছে। এতিয়া সিদিনাখন কৈছে, নশ টা গাত খান্দিব। গতিকে নশ টা গাত এদিন খান্দি তাৰ পিছত সেই গাত কেইটা আকৌ বৰষুণত  পোত যাব, গতিকে মই ইয়াৰ পিছত গৈ চেক কৰিম জানো নশ টা গাত ক'ত খান্দিলে। আহি মই মন্ত্ৰী মহোদয়ক কম যে, নশ টা গাত কিহৰ কাৰণে খান্দিলে। কলপুলি ৰুবলৈ খান্দিছিল নে টইলেট বনাব খান্দিছিল। এইটো চৰকাৰৰ স্কীমটো fulfill কৰিবৰ কাৰণে ৰাতিৰ ভিতৰতে মিটিং কৰি নশ টা কৰিলে। আজি ইমান দিনে চলি থকাৰ পিছত আজি নশ টা গাত একেদিনাখনেহ খান্দিবলৈ কিয় যাবলগীয়া হ'ল। সেই নশ টা গাত খান্দিবলৈ টইলেট বনাবনে।  এনেকুৱা ধৰণৰ আভুৱা ভৰা কিছুমান System আমাৰ মাজত চলি আছে। এই বিলাক নিবাৰণৰ কাৰণে বিভাগৰ মুৰব্বী সকল  যাতে চকু দিয়ে আৰু যিবিলাক toilet ৰ ফটো তুলি পইচাটো আদায় কৰিছে, সিমান toilet তাত আছে নে নাই সেইটোৰ সৈতে মিলাই চালে আপুনি গম পাব মই কিমান সত্য কথা কৈছো বা অসত্য কথা কৈছো। গতিকে মন্ত্ৰী মহোদয়ক আকৌ এবাৰ অনুৰোধ জনাইছো এই কথা বিলাকৰ প্ৰতি ধ্যান দিয়ক। আৰু বিৰোধী পক্ষই অনা যি কৰ্ত্তন প্ৰস্তাৱ তাৰ বিৰোধিতা কৰি দুষাৰমান কবলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**সভাপতি, (শ্ৰী বীৰ ভদ্ৰ হাগজেৰ) ঃ-** ধন্যবাদ, হাজৰিকা ডাঙৰীয়া, এতিয়া নুৰুল হুদা।  নুৰুল হুদা অনুপস্থিত গতিকে B P F দলৰ পৰা কোনো requistion নাই যদিও

**শ্ৰী কমল সিং নাৰ্জাৰী, সদস্য ঃ-** সভাপতি ডাঙৰীয়া, আমি লিখি দিছিলো। কোন cut motion ত কোনে কব আমি সুন্দৰকৈ লিখি দিছিলো।

**সভাপতি, (শ্ৰী বীৰ ভদ্ৰ হাগজেৰ) ঃ-**  ঠিক আছে। এতিয়া আমাৰ মাননীয় বিধায়িকা কমলী বসুমতাৰীক তেওঁক ভাষণ ৰাখিবলৈ অনুৰোধ কৰিছো।

(মাননীয় অধ্যক্ষ আসনত বহে)

**শ্ৰী মতী কমলী বসুমতাৰী, সদস্যা ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি মই পানী যোগান আৰু

অনাময়, ৩০ নং মঞ্জুৰীৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছিল, সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি কিছু বক্তব্য ৰাখিবলৈ মই বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, পানী হৈছে জীৱৰ জীয়াই থকাৰ এটা উৎস। আমাৰ মানুহৰ শৰীৰত ৮৪ শতাংশ যদি পানী নাথাকে, তেনেহ'লে সেই মানুহজনক আমি সুস্থ মানুহ বুলি ধৰিব নোৱাৰো। আজি যিহেতু এই বিষয়ৰ ওপৰত বহু মাননীয় বিধায়ক সকলে বক্তব্য ৰাখিলে আৰু বিৰোধী পক্ষৰ ফালৰ পৰাও বক্তব্য ৰখা হ'ল। সকলোৱে বিচাৰিছে যে আমাৰ খোৱা পানীৰ ব্যৱস্থাটো ভাল হওঁক। কোনো এজন আমাৰ জন প্ৰতিনিধি বা সদস্যই এই খোৱা পানীৰ ওপৰত বিৰোধ মন্তব্য দাঙি ধৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, বহুতে বহু ধৰনে কথা কলে, মই চমুকৈ বক্তব্য ৰাখিব বিচাৰিছো যে খোৱা পানীৰ সমস্যা আজি নতুন কথা নহয়। খোৱা পানীৰ সমস্যাত আমি জৰ্জৰিত। অসমৰ প্ৰায় অঞ্চল বিলাকত খোৱা পানীৰ নাটনি। বিশেষ ভাবে আমাৰ ভুটান food hillsত মানুহে পুখুৰীত বৰষুণৰ পানী আৰু ভুটানৰ পানী জমা কৰি সেইখিনি ৬ মাহ ব্যৱহাৰ কৰে। তাৰ পৰা এই জমাই থোৱা পানী খাই কলেৰা কেঞ্চাৰ বা অইন বেমাৰ নহৈ কি হব? মাননীয় অধ্যক্ষ মহোদয়, তাৰ উপৰিও আমাৰ আৰু এটা সমস্যাই দেখা দিছে যি হেতু আমাৰ water ground level টো প্ৰত্যেক বছৰে তললৈ গৈ থকাৰ কাৰণে আমাৰ বিশেষ কৈ অসমৰ উত্তৰ অঞ্চলত, পানীৰ এটা সাংঘাটিক জটিলতা দেখা দিছে। সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি এটা অনুৰোধ কৰিব বিচাৰিছো, যিহেতু আমাৰ তলত ground level ত ৭০০-৮০০ ফুটলৈকে পানী নাই, সিন্ধু ভুটান সীমান্ত অঞ্চলত। গতিকে আমি আঁচনি কৰিলেও তাত সুফল নাপাওঁ। যদি ওচৰত বোৰতী নদী আছে, সেই নদীৰ পৰা পানী আমি ৰাইজক খুৱাব পাৰো, নেকি যেনেকৈ গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পানী খাই আছে এই কথাটো চিন্তা কৰাৰ যথেষ্ট প্ৰয়োজন আছে। ওদালগুৰি জিলাৰ মোৰ সমষ্টিতে তেনেকৈ নদীৰ পৰা পানী উঠাই আজি ১০ ,১২ বছৰ আমি ব্যৱহাৰ কৰি আছো। মাননীয় অধ্যক্ষ মহোদয়,এই যে খোৱা পানীৰ ক্ষেত্ৰত আজি যিটো সমস্যাই দেখা দিছে যে ফ্লৰাইড আৰু আৰ্চেনিক। আমি ওদালগুৰিত মন্ত্ৰী ডাঙৰীয়া আৰু মই একে বছৰতে আমি বিধায়ক হৈ আহিছিলো, আৰু আজিও আছো। আমি ওডালগুৰি জিলাৰ যি সকল MLA আছো, এটা সময়ত ২০০১ ৰ পাছত, আমি গোটেই অঞ্চলৰ পানী বিলাক আমি পৰীক্ষা কৰি চাইছিলো। তেতিয়া তাৰ কোনো এটা অঞ্চলত পানীত আৰ্চেনিক বা ফ্লৰাইড নাছিল। কিন্তু আজি কেইবছৰমান পাছত আমাৰ ওদালগুৰি জিলাত অসমৰ বহু ঠাইত আছে। কিন্তু ওডালগুৰিত নাছিল, কেইবছৰমান আগৰ পৰা ওদালগুৰি জিলাটো আৰ্চেনিক থকাৰ এটা প্ৰমান হ'ল। এইটো কিহৰ কাৰণে হৈছে। সেই উৎসটো আমাৰ খোৱা পানীত এই আৰ্চেনিক আৰু ফ্লৰাইড যে ওলাল তাৰ উপৰিও বিভিন্ন শাক-পাচলিৰ খেতি, এই খেতিয়ক সকলে যেলেকে কীটনাশক দ্ৰব্য, বা বিভিন্ন ধৰণৰ সাৰ প্ৰয়োগ কৰিছে আৰু সেই বিলাক পানীৰ লগত মিহলি হৈ সেই পানীখিনি তললৈ গুছি গৈছে। আৰু আৰ্চেনিকৰ জন্ম হৈছে। তেনেকুৱা এটা সুব্যৱস্থা আমাৰ বিভাগৰ ফালৰ পৰা যদি লয়, তেনেহলে এই বিষাক্ত পানী সেৱনৰ পৰা আমি ৰক্ষা পাব পাৰো। অধ্যক্ষ মহোদয় আমাৰ বাক্সা জিলাত ডাঙৰ ডাঙৰ ৭-৮ টালৈকে বৰিং থাকে। যাৰ কাৰণে water level ground level ৰ তলত প্ৰত্যেক বছৰে তলত নামি গৈছে। যোৱা বাৰ যদি ১০ ফুটৰ ওপৰত আছিল, এই বছৰ কিন্তু ১২ ফুট তলত গৈছে। তেনেকৈ এটা সময়ত হয়তো একেবাৰে পানী নোহোৱাই হব। সেই সমস্যাটো সাংঘাটিক ডাঙৰ সমস্যা হৈ দেখা দিছে. সেইটো মোকা বিলা কৰিববৰ কাৰণে আজিৰ চৰকাৰে বাজেটত আমি দেখিছো যে ধুনীয়া এটা ব্যৱস্থা লৈছে। চৰকাৰক সেইটোৰ কাৰণে ধন্যবাদ দিছো। যাতে মানুহে খোৱা পানীৰ পৰা বঞ্চিত

নহয়। অধ্যক্ষ মহোদয়, defunct Scheme বিলাক আমি কাৰ্য্যক্ষম কৰি তুলিব লাগে। চৰকাৰে টকা দিছে কিন্তু যথেষ্ট নহয়। সাংঘাটিক ভাৱে জৰ্জৰিত হৈ থকা বিভাগ চলাবৰ কাৰণে, কাৰ্যক্ষম কৰিবৰ কাৰণে ইয়াতকৈও দুগুণ টকাৰ দৰকাৰ। অধ্যক্ষ মহোদয়, যিবিলাক defunct Scheme আছে, সেই বিলাক মেৰামতি কৰি আমি ৰাইজক পানী খোৱাৰ ব্যৱস্থাটো কৰিবৰ কাৰণে আমাৰ বিভাগক মই অনুৰোধ কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ পুৰণি কিছুমান স্কীম আছে, যিবিলাক ৩-৪ বছৰ হৈ গ'ল, আধাতে সামৰি থ'লে। ইয়াৰে ৩ কোটি টকাৰ এটা কলাইগাৰত আছে। আৰু মোৰ সমষ্টিটো কিছুমান এনেকুৱা আঁচনি কৰিলে, যিবিলাক আঁচনিৰ পৰা ৰাইজে পানী পাবলৈ সক্ষম নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজন সাপেক্ষে contractor ৰ নামো মই কব পাৰো, কিন্তু কোৱাটো ইমান উচিত হব নে নাই, সেইটো মই অলপ চিন্তা কৰিছো। আমাৰ কলাইগাঁৰৰটো কৰিছিল গুৱাহাটীৰ নে ক'ৰবাৰ গজেন কলিতা বুলি, এজনে কৰি কামটো আধাতে এৰি দিলে, আজিলৈকে হৈ নুঠিল। ৩ কোটি টকাৰ সেই আঁচনিটো তেনেকৈয়ে পৰি থাকিল। সেইটো আমাৰ মন্ত্ৰী ডাঙৰীয়াই, তেখেতক অলপ কৈ সেই আঁচনিটোৰ পুনৰ কাম আৰম্ভ কৰিলে বৃহত্তৰ কলাইগাওঁ অঞ্চলটোৱে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা পাব পাৰে। মাননীয় অধ্যক্ষ মহোদয় মোৰ সমষ্টিত এখন সৰু চহৰ আছে - টংলা। মই বিধায়িকা হৈ অহাৰ পিছত টংলাৰ ৰাইজে বিশুদ্ধ পানী খাবলৈ পোৱা নেদেখিলো। বিষয়টো সম্পৰ্কত মই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিছো। কিন্তু তেখেতে ক'লে যে এইটো তেখেতৰ বিভাগত নপৰে, নগৰ উন্নয়ন বিভাগত পৰে আৰু নগৰ উন্নয়ন বিভাগত পৰা বাবে টংলাত খোৱাপানীৰ আঁচনি দিব পৰা নাই। এই বিষয়টো লৈ মই অহা দুই তাৰিখৰ বাবে নগৰ উন্নয়ন মন্ত্ৰী এখন শূণ্যকালীন জাননী দি থৈছো। মাননীয় অধ্যক্ষ মহোদয়, বহু মাননীয় সদস্যই শৌচাগাৰৰ কথা কৈছে। যিহেতু আমি গাওঁ অঞ্চলত বাস কৰো আমি দেখিছো বহু গাঁৱত অনাময় আঁচনি ৰূপায়ণ কৰা হোৱা নাই। যেতিয়া চাৰ্ভে কৰিবলৈ যায় তেতিয়া কিছুমান নিৰ্দিষ্ট ঠাইতহে চাৰ্ভে কৰে। এই বিলাক কথা আমাৰ বিভাগীয় মন্ত্ৰীয়ে চাব লাগে। মই দেখিছো যে মোৰ গাৱঁৰ ওচৰত পথাৰৰ মাজত কোনো ঘৰ নথকা ঠাইত শৌচাগাৰ নিৰ্মাণ কৰিছে। এই আঁসোৱাবোৰ যাতে ভৱিষ্যতে নাথাকে তাৰ বাবে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কাৰণ এই আঁচনিখন বিশেষ ভাবে দুখীয়া মানুহৰ বাবে লোৱা হৈছে, এইটো 'স্বচ্ছ ভাৰত অভিযান'ৰ এটা অংশ। য'তে ততে পাইখানা কৰাৰ ফলত বিভিন্ন ধৰণৰ বোমাৰ-আজাৰ হয় সেয়েহে ইয়াৰ পৰা মুক্তি পাবৰ কাৰণে এই অনাময় আঁচনিখন গোটেই ভাৰতত ৰূপায়ণ কৰিছে আৰু অসমেও এই আঁচনিৰ অধীনত এক লাখ শৌচাগাৰ নিৰ্মাণ কৰিবলৈ আগবাঢ়িছে। আঁচনি লোৱাটো সহজ কিন্তু ৰূপায়ন কৰাটো জটিল কথা। বিভাগে সেই বিষয়ে যাতে ভালদৰে ব্যৱস্থা লয় আৰু আঁচনিখন ৰূপায়নৰ ক্ষেত্ৰত ভালদৰে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো। পানী আমাক সকলোকে লাগে গতিকে যিসমূহ স্থানত খোৱাপানীৰ অতি প্ৰয়োজন আছে সেই ঠাইসমূহত পানীযোগানৰ ব্যৱস্থা কৰিব লাগে এইটো অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপুনি আজি এটা খুউব দৰকাৰী কথা কৈছে। যিটো কথা মোৰো মনত আহে। নগৰৰ পানী যোগান আৰু গ্ৰাম্যাঞ্চলৰ পানীযোগান দুটা বেলেগ বেলেগ বিভাগে চায়। গ্ৰাম্য পানী যোগানটো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আৰু তাত যিমান অভিজ্ঞ মানুহ আছে নগৰ পানী যোগনৰ ক্ষেত্ৰত নাই। মাননীয় মন্ত্ৰী ডাঙৰীয়া এই বিষয়টো মই ভাবো আমি যদি নগৰ আৰু গ্ৰাম্য পানীযোগন এক কৰাৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া কামটো ভাল হ'ব কাৰণ

আপোনালোকৰ যথেষ্ট মানুহ আছে। পানী আমাৰ সকলোৰে প্ৰয়োজন। যদি এটা এজেন্সীৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিব পৰা যায় তেতিয়া বহুত ভাল হ'ব। ভৱিষ্যতে আপোনালোকে বিষয়টো চৰকাৰৰ আলোচনাৰ মাজত আনি চাব। এতিয়া মাননীয় সদস্য শ্ৰীঅশোক শৰ্মা।

**শ্ৰীঅশোক শৰ্মা, নলবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মোক দুষাৰ বক্তব্য ৰাখিবলৈ সুবিধা দিয়াৰ বাবে প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বিৰোধী পক্ষকো এই কৰ্তন প্ৰস্তাৱ আনি আমাক বক্তব্য ৰাখিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয় ইতিমধ্যে বহু সন্মানীয় সদস্যই খোৱাপানীৰ ওপৰত  বিস্তৃত ভাবে কৈছে। মই জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু ইয়াৰ বিভাগীয় বিষয়াসকলকো ধন্যবাদ জ্ঞাপন কৰিছো সমগ্ৰ অসমতে অনাময় আঁচনিটো ৰূপায়ণৰ বাবে যোৱা সোমবাৰে মাননীয় মুখ্যমন্ত্ৰীৰ দ্বাৰা মৰিগাৱত উদ্বোধনী কৰাৰ বাবে। মাননীয় অধ্যক্ষ মহোদয় এখন চৰকাৰ গঠন কৰোতে ৰাইজে প্ৰথমে বিচাৰে শান্তি বাতাৱৰণ সৃষ্টি আৰু ইতিমধ্যে আমাৰ চৰকাৰে এই ক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ

কৰিছে।  দ্বিতীয়তে বিচাৰে স্বাস্থ্য আৰু শিক্ষা এই ক্ষেত্ৰতো আমাৰ চৰকাখনে শিক্ষা বিভাগৰ বিভিন্ন আঁচনি গ্ৰহণ কৰি জনসাধাৰণৰ আস্থা লাভ কৰিবলৈ সক্ষম হৈছে। সেইবাবে মই শিক্ষামন্ত্ৰী আৰু বিভাগীয় বিষয়াসকলক ধন্যবাদ জ্ঞাপন কৰিলো। ঠিক তেনেদৰে স্বাস্থ্য বিভাগৰ নতুন নতুন আঁচনিৰে এক আলোড়ন সৃষ্টি কৰিছে আৰু জনসাধাৰণক যথেষ্ট সুবিধা দিছে। গ্ৰাম্য অঞ্চলৰ দুখীয়া ৰাইজৰ কাৰণে ৫৫ টা ৰোগৰ বিনামূলীয়া ৰোগ নিৰ্ণয় কেন্দ্ৰ বা এক্সৰে, চিটি স্কেন আদিৰ ব্যৱস্থা কৰিছে। তাৰ লগতে খোৱাপানীৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে এই কথাটোৱে চৰকাৰখনৰ জনপ্ৰিয়তাটো প্ৰমাণ কৰিছে। মই ইয়াত দুটা কথা ক'ব বিচাৰিছো খোৱাপানীৰ সম্পৰ্কত আৰ্চেনিক, ফ্ল'ৰাইডে আজি মানুহৰ মাজত যিটো আতংক সৃষ্টি হৈছে সেইটো কিন্তু কিছু বছৰ আগতে নাছিল। অধ্যক্ষ মহোদয় ১৮৯৭ চনত অহা বৰভূইকঁপৰ ফলত আমাৰ নদীসমূহ গতিপথ নাইবা নদীৰ তলি ওপৰলৈ উঠি অহাৰ ফলত খোৱাপানীৰ অভাৱ হৈছিল। আকৌ পৰবৰ্ত্তী সময়ত ১৯৫০ চনত পুনৰ ভূইকপৰ ফলত নামনি অসমৰ বিভিন্ন জান-জুৰি নদী আদিৰ পানীৰ বহন ক্ষমতা কমি অহাৰ ফলত খোৱাপানী সমস্যাৰ সৃষ্টি হৈছে। মাননীয় বিধায়িকা কমলী বসুমতাৰী বাইদেউও তেখেতৰ বক্তব্যত উল্লেখ কৰিছে যে ভূগৰ্ভৰ পানীত কৈ বোৱটি পানীত আৰ্চেনিক, ফ্ল'ৰাইড কম থাকে আৰু কথা ইতিমধ্যে বিশেষজ্ঞ সকলেও কৈছে। মই এই কথাটো এই কাৰণে কৈছে কাৰণ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকল ইয়াত উপস্থিত আছে তেখেতসকলে যাতে কথাটো অনুধাৱন কৰিব পাৰে। আগতে যিটো শংকা মানুহৰ মনত নাছিল আজি কিয় হৈছে। ইয়াৰ উদাহৰণ হিচাপে নলবাৰী সমষ্টিৰ বালিতৰা, নাহেৰবাৰী, ৰঙ্গ ফালি, কোঁৱৰকুছী, কঠৰা, বৰিগাওঁ ইত্যাদি অঞ্চলত ৰঙা দাগ দিয়াৰ ফলশ্ৰুতি মানুহ আতংকিত হৈছে। সেই আতংকটো দুৰ কৰাৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই আকৌ বিৰোধী পক্ষৰ সদস্যসকলক ধন্যবাদ দিব বিচাৰিছো তেখেত সকলে আনুস্থানিকতাৰ খাতিৰত কৰ্তন প্ৰস্তাৱ আনিছে যদিও কোনো বিধায়কে বিভাগৰ বিৰোধিতা কৰা নাই। বৰঞ্চ এই বিভাগটোৰ আৰু নতুন নতুন আঁচনিলোৱাৰ কথা উল্লেখ কৰিছে। এই বাজেট অধিবেশনৰ প্ৰথমতে কৰা প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিভাগীয় মান্ত্ৰীয়ে নলবাৰীলৈ এটা বিশেষজ্ঞৰ দল পঠোৱাৰ কথা আছিল আৰু তিনি চাৰিটা water system স্থাপনৰ প্ৰতিশ্ৰুতি দিছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই কামখিনি যাতে সোনকালে কৰে। কাৰণ সদনত উত্থাপিত হোৱা এই কথাখিনি বাতৰি কাকত প্ৰচাৰ মাধ্যমত প্ৰকাশ হৈছিল

আৰু নলবাৰীৰ ৰাইজে যথেষ্ট আনন্দিত হৈছিল। ইয়াত যিখিনি ধনৰ আবণ্টণ কৰা হৈছিল তাতকৈ যাতে পাঁচগুণ ধন বেছি দিয়ে। কাৰণ ইতিমধ্যে মই দেখিলো বহুকেইজন বিধায়কে তেখেত সকলৰ সমষ্টিত আৰ্চেনিক আৰু ফ্ল'ৰাইডৰ ফলস্ৰুতিত পানীখিনি বিষাক্ত হৈ মানুহৰ মাজত আতংক সৃষ্টি হোৱাৰ কথা কৈছে। মোৰ সমষ্টিত যেনেদৰে তিনি-চাৰিটা Water System ৰ কথা মন্ত্ৰী মহোদয়ে কৈছে হয়তো অইন বহু ঠাইতো দিব লগা হ'ব পাৰে। গতিকে ধনৰ আৱশ্যকতা যথেষ্ট থাকিব। সেইকাৰণে আমি আজিৰ সদনতে মাননীয় মন্ত্ৰী মহোদয়ক এই ধন বেচিকৈ দিয়াৰ বাবেহে এটা প্ৰস্তাৱ গ্ৰহণ কৰাৰ কাৰণে অনুৰোধ ৰাখিব বিচাৰিছো। মই এই প্ৰসংগতে জনস্বাস্থ্য আৰু কাৰিকৰী সকলো বিষয়ালৈ এটা আবেদন জনাব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে River Linking Scheme এটাৰ কথা উলাইছে। সেই ব্যৱস্থাটোৰে যদি নদী সমূহ সংযোগ কৰি সেই নদীসমূহৰ পৰা খোৱা পানীৰ যোগান ধৰিব পৰাৰ ব্যৱস্থা কৰিব পাৰে তেনেহ'লে হয়তো আমাৰ ৰৰবিহ পৰিগণিত হোৱা আৰ্চেনিক আৰু ফ্ল'ৰাইডৰ পৰা আমি কিছু পৰিমাণে মুক্ত হ'ব পাৰিম বা প্ৰকৃতিৰ পৰা পোৱা যিখিনি পানী এই জান-জুৰিৰ পৰা বৈ অহা পানীখিনি সংৰক্ষণ কৰি জনসাধাৰণৰ খোৱা পানীৰ ব্যৱস্থা কৰিব পাৰো তেনেহ'লে আমি যথেষ্ট উপকৃত হ'ব পাৰিম। ৰাইজৰ মাজত আস্থা ঘূৰাই আনিব পাৰিম। বহুকেইগৰাকী সদস্যই তেখেতসকলৰ অঞ্চলৰ যি খোৱা পানী পৰীক্ষা কৰাৰ কথা কৈছিল মোৰ অঞ্চলৰ বহু ঠাইত ইতিমধ্যে খোৱাপানীৰ পৰীক্ষা কৰা হৈছে আৰু খোৱাপানী ব্যৱহাৰ কৰা দমকল সমূহত লাল দাগ দিয়া হৈছে। যিহেতু মন্ত্ৰী মহোদয় আৰু বিভাগীয় বিষয়া সকল আছে আমি পৰীক্ষা কৰি গম পালো যে সেই দমকলৰ পানী খোৱাৰ অনুপযোগী। যিহেতু তাত ফ্ল'ৰাইড আছে, আৰ্চেনিক আছে। কিন্তু খোৱাৰ অনুপযোগী বুলি কৈ, মানুহৰ মাজত আতংক বিয়পাই দিয়াৰ নিচিনা হৈছে যেন মোৰ অনুভৱ হৈছে। কাৰণ আমি প্ৰতিকাৰৰ ব্যৱস্থা এতিয়ালৈকে কৰা নাই। যিহেতু তেখেতে আজি আমাৰ ইয়াত ধনৰ কাৰণে প্ৰস্তাৱ দিছে, সেয়েহে সজোৰে সদনত প্ৰস্তাৱ ৰাখিব বিচাৰিছো যে ধন আমাক অতিৰিক্তভাৱে দিব লাগে যাতে সেই আতংকিত গাওঁত আমি খোৱাপানীৰ ব্যৱস্থা কৰিব পাৰো। মই সেই প্ৰশ্নোত্তৰ কালতে মাননীয় মন্ত্ৰী মহোদয়ক জানিব দিছিলো যে মই সেইবিলাক অঞ্চলত নলবাৰীৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা আৰু JVM ৰ দ্বাৰা, Tata Trust ৰ দ্বাৰা তাত খোৱাপানীৰ ব্যৱহাৰ কৰাৰ কাৰণে কিছু সহায়ক হোৱাৰ কাৰণে যোগাযোগ কৰিছিলো আৰু ১৪ ফেব্ৰুৱাৰীত Tata Trust ৰ বিষয় ববীয়াসকল আহিছিল আৰু মই কথাটো জনাইছো যে মোৰ সমষ্টিৰ অতি সীমা মূৰীয়া আমাৰ বৰক্ষেত্ৰীৰ মাননীয় নাৰায়ণ ডেকা ডাঙৰীয়া আছে, তেওঁৰ ওচৰতে বৰীগাওঁত এটা Water ATM System প্ৰচলন কৰা হৈছে, য'ত সাত টকা দামত প্ৰতি বিশ লিটাৰ পানী নি মানুহে সেৱন কৰি আছে। ঠিক তেনেকুৱা দুটা Tata Trust ৰ জৰিয়তে মই পানীৰ ব্যৱস্থা কৰিবলৈ যোগাযোগ কৰি আছো। কিন্তু সেইটো এপ্ৰিল মাহতহে হ'ব। যদি মাননীয় অধ্যক্ষ মহোদয়ে তেখেতে কোৱাৰ দৰে তিনিটা আঁচনি অতি সোনকালে তাত ৰূপায়ণ কৰে আৰু Tata Trust ৰ দ্বাৰা দুটা ৰূপায়ণ কৰে তেনেহ'লে মই কিছু হ'লেও ৰাইজক সকাহ দিয়াৰ কাৰণে সুবিধা পাম। গতিকে মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় বা বিষয়াসকলক কথাটোত ক্ষীপ্ৰভাৱে আগবঢ়োৱাৰ কাৰণে এটা অনুৰোধ জনাইছো। মই বিশেষ আৰু নকওঁ. বিভিন্ন সময়ত বিভিন্ন বিষয়ত বিভিন্ন সদস্যই কৈছে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো যে আমাৰ বোৱতী পানী সংৰক্ষণ কৰি খোৱাৰ ব্যৱস্থা কৰাত যাতে কিছু আগভাগ লয়। মই ইতিমধ্যে বিভাগটোৰ বিষয়া সকলৰ লগত যোগাযোগ কৰোতে তেখে তসকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা স্কীম থকা বুলি কৈছে। কিন্তু এইটো

বৃহৎ পৰিমাণৰ হ'ব লাগে। য'ত আমি অকলে আগবঢ়াই লৈ যোৱাত অসুবিধা হয়। যদি তেখেতসকলে মোক এই বিষয়টোত সমৰ্থন কৰে তেনেহ'লে পাগলাদিয়া নদীখন মোৰ সমষ্টিৰ মাজেৰে গৈছে। তাত সেই পানীৰ দ্বাৰা সংৰক্ষিত কৰি নলবাৰীৰ মানুহখিনিক বিশুদ্ধ খোৱাপানীৰ যোগানধৰাৰ বাবে আমি যদি সহায় কৰিব পাৰো তেনেহ'লে নতুনকৈ চৰকাৰ গঠন কৰাত আমাৰ জনসাধাৰণে যি উৎসাহ লৈছিল, সেই উৎসাহ ঘূৰি আহিব। তেওঁলোককো আমি কিছু পৰিমাণে সহায় কৰাটো হ'ব। গতিকে এইখিনিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাই বিৰোধী পক্ষই সমৰ্থন কৰা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সকলোৰে ইমান সময় ল'লে ভাল হয়, যেনেকৈ তেওঁ লৈছে। এতিয়া নুৰুল হুদা ডাঙৰীয়া কওঁক.।

**শ্ৰী নুৰুল হুদা (ৰূপহী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত এই কৰ্তন প্ৰস্তাৱটোৰ সপক্ষে ক'বলৈ ওলাইছো। জনজীৱনৰ আটাইতকৈ অতি প্ৰয়োজনীয় উপাদান হ'ল পানী। “পানী মোৰ প্ৰাণৰো প্ৰাণ। পানী অবিহনে নাবাচে প্ৰাণ। পানী মোৰ আয়ুৰ সমান”। জনসাধাৰণৰ প্ৰয়োজনীয় অতিৰিক্ত খোৱাপানীৰ যোগান এতিয়াও অসমৰ গাওঁ অঞ্চলত সম্পূৰ্ণ হৈ উঠা নাই। যিবিলাক আঁচনি দিয়া হৈছে, সেই আঁচনিবোৰৰ মাজতো দেখা যায় আধা সংখ্যক আঁচনি বিদ্যুৎ চালিত পাম্পৰ দ্বাৰা চলে আৰু কিছু আঁচনি ডিজেল চালিত পাম্পৰ দ্বাৰা চলে। দেখা যায় যে যিবোৰ আঁচনি ভাল সেই আঁচনিবিলাকতো যিবিলাক ডিজেলৰ দ্বাৰা চলে ডিজেল যোগানৰ অভাৱত প্ৰায় সময়তে আঁচনিবোৰ বিকল হৈ থাকে। যিবিলাক আমাৰ বিদ্যুৎ চালিত পাম্প সেই বিলাকৰ ক্ষেত্ৰতো দেখা যায় প্ৰায় সমূহে বিদ্যুৎৰ বিল আদায় নকৰা বাবে বিদ্যুৎ বিভাগে বিদ্যুৎ যোগান বন্ধ কৰি দিয়াৰ বাবে পানী যোগানো বন্ধ হৈ থাকে। গতিকে এই ক্ষেত্ৰত যদি চৰকাৰে পদক্ষেপ নলয়, তেতিয়াহ'লৈ এই জনজীৱনৰ যিটো ডাঙৰ উপাদান পানী, এই পানীৰ পৰা মানুহ বঞ্চিত হ'ব। তেতিয়াহ'লে মানুহ জীয়াই থকাত সমস্যাৰ সৃষ্টি হ'ব। কিছুমান আঁচনি বিকল হৈ আছে ক্ষুদ্ৰ মেৰামতিৰ বাবে আৰু কিছুমান আঁচনি বিকল হৈ আছে বৃহৎ মেৰামতিৰ বাবে। সেয়েহে এটা মেচিন যেতিয়া ক্ষুদ্ৰভাৱে বেয়া হয়, লগে লগে সেই মেচিনটো মেৰামতি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া আমাৰ ইমানখিনি পানীৰ অভাৱ হৈ নাথাকে। গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই অৱগত ক ৰিব খুজিছো যে ডিজেল চালিত পাম্পত যাতে ডিজেলৰ অভাৱ নহয় আৰু বিদ্যুৎ চালিত পাম্পত যাতে বিদ্যুৎৰ বিল অনাদায়ৰবাবে যাতে আঁচনি বন্ধ হ'ব নালাগে। তাৰ ওপৰত যাতে দৃষ্টি ৰাখিব লাগে। কিছুমান আঁচনি ২০১৪-১৫ বৰ্ষত অনুমোদন হৈছে। ঠিকাদাৰে কাম আৰম্ভ কৰিছে। কিছুমান ছেংশ্যন কৰিছে, কাম আৰম্ভ কৰা নাই। কিছুমান কাম ৫০ শতাংশৰ পৰা ৮০ শতাংশ কাম কৰিছে কিন্তু ঠিকাদাৰ সকলক বিল নিদিয়াৰ বাবে কামবোৰ বন্ধ কৰি ৰাখিছে। আজি ছাৰ মোৰ নগাওঁ ডিভিজনৰ কথা উদাহৰণ দিব খুজিছো। নগাওঁ ডিভিজনৰ মুঠতে ২৪৩ টা আঁচনি আছে। তাৰ ভিতৰত ১৬২ টা আঁচনি কাৰ্য্যক্ষম হৈ আছে আৰু ৮১ টা আঁচনি বিকল হৈ আছে। কলিয়াবৰ Division ত ১৫৫ টা আঁচনি আছে, তাৰে মাত্ৰ কাৰ্য্যক্ষম হৈ আছে ৮৮ টা আঁচনি আৰু ৬৭ টা আঁচনিয়েই বিকল হৈ আছে। কলিয়াবৰত On-going আঁচনি আছে ২৫ টা। এই On-going আঁচনি সমূহ আজি দুবছৰ ধৰি দেখুৱায়ে আছে। গতিকে ঠিকাদাৰ সকলক যদি অৰ্থৰ যোগাৰ দিয়া নহয়, তেওঁলোকে কাম কৰিব কৰ পৰাহু যিহেতু চৰকাৰৰ এইটো Continue Process, অবহেলা নকৰি পূৰ্বৰ চৰকাৰে অনুমোদন দিয়া এই আঁচনি সমূহ আধৰুৱা অৱস্থাত

নাৰাখি সম্পূৰ্ণ কৰাৰ বাবে যিখিনি পৰ্য্যপ্ত পুঁজিৰ প্ৰয়োজন, সেই পুঁজি যাতে মোকলাই সেইবোৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰে তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, কিছুমাল আঁচনি এনেকুৱা আছে যে Distribution Pipe Line টো ৰাস্তা মেৰামতি কৰাৰ সময়ত বেয়া হৈছে নাইবা বানপানীয়ে খহাই লৈ গৈছে। কিন্তু Pipe Line টো লগে লগে মেৰামতি নকৰাৰ বাবে আঁচনি বিলাক বন্ধ হৈ থকা দেখা যায়। Pipe Line টো মেৰামতি কৰাৰ কাৰণে খালাচীৰ প্ৰয়োজন, কিন্তু খালাচী বিলাক নাই। খালাচী নথকাৰ কাৰণে Pipe Line বোৰ মেৰামতি কৰা নহয়, যাৰ বাবে মানুহে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হোৱা দেখা যায়। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে - খালী থকা খালাচীৰ পদসমূহ যাতে সোনকালে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। খোৱা পানীৰ অভাৱটো হ'ল এটা ডাঙৰ সমস্যা। পানীৰ পৰা মানুহৰ বিভিন্ন বেমাৰ আজাৰ হয়। বিদ্যালয়, মহাবিদ্যালয় আদিত আমাৰ মানৱ সম্পদ সৃষ্টি হয় কিন্তু এই বিদ্যালয়, মহাবিদ্যালয় সমূহত খোৱা পানীৰ সু-ব্যৱস্থা নথকাৰ বাবে বহু ছাত্ৰ-ছাত্ৰী বেমাৰ আজাৰত আক্ৰান্ত হোৱা দেখা যায়। শিক্ষাৰ কাৰণে এটা সুস্থ শৰীৰ আৰু এটা সুস্থ মন লাগে। আৰ্চেনিকযুক্ত পানী আৰু ফ্লৰাইডযুক্ত পানী সেৱন কৰি ছাত্ৰ-ছাত্ৰী সকলৰ শৰীৰ-মন ভালে নাথাকে, যাৰ ফলস্বৰূপে প্ৰতিভা থকা স্বত্বেও বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিব নোৱাৰে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক বিদ্যালয়, মহাবিদ্যালয় সমূহত খোৱা পানীৰ সু-ব্যৱস্থা অনতি পলমে কৰাৰ বাবে অনুৰোধ জনাইছোঁ। মানৱ সম্পদ সৃষ্টিত যদি বাধা হয়, তেতিয়াহলে আমাৰ অসম খনৰ নৱ-প্ৰজন্ম প্ৰগতিৰ পথত আগবাঢ়ি যাব নোৱাৰিব। সেয়েহে আমাৰ নৱ-প্ৰজন্মক উৎসাহিত কৰাৰ কাৰণে বিশুদ্ধ খোৱা পানীৰ যোগান বিদ্যালয় সমূহত অতি প্ৰয়োজন হৈ পৰিছে চাৰ। গতিকে এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি ৰাখিবৰ বাবে মই অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, আৰু কিছুমান সমস্যা আমাৰ গাওঁ অঞ্চল সমূহত আছে। গাওঁ অঞ্চলত বহুতো নলী-নাদ, যেনে- Mark-II, Mark-III,Tara Hand Pump, Ring-Well, Singur Hand Pump আদিৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু এইবিলাক সংযোজন কৰাৰ পিচত মেৰামতি কৰাৰ বাবে কোনো ব্যৱস্থা নথকাৰ বাবে 60%, 70% নলী-নাদ বিকল হৈ পৰি আছে। এই নলী-নাদ সমূহ সামান্য কিবা এটা বেয়া হোৱাৰ লগে লগেই যদি মেৰামতি কৰাৰ ব্যৱস্থা থাকিলেহেতেন তেতিয়াহলে মানুহে নিয়মিত ভাবে পানী যোগান লাভ কৰিবলৈ সক্ষ্যম হলহেতেন। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, দুখৰ বিষয় এই যে কেতিয়াবা বিদ্যালয়, মহাবিদ্যালয় সমূহত ব্যৱহাৰ হৈ থকা পাম্প যদি বেয়া হয় আৰু মেৰামতি কৰি দিয়াৰ কাৰণে কাৰ্য্যবাহী অভিযন্তাক যোগাযোগ কৰা হয় তেতিয়া তেখেত সকলে পুঁজিৰ অভাবৰ বাবে মেৰামতি কৰিব পৰা নাযাব বুলি উত্তৰ দিয়ে। গতিকে পুঁজি নথকাৰ বাবে লাখ বা কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা পানী যোগান আঁচনিসমূহৰ যন্ত্ৰসমূহ সামান্য 200-300 টকাৰ ব্যয় সাপেক্ষে মেৰামতিৰ অভাৱত বিকল হৈ পৰি আছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছে যে প্ৰতিটো Division ত এটা সুকীয়াকৈ পুঁজি দিব লাগে যাতে এই আঁচনি সমূহত যিবিলাকত ক্ষুদ্ৰ মেৰামতিৰ দৰকাৰ হয়, সেই বিলাকত যাতে লগে লগে কাৰ্য্যবাহী অভিযন্তা জনে মানুহ পঠিয়াই মেৰামতিৰ ব্যৱস্থা কৰে ।

মাননীয় অধ্যক্ষ মহোদয়, আৰু কিছুমান আঁচনি আছে যিবিলাক কাৰ্য্যক্ষম হৈ আছে, কিন্তু Operator ৰ অভাৱত আঁচনি সমূহ ব্যৱহাৰ কৰিব পৰা হোৱা নাই। কোনো কোনো অঞ্চলত 5/

6 খন আঁচনিৰ বিপৰীতে মাত্ৰ এজন Operator আছে, ফলত আঁচনি সমূহ বন্ধ হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে গ্ৰাম্যাঞ্চলত যিবোৰ Pump Operator ৰ পদ খালী হৈ আছে, সেই পদ সমূহ যাতে অনতি পলমে পূৰণ কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰি এই সমস্যাটোৰ স্থায়ী সমাধানৰ পথ উলিয়ায়।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছোঁ যে - আমাৰ যিবিলাক আঁচনি চলি আছে, এই আঁচনি বিলাকৰ কিছুমানত "Users Committee" আছে, কিন্তু কিছুমানত নাই। এই "Users' Committee" বিলাকক গুৰুত্ব নিদিয়াৰ কাৰণে তেওঁলোক অলপ আতৰি থাকে। যিবিলাক আঁচনিত সম্পূৰ্ণ Connection দিয়া হয়, সেই Connection ৰ পৰা পইছা এটা আহি থাকে। সামান্য Repairing Work থাকিলে "Users' Committee" য়ে নিজেই কিছুমান কাম কৰিব পাৰে। কিন্তু, সেই "Users' Committee" সকলো ঠাইতে নথকাৰ বাবে বা কৰ্মদক্ষ "Users Committee" নথকাৰ বাবে এই আঁচনি বিলাকৰ সৰু সুৰা Repairing ৰ কামৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। সেইবাবে মাননীয় মন্ত্ৰী মহোদয়ে যাতে "Users' Committee" সমূহ গঠনৰ ক্ষেত্ৰত দক্ষতাৰ ওপৰত গুৰুত্ব দি গঠন কৰিবলৈ পৰামৰ্শ দিয়ে, তাৰ বাবে মই অনুৰোধ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা আছে যে আমি যি ফ্লৰাইড, আৰ্চেনিক আৰু আইৰণযুক্ত পানী খাই আছোঁ, এই পানী চিনাক্ত কৰাৰ কাৰণে আমাৰ ইয়াত উপযুক্ত পৰীক্ষাগাৰৰ অভাৱ হৈছে। গতিকে ইয়াৰ বাবে পৰ্য্যাপ্ত পৰিমানৰ পৰীক্ষাগাৰৰ ব্যৱস্থা কৰিব লাগে, যাতে যিবোৰ পানীত ফ্লৰাইড, আৰ্চেনিক আৰু আইৰণমুক্ত পানী কৰিব পৰা যায়। এই বিষয়টোৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছোঁ। আমাৰ পৰীক্ষাগাৰৰ যথেষ্ট অভাৱ হৈ আছে। গতিকে পৰ্য্যাপ্ত পৰিমানৰ পৰীক্ষাগাৰৰ ব্যৱস্থা কৰিব লাগে। য'ত আঁচনি দিয়া হয়, য'ত দমকল দিয়া হয় সেই ঠাইৰ পানীখিনি লগে লগে পৰীক্ষা কৰি যদি ফ্ল'ৰাইড, আৰ্ছেনিক, আইৰন আদি আছে সেইখিনি মুক্ত কৰাৰ বাবে যথেষ্ট পৰিমাণৰ পৰীক্ষাগাৰ যাতে নিৰ্মাণৰ ব্যৱস্থা কৰা হয়, তাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ আৰু এটা কথা আমাৰ হোটেলসমূহত নলী নাদৰ পৰা পানী উঠাই খুৱাই থকাৰ ব্যৱস্থা কৰিছে। বহু ক্ষেত্ৰত দেখা যায় Un-hygienic ঠাইৰ পানী মানুহক খুবাই আছে। গতিকে যিবিলাক হোটেলে নলী নাদৰ পানী ব্যৱহাৰ কৰে, সেই হোটেলবিলাকক পানী বিশুদ্ধ কৰাৰ বাবে যাতে ফিল্টাৰ ৰাখিবলৈ বাধ্যতামূলক কৰা হয় তাৰ বাবে মই দাবী উত্থাপন কৰিছোঁ। যিহেতু বিশুদ্ধ খোৱা পানীৰ লগত সুস্থ জীৱনৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। গতিকে সকলো মানুহকে যাতে বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হয় তাৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটিৰ সপক্ষে বক্তব্য ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ....... বীৰ ভদ্ৰ হাগজেৰ ।

**Shri Birbhadra Hagzer:** Hon'ble Speaker Sir, I stand here to speak against the motion that has been brought to curtail the allocation on Grant No. 30 relating to Public Health Engineering Department. To begin that I find it very surprising that motion has been brought at all alone curtailing it. As my hon'ble friend Dr. Mandal has stated that amongst the three elements water is No. two element which is abso-

lutely essential for existence of human being. Let me just modify whatever he has quoted. He said that after forty eight hours a person cannot live if water is not given to him. I will just modify it, and say that for forty eight hours a person can exist, can live without food but if water is given then he can exist. As a matter of fact Hon'ble Speaker Sir, I would suggest for increasing the allocation because it is vital to our existence, to our health, to our well being and the Departmentally Related Standing Committee also in its recommendations they have aptly and rightly has given the recommendations in that direction.

Hon'ble Speaker Sir, I will note the time constraint. I will confine my submission very briefly in ten minutes and mostly it will be related to my Constituency though I will speak a few words on the existing condition of the valleys and the plains as well. Sir, thanks to you that on 28th of February we had the opportunity to see a certain presentation in the Sustainable Development Goals and also could hear certain information put in that.Thanks to you for the knowledge that we have gained on what is likely to happen in future. But this knowledge is also putting us in a deep sort of worry,disturbing, disconcerting as to what will happen in the next thirty to forty years.

Many of us here will not be alive by then but some of us here will be alive. But in Dima Hasao district and Karbi Anglong district where water supply is totally dependent on streams,small rivulet and rivers. The predicament in the future is looming large and if we don't take conservation measures now then by thirty to forty years all the streams,rivers will dry up and all the works that has been done so far will may absolutely be useless. Sir, I myself is a witness. I have seen so many water schemes in the villages i.e now defunct,not working because these streams are dried up. The source where water is tapped is dried up, and i.e all by gravity. In the winter the rivers,the streams reduce to just trickle which almost renders the water supply system but not worthy. So, my submission is that the Public Health Engineering department should also take up conservation measures in addition to what the Soil Conservation Department and the Environment Department is doing. At least to the extent that from variable the places water is being tapped these places

should be protected and the green coverage of the forest whatever you describe it that should be maintained properly.Otherwise the streams and the rivers are about to dry up. It is drying up and this process is continuing. This is a worry for the Hill districts. This I am not just imagining , I have seen that this will be happening in next thirty to forty years.

For the Hill districts we are dependent on such sources where no undergrounnd reservation and no well can be made. For the people living in these two districts that is the only way out. But, for people, living in the plains, in the valleys things are slightly different. But for them also do not let them think that water supply is limitless or it will not exhaust in due course of time. The ground water levels are shrinking but of course the rivers from the hills flow into the rivers which again flows to the valleys, to the rivers in the Bhutan, Arunachal Pradesh, Nagaland, Manipur and Mizoram will not go dry.

The rivers in Bhutan, Arunachal Pradesh, Nagaland, Manipur & Mizoram will not go dry. Water Supply in the valley has short, but there is another dimension to it and that is contamination which many of the Hon'ble Members ahead of me that have spoken very eloquently. So, I do not want to repeat those. In Karbi Anglong district, we all know, several question came up not only in this Session but also in earlier Sessions regarding the existence of arsenic and floride. This will not be confined only to Karbi Anglong but to other districts as well as. So, this is going to be more acute when the water reserves will dry up in the plains also. Because the surface water is there but the surface water is getting more and more contaminated that adds to the problem of water supply which we are facing. So, we have the knowledge that this is going to happen. We just cannot sit back and be complacent about it. We have to take drastic measures on this and I will request the Hon'ble Minister, PHE through your Hon'ble Chair that the conservation aspect of the sources of the rivers in the hills that needs to be addressed or that needs to be taken care of so that in future the sources do not dry up and then we have to face that difficulty.

Sir, I would like to thank you for giving me this opportunity and as I have said that I will not take more time then necessary. This is the two point which I wanted to raise, one is specifically related to the

Hill districts the other to the plain where of course water assurance is there but, then the other problem of contamination is there. So, that needs to be addressed and it has to be addressed now so that in future our water supply is assured in a proper way as it should be and I thank you and I hope that the Hon'ble Friends who have moved the Cut Motion and that they should vote for the proposal as already has been suggested by the Finance Minister.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ভূৰন পেগু।

**শ্ৰী ভূৰন পেগু, জোনাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, grant no. 30, ইয়াতে আপোনাৰ Water Supply and Sanitation ৰ যিটো কৰ্তন প্ৰস্তাৱ বিৰোধী দলে আনিছে । ইয়াত যদি চোৱা যায়, ২৬৬১.৮৪ কোটি টকা grant ত চৰকাৰে বিচাৰিছে। তাৰে revenue account ৬০৪ কোটি টকা বিচাৰিছে, কিন্তু major পইচাটো বিচাৰিছে capital account ত, য'ত নেকি আমাৰ উন্নতি হ'ব, য'ত আমি invest কৰিম বা Water Supply scheme বোৰ হ'ব। তাত অধ্যক্ষ মহোদয়, ২০৫৭.৫১ কোটি টকা বিচাৰিছে। তাৰ মানে major অংশ, আমাৰ গাঁও বোৰত নতুন নতুন আঁচনি ধৰাৰ কাৰণে বা পুৰণা আঁচনি মেৰামতি কৰাৰ কাৰণে এই টকাটো বিচাৰিছে। যিটো পৰিমাণত অসমত Water Supply বা Sanitation ৰ কাম কৰাৰ প্ৰয়োজন বুলি ভাৰো এই টকাটো কম, নিয়মমতে আৰু লাগে। গতিকে বিৰোধী পক্ষই এই টকাটো আৰু বঢ়াব লাগে বুলি হে প্ৰস্তাৱ আনিব লাগিছিল। ইয়াক কৰ্তন কৰাৰ কাৰণে প্ৰস্তাৱ অনাটো অলপ অন্যায় হৈছে বুলি ভাৰো। অধ্যক্ষ মহোদয়, আপোনাৰ initiative ত আমাৰ বিধান সভাৰ সভাকক্ষত Sustainable Development Goal সম্পৰ্কে এলানি আলোচনা হৈছিল। তাত United Nations ও এইটো identify কৰিছে। SDG ৰ ১৭ টা goals ৰ ভিতৰত water and sanitation টো ৬ নং Goal ত আহিছে। SDG ৰ agenda ত এইটো পৃথিৱীজোৰা মানুহে চিনাক্ত কৰিছে। গতিকে ইয়াতে ইমান সুন্দৰভাৱে কৈছে যদি water and sanitation ঠিক কৰা নহয়। মানুহৰ স্বাস্থ্যটো ঠিক নহ'ব। আৰু মানুহৰ স্বাস্থ্য যদি ঠিক নহয় তেনেহ'লে মানুহৰ উৎপাদনশীলতাতো কমি যাব। গতিকে দেশ উন্নয়ন তেতিয়াহে হ'ব যেতিয়া human resource বোৰ productive হয়। দেশ যদি আগুৱাই যাব লাগে, তেনেহ'লে water and sanitation ৰ ওপৰত গুৰুত্ব দিব লাগিব বুলি মই ভাৰো। ২০১৫ চনত NDA Govt অহাৰ পিছত ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দায়িত্বভাৰ লৈছিল আৰু তাৰ পিছৰে পৰা তেওঁ বিভিন্ন লক্ষ্য সন্মুখত ৰাখি বিভিন্ন ৰাষ্ট্ৰ ভ্ৰমণলৈ গৈছিল। তেতিয়া তেওঁ ভাৰতৰ Sanitation ব্যৱস্থাৰ ওপৰত ভাষণ প্ৰদান কৰিছিল। তেতিয়া তেখেতক সকলোৱে সমালোচনা কৰিছিল যে সাধাৰণ Sanitation ৰ কথাটো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱা বাবে। এই সম্পৰ্কে এক ডাঙৰ বিতৰ্কৰ সৃষ্টি হৈছিল। কিন্তু যেতিয়া পৃথিৱীজোৰা বিতৰ্ক হৈছে খুব অৰ্থনীতিক বুজি পোৱা, পলিচি বুজি পোৱা মানুহখিনিয়ে এই SDG ৰ কথাটো ২০১৫ চনত New York ত অধিবেশনত ১৯৩ দেশে একেলগে মিলি সিদ্ধান্ত লৈছিল, তেতিয়া এই বস্তুটো প্ৰমান হৈছে যে আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ vision টো কিমান দূৰদৰ্শী আছিল। য'ত United Nations ৰ ১৯৩ দেশে একেলগে মিলি সিদ্ধান্ত ল'ব লগীয়া হ'ল, এই বিষয়টো লৈ আৰু ইয়াত অকল লেট্ৰিন বনোৱাৰ কথা কোৱা নাই। ইয়াত স্পষ্টকৈ কৈছে যে বাহিৰত শৌচ - প্ৰসাৰ কৰাটো বন্ধ কৰিব লাগে। তাৰ কাৰণে

behaviour change কৰিব লাগিব। মানুহৰ চিন্তাৰ পৰিবৰ্তন ঘটাব লাগিব। অকল লেট্ৰিন বনাই দিলে নহ'ব। গাওঁত গৈ এটা structure বনাই দিলে নহ'ব। মানুহৰ behaviour change ৰ দৰকাৰ হ'ব। গতিকে ৰাষ্ট্ৰৰ মূৰব্বী জনে যদি behaviour change চিন্তা নকৰে, তেতিয়াহ'লে কোনে কৰিব। আৰু যিটো কাম ভাৰত স্বাধীন হোৱাৰ ৭০ বছৰৰ মূৰত ৰাষ্ট্ৰ এখনৰ প্ৰধানমন্ত্ৰী জনে লেট্ৰিন বনাব লাগে বুলি কৈ থাকিব লাগে, এইটো কিমান দূৰ্ভাগ্যজনক কথা বুলি ভাৰিছিলো এটা সময়ত। যিটো কাম কংগ্ৰেছ চৰকাৰে ইমান বছৰ শাসনভাৰ চলাইও মানুহক ভালকৈ লেট্ৰিন ব্যৱহাৰ কৰা শিকাব নোৱাৰিলে। গতিকে সেইটো স্বাভাৱিক কথা তেখেতসকলে কৰ্তন প্ৰস্তাৱ নানি কি কৰিব। structure তো আগৰ পৰা বনাই আছে, কিন্তু ব্যৱহাৰ কৰা শিকাব পৰা নাই। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেকটো ষ্টেজত 'মন কি বাত'ৰ পৰা আৰম্ভ কৰি টি ভি, বিদেশত গৈ ভাষণৰ পৰা আৰম্ভ কৰি সকলোতে ক'বলগীয়া হৈছে, মানুহৰ behaviour change ৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে আমাৰ প্ৰধানমন্ত্ৰীয়ে। এই কথাটো কংগ্ৰেছে ৭০ বছৰ ধৰি অনুভৱ কৰিব নোৱাৰিলে। That is their failure. এটা সামাজিক চিন্তাৰ পৰিবৰ্তন। এইটো কথা আমাৰ প্ৰধানমন্ত্ৰীয়ে অনুভৱ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, United Nations এ কি চিন্তা কৰিছে, এই কথাটো বুজাব লাগিব, United Nations এ সাধাৰণ কথাক লৈ ২০০ তাতকৈ অধিক ঠাইত বহিব নেকি? এইটো সাধাৰণ কথা নহয়, আমাৰ গাওঁৰ মানুহক বুজাব লাগিব যে এইটো সাধাৰণ কথা নহয়। এইটো আমাৰ Health ৰ লগত জড়িত, ৰাষ্ট্ৰ আগুৱাই যোৱা বিষয়টোৰ লগত জড়িত। Productivity, Human Resource ৰ লগত জড়িত মানৱ সম্পদৰ Productivity ৰ লগত জড়িত এই কথাটো বুজাব লাগিব। এই ১২ হাজাৰ টকীয়া Latrine বনোৱাৰ কথা নহয়, এইটো ব্যৱহাৰ কৰাৰ কথা। অধ্যক্ষ মহোদয়, আৰু এই কথাটো কংগ্ৰেছ দলে নুবুজাৰ বাবে ১৫ বছৰ সুযোগ পোৱাৰ পিছতো আমাৰ অসমত এই পৰিবৰ্তনটো আনিব নোৱাৰাৰ কাৰণে জনগণই পৰিবৰ্তন আনিছে আমাৰ অসমৰ ভিতৰত, কংগ্ৰেছ চৰকাৰক পৰিবৰ্তন কৰি নতুন চৰকাৰ অনাৰ কাৰণে

**মাননীয় অধ্যক্ষ** ঃ নেলাগে এইবোৰ কথা আনিবলৈ, Please Continue.

**শ্ৰী ভূৰন পেগু (মাননীয় বিধায়ক, জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলৰ গাত কিয় ইমান লাগিব লাগে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় বিধায়ক, পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Latrine বনোৱাৰ কথাটো নহয়, কথাটো হৈছে, Behaviour ৰ ।

**মাননীয় অধ্যক্ষ** ঃ Please, come to the next point.

**শ্ৰী ভূৰন পেগু (মাননীয় বিধায়ক, জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আমাৰ চৰকাৰে অনুভৱ কৰিছে, আৰু এই কথাটো অনুভৱ কৰি অকল এটা Latrine জাতিয় Structure নহয়, চিন্তাৰ পৰিবৰ্তনৰ কথা চিন্তা কৰাৰ কাৰণে এটা সৎ Behavioural change কৰাৰ কাৰণে আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত সৌ সিদিনা Initiative লোৱাৰ কাৰণে মই আজি এই সদনৰ মজিয়াত ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, Drinking water supply যি Scheme এতিয়া আমাৰ ইয়াত লব, মন্ত্ৰী মহোদয়, ইয়াত আপোনাৰ মাধ্যমেৰে মই অনুৰোধ জনাব বিচাৰিছো, আমাৰ PHE Department টোত অলপ পৰিবৰ্তন ঘটাব লাগিব। কিয়নো ১৫বছৰত PHE Department ত এই আপোনাৰ কংগ্ৰেছী Culture টো সোমাই গৈছে অধ্যক্ষ মহোদয়, তাৰ কেনেকৈ সৎ ব্যৱহাৰ কৰা যায়

ইয়াৰ এটা Behavioural change জনগণৰ মাজত প্ৰয়োজন, তেনেকৈ PHE Department টো প্ৰয়োজন।

**মাননীয় অধ্যক্ষ** ঃ Please, be silent. I think time is running and you are argue like this, nothing will happen. Please, make the point, so that Minister can go for reply.

**শ্ৰী ভূৰন পেগু (মাননীয় বিধায়ক, জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে আমাৰ অঞ্চল বোৰত যিখিনি PHE Scheme চলি আছে, তাৰে বেছি ভাগ Defunct। অলপ আগতে দুজন মানে কৈছে, Diesel, Electricity আদিৰ অসুবিধাৰ কাৰণে এই Scheme বোৰ ভালকৈ কাৰ্য্যকাৰী কৰিব পৰা হোৱা নাই। কিন্তু অধ্যক্ষ মহোদয়, এতিয়া বহুটো নতুন Technology আহিছে, Efficient Technology আহিছে আৰু এতিয়া Solar System Technology ও আহিছে। যদি এতিয়া আমি দিনত যিহেতু আজিকালি Sensor base System আছে, ৰাতিপুৱা পোহৰ হোৱাৰ লগে লগে Solar base system টো নিজে নিজে চলা আৰম্ভ হব আৰু সন্ধিয়া হোৱাৰ লগে লগে নিজে নিজে Off হৈ যাব। সেয়েহে আমি দিনটো পানী Free টে পাই থাকিম আৰু এই Technology টোৰ লগতে আৰু অলপ বেলেগ ধৰণৰ Technology কিছুমান যিবোৰক কোৱা হয় Innovative Technology এইবোৰ Implement কৰিলে নিশ্চয় ৰাইজে সুফল পাব।

**মাননীয় অধ্যক্ষ** ঃ আজি আপোনাক মই আৰু বেছি Time দিব নোৱাৰিম যদি আপুনি যোৱাকালিয়ে মোক Slip দিলে হেতেন তেতিয়া মই আপোনাক আগতে বক্তব্য ৰাখিব দিব পাৰিলো হেতেন। কিন্তু এতিয়া আপুনি যিহেতু You are Independent Member সেয়েহে আপোনাক মই এইখিনি সুযোগ দিছো But I am sorry, I am not be able to give you much time.

**শ্ৰী ভূৰন পেগু (মাননীয় বিধায়ক, জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাম আমাৰ যিহেতু ২হাজাৰ কোটি টকাতকৈ অধিক টকা আছে, সেয়েহে আমি PHE Department ৰ অকল Technology টোৰ ওপৰত Involve নহৈ আমি বিচাৰো অলপ Private Consultancy, গোটেই পৃথিৱীৰ অলপ ভাল ভাল Technology যদি আমি আমাৰ গ্ৰাম্য অঞ্চলত ব্যৱহাৰ কৰাৰ লগতে Efficient Technology, Solar Power Technology ইত্যাদি ব্যৱহাৰ কৰি যদি Water Supply Scheme টো গ্ৰাম্যাঞ্চলত, ভিতৰুৱা অঞ্চল বোৰলৈ লৈ যাব পাৰো তেতিয়া হলে এইটো খুব ভাল হব, সেই কাৰণে মই এই বস্তুখিনি কাৰ্য্যকৰী কৰাৰ বাবে অনুৰোধ জনাই মানে অলপ Private Consultancy, বাহিৰৰ পৰাও Consultancy আনি মানে অকল পুৰণা Mike Set ৰে কাম নকৰি নতুন অলপ Technology ব্যৱহাৰ কৰি আমি গ্ৰাম্য অঞ্চলত পানী যোগান আঁচনিটো আৰু ক্ষিপ্ৰতৰ কৰাৰ কাৰণে আমাৰ যিটো Sustainable Development Goal ৰ ভিতৰত ২০৩০ চনৰ ভিতৰত আমি Complete কৰিব পাৰো নেকি সেই কথাটো অলপ লক্ষ্য ৰাখি মন্ত্ৰী ডাঙৰীয়াই যেন বাহিৰৰ Technological group বোৰক Involve কৰিব বুলি আশা ৰাখি আৰু পুনৰ বাৰ বিৰোধী পক্ষক কৰ্তন প্ৰস্তাৱৰ পইচা কটাৰ কথা নকৈ পইচা Double কৰিব লাগে বুলি অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। This is a system of discussion. Cut Motion

আহিবই, Economic cut ইত্যাদি বিভিন্ন কথা আহে। গতিকে এইটোক লৈ ইমান হৈ হাল্লা নকৰায়ে ভাল, মই আগতেও কৈছো একেতা কথা। এতিয়া আমাৰ যিহেতু Time হৈ গল গতিকে

মই শ্ৰী শ্বেৰমান আলীক Request কৰিম তেখেতে আজি নালাগে, আজি শ্ৰীমতী নন্দিতা দাসৰ দুটা Points আছে, তাৰ আগতে মই এজন সদস্যৰ নাম লৈছিলো, তেখেত হল শ্ৰী কুশল দেউৰী, মই আপোনাক বেছি সময় দিব নোৱাৰো যিখিনি পাৰে কমকৈ কওঁক তাৰ পিছত শ্ৰী মতী নন্দিতা দাসে দুটা Points দিব তাৰ পিছত মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী কুশল দেউৰী (মাননীয় বিধায়ক, থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ PHED Grant number 10 ৰ ওপৰত বিৰোধীয়ে যি Cut Motion আনিছে, তাৰ বিৰোধীতা কৰি আমাৰ Grant ৰ সমৰ্থনত মই দুটা মান দিশৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ সতীৰ্থ বিধায়ক সকলে বিভিন্ন দিশৰ কথাখিনি কৈছে, মই তাতে কেইটামান কথা যোগ দিব বিচাৰিছো। আমি দেখিছো যে অসমত খোৱা পানীৰ যিটো প্ৰতিছবি এই কথাটো আমি নিজে প্ৰত্যক্ষ কৰিছো আৰু বিভিন্ন জনৰ লগত যেতিয়া আমি এই সমস্যাৰ বিষয়ে কথা পাতিছো বা আমাৰ দূৰ দৰ্শনৰ জৰিয়তে ও কিছুমান কথা প্ৰত্যক্ষ কৰিছো। কোনোৱা অঞ্চলত যদি আমাৰ জনসাধাৰণে নলা-নৰ্দমাৰ পানী খাব লগীয়া হৈছে আৰু কৰোৱাত গাত খান্দি তাৰ পৰা পানী উঠাব লগীয়া অৱস্থাটো চলি আছে। ঠিক তেনেধৰণে আমাৰ Rural Area ত যিখিনি সমস্যা আছে সেই একে সমানে Urban Area টো তেনেকুৱা সমস্যা আমি দেখা পাইছো আমাৰ খোৱা পানীৰ ওপৰত। আমাৰ পাহাৰ-ভৈয়াম সকলোতে আৰু আমাৰ পাহাৰ অঞ্চল বিলাকতো এই খোৱা পানীক লৈ যথেষ্ট সমস্যা আছে। সেই কাৰণে মই বিৰোধীয়ে যিটো Cut Motion আনিছে, তাৰ বিৰোধীতা কৰি আৰু এই বিভাগটোত বেছিকৈ Fund ৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী সদস্য সকলে Cut Motion ত যি কেইটা বিষয়ৰ ওপৰত কৈছে, প্ৰথমে আৰম্ভ কৰিছে আমাৰ সতীৰ্থ বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই। আমাৰ চৰকাৰক ২টা বৰ্ষত তেখেতৰ সমষ্টিতে প্ৰায় ১৬টা Scheme Defunct হোৱাৰ কথাটো তেখেতে কৈছে। আমি দেখিছো যে অকল তেওঁৰ সমষ্টিতে নহয় আজি আমাৰ গোটেই অসমৰ প্ৰতিটো সমষ্টিতে তেনেকুৱা বহু Defunct Scheme আছে। কাৰণ এই বিলাক আচলতে আমি আমাৰ বিধান সভাৰ প্ৰথম অধিৱেশনতে আমি পৈতৃক সম্পত্তি হিচাবে আমি লাভ কৰিছিলো । য'ত নেকি আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে এখন White paper ও প্ৰথম বিধান সভাত দাখিল কৰিছিলে । তাত হয়টো আমাৰ এই PHE বিভাগৰো কিছু আমি পৈতৃক সম্পত্তি হিচাবে লাভ কৰিছিলো। গতিকে এইটো ২বছৰত হোৱা কিবা এটা System নহয়। যিটো আগৰ চৰকাৰৰ কিছু ভুল Policy ৰ কাৰণে আমাৰ আজি এই Scheme বিলাক Defucnt হৈ আছে। অধ্যক্ষ মহোদয়, আমি দেখিছো যে আমাৰ Maximum সমষ্টি বিলাকত আমাৰ Scheme আছে, সেই সময়ৰ চৰকাৰে এটা Policy কৰিছিলে যে Scheme টো চৰকাৰে বনাই দিব আৰু তাক পৰিচালনাৰ বাবে তাত এখন তদাৰক কমিটি বা Users Committee থাকিব। Users Committee খন কিন্তু আজি আমাৰ প্ৰায় বিলাক Scheme ৰ ক্ষেত্ৰতে হৈ নুঠিলে আৰু এইটো Aware কৰাৰ ক্ষেত্ৰত কিমানখিনি সেই সময়ৰ চৰকাৰে গুৰুত্ব দিলে সেই কথাটো আজি আমি চিন্তা কৰিব লগীয়া হৈছে। আৰু মোৰ সমষ্টিতে কিছুমান ঠাইত যাওঁতে দেখিছো যেনেকৈ আমাৰ শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াৰ সমষ্টিত যাওঁতে তেওঁক যেনেকৈ পানী দিছিলে মোৰ সমষ্টিতো এটা Scheme আছে, পানী দিহিং

অঞ্চলৰ উদয়পুৰ Scheme টোলৈ মই যাওঁতে তাৰ এগৰাকী মহিলাই মোক এবাল্টি পানী আনি দিছিল আৰু যেতিয়া সেই পানীখিনি মই চালো তেতিয়া মই দেখা পালো সেই পানীখিনি সম্পূৰ্ণ ৰূপে আইৰণ যুক্ত।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সময় কম কাৰণে আপুনি discriptive নহয় suggestion কেইটা দিলে ভাল হ'ব আজি, পিছত কেতিয়াবা আকৌ কব পাৰিব।

**শ্ৰী কুশল দুৱৰী ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো আনিছো অলপ ক'বৰ কাৰণে যে আমাৰ কিছুমান ঠাইত পানী আছে, আমাৰ প্ৰায়বিলাক সদস্যই কৈছে যে আইৰণযুক্ত পানী আছে, Arsenic আৰু Floride যুক্ত পানী আছে, আমাৰ উজনি অসমৰ পানীৰ ক্ষেত্ৰত বিশেষভাৱে আইৰণ বেছি। য'ত মানুহগৰাকীয়ে পানী বাল্টিটো আনিছে তাত সম্পূৰ্ণৰূপে পানীখিনিত আইৰণ। খাব নালাগে, দেখিয়েই পানীৰ ৰঙতে গম পোৱা যায় যে আইৰণ আছে। তাৰ পাছত যেতিয়া আমি আঁচনিলৈ গৈছো, আঁচনিখন যি জন মানুহে operate কৰি আছে তেওঁক যেতিয়া সুধিছো কিয় তোমালোকে পানীখিনি ফিল্টাৰ কৰা নাই, তেতিয়া তেওঁ কৈছে যে এইখিনি যে পানী দিছো, কাৰণ মোক যিদিনাখনৰ পৰা নিযুক্তি দিয়া হৈছে সেইদিনাখনৰ পৰা মই আজিলৈকে পাৰিতোষিকৰ নামত একো পোৱা নাই। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছোঁ যোৱা চৰকাৰৰ দিনত যিখন আঁচনি লোৱা হৈছিল সেই আঁচনিখন সলনি কৰি আমাৰ চৰকাৰে, সেই আঁচনি বিলাকত এজন এজন Operator নিয়োগ কৰাৰ ব্যৱস্থাটো কৰিব পাৰে নেকি? বিশেষভাৱে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এটা বিভাগক আগুৱাই লৈ যাবলৈ হ'লে আমাক টো Fund লাগিবই, লগতে ইয়াক implement কৰাৰ ক্ষেত্ৰত আমাৰ যিখিনি বিষয়া কৰ্মচাৰী থাকিব লাগে, এই বিষয়া কৰ্মচাৰীখিনি আছেনে নাই, এই কথাটো চাব লাগিব। আমি জনা মতে আমাৰ কনিষ্ঠ অভিযন্তা বহুত বিভাগত কম আছে, সহকাৰী অভিযন্তা কম আছে, তেনেকুৱা ধৰণে বহু পুৰণা আঁচনিতো যিসকল চৰকাৰী ভাৱে নিয়োগ কৰা আছিল, চতুৰ্থ শ্ৰেণীৰ বা Operator, সেই Operator খিনিও পৰৱৰ্তী পৰ্য্যায়ত, বহু দিন ধৰি নিয়োগ কৰা হোৱা নাই। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো এই কেইটা বিষয়ৰ ওপৰত, আমাৰ বিভাগটো যিহেতু জনসাধাৰণৰ লগত জড়িত। কাৰণ ইয়াৰ পৰা আন বিভাগত, যেনেকৈ আমাৰ বিদ্যুৎ বিভাগ আছে তাৰ পৰা কিছু আয় হয়, কিন্তু এই বিভাগৰ পৰা আয় নহয়। আমাৰ চৰকাৰৰ ফালৰ পৰাই এই সহায়খিনি কৰিব লাগিব আৰু আমাৰ প্ৰত্যেক জন বিধায়কে কথাখিনি কৈছে, যে আমাৰ বিভাগটো চলোৱাৰ ক্ষেত্ৰত এটা কথা আছে আমাৰ বিদ্যুৎ ৰ মাচুল যিটো বহন কৰিব লাগে, বৰ্তমানো আমাৰ প্ৰতিখন জিলাই বহু কোটি টকাৰ মাচুল পৰিশোধ কৰিব আছে। এবাৰ কৰ্তন হোৱাৰ পিছত আমি বাৰংবাৰ বিদ্যুৎ বিভাগক অনুৰোধ কৰো। আগৰ মাচুল নিদিয়ালৈকে তেওঁলোকে পুনৰ আমাক সংযোগ নিদিয়ে, গতিকে এই দিশটো চাবৰ কাৰণে অনুৰোধ জনাই বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধীতা কৰিছো আৰু আমাৰ এই Fundআৰু বৃদ্ধি কৰিব লাগে বুলিহে মই অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, নন্দিতা দাস। এতিয়া একেবাৰে শেষৰ point দুটা। মই ৭ মিনিট সময় দিছোঁ। শ্বেৰমান আলী আহমেদ আজি নাই নালাগে, কাইলৈ আলোচনা আছে নহয়, কাইলৈও কৰিব পাৰিব, আজিলৈ নালাগে আৰু। আধাঘন্টা যদি মই মন্ত্ৰীক নিদিও উত্তৰ দিবলৈ কেনেকৈ হ'ব। This is not the way. কালি আপোনাক প্ৰথমটো cut motion, যিসকলে প্ৰথম

cut motion ত ক'ব নোৱাৰিলে মই তেওঁলোকক অলপ prefer কৰিলোঁ, আপোনাৰ নামটো লিষ্টত নাছিল, মই তথাপি দিছো নন্দিতা দাসক। Please kindly here with me.

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি ডাক্তৰৰ লগত কথা পাতি গম পাওঁ যে মানুহৰ ৭০ শতাংশ বেমাৰ বিশুদ্ধ খোৱা পানীৰ অভাৱত হয়। এই ক্ষেত্ৰত মই দুটামান point হে দিব বিচাৰিছোঁ। মোৰ আগৰ সন্মানীয় সদস্যই কৈ গৈছে, স্কুল বোৰত বিশুদ্ধ খোৱা পানীৰ অভাৱ আছে। পানী আছে দমকল আছে বা কুঁৱা আছে, কিন্তু বিশুদ্ধ খোৱা পানীৰ অভাৱ আছে। সেইবাবে আমি এই স্কুলবোৰত PHE ৰ জৰিয়তে যদি খোৱা পানীৰ ব্যৱস্থাৰ কথা ক'বলৈ যাওঁ বা শৌচাগাৰৰ কথা ক'বলৈ যাওঁ, তেতিয়া তেওঁলোকৰ পৰা উত্তৰ আহে যে RMS য়ে বা SSA য়ে এইটো কাম কৰে। PHE য়ে direct এইটো কাম নকৰে। কিন্তু মই ভাৱো এইটোৰ খুব প্ৰয়োজন আছে। কাৰণ যিখিনি RMS য়ে বা SSA য়ে শৌচাগাৰ বা খোৱাপানীৰ ব্যৱস্থা কৰিছে সেইখিনি sufficient নহয়। কাৰণ High school, primarey school বা Higher Secondary স্কুল বিলাকত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বেছি। ৭০০-৮০০ ছাত্ৰ-ছাত্ৰী আছে য'ত এটা বা দুটা শৌচাগাৰ আছে। তাতে তেওঁলোকৰ বাবে এই সুবিধা sufficient নহয়। মই ভাৱো যে PHE য়ে এই শৌচাগাৰ বা খোৱাপানীৰ ব্যৱস্থাখিনি স্কুলবিলাকত কৰাৰ সুবিধাটো কৰিব লাগে। লগতে মই অনুৰোধ কৰিব বিচাৰিছো যে Matric আৰু Higher Secondary ৰ পৰীক্ষাৰ সময়ত লৰা-ছোৱালীৰ খোৱা পানীৰ বাবে বহুত হাহাকাৰ কৰিবলগীয়া হয়। তেওঁলোকে এখন স্কুলৰ পৰীক্ষা কেন্দ্ৰত নতুনকৈ যায়, তেতিয়া ক'ত পানী আছে, কি আছে তেওঁলোকে নাজানে। তেওঁলোকৰ সেই খেলিমেলি আমাৰ দৃষ্টিগোচৰ হৈছে। কিন্তু মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে Matric আৰু Higher Secondary ৰ পৰীক্ষাৰ সময়ত যাতে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থাটো বিভাগে কৰে। লগতে girls toilet ৰ খুবেই প্ৰয়োজন। আমি আঁচনি বহুত ধৰিছো আমাৰ বিধায়ক পুঁজিৰ পৰা। কিন্তু সেইখিনিয়ে sufficient নহয়। Girls toilet with water facilities এই আঁচনিটো PHE য়ে ল'ব লাগে। লগতে মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছোঁ যে Community Toilet, যিবিলাক বজাৰ-হাট আছে আৰু বাছ আস্থান আছে সেইবিলাকত ৰাইজৰ খুব অসুবিধা হয়। সেইবাবে Community Toilet টো যাতে বেছি দিব পাৰে সেইটো ব্যৱস্থা কৰিব লাগে। লগতে অধ্যক্ষ মহোদয়, কব বিচাৰিছো যে SBM hills Area বিলাকত আমি কৰিব পৰা নাই। কাৰণ তাতে যিটো Communication ৰ খৰচ, সেইটো SBM ৰ ১২ হাজাৰ টকাৰে একো কৰিব নোখোজে, যিসকল NGO য়ে এইবিলাক কাম কৰে তাৰ পইচা বঢ়াব লাগিব, তেতিয়াহে সেই অঞ্চলবিলাকত SBM ৰ কামটো কৰিব পৰা যাব। লগতে অধ্যক্ষ মহোদয়, ক'ব বিচাৰিছো যে আমাৰ স্বচ্ছ ভাৰতৰ ক্ষেত্ৰত যিহেতু বিজেপি চৰকাৰ খনে এইটো এটা এজেণ্ডা হিচাপে বহল প্ৰচাৰ কৰি আছে আৰু credit টো ল'ব বিচাৰে তেতিয়া আমি বেয়া নাপাও। কিন্তু আমি দেখিছো স্বচ্ছতাৰ ক্ষেত্ৰত এইটো সফল হোৱা নাই। সেই কাৰণে কৈছো যে প্লাষ্টিকৰ যিটো ব্যৱহাৰ, এইটোৰ ক্ষেত্ৰত আগতেও বহুত আইন হৈছিল বা restriction দিছিল, কিন্তু এইটো follow up নহয়। প্লাষ্টিকৰ ব্যৱহাৰে নলী-নৰ্দমা বিলাকক জাম কৰি পেলায় আৰু স্বচ্ছ ভাৰত বা পৰিষ্কাৰৰ ক্ষেত্ৰত ই এটা বাধাৰ সৃষ্টি কৰিছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে প্লাষ্টিকৰ ব্যৱহাৰৰ ক্ষেত্ৰত আইনখন কঠোৰ হ'ব লাগে। যি সকল দোকানীয়ে এই প্লাষ্টিক বিক্ৰী কৰে তেওঁলোকক জৰিমনা বা শাস্তিৰ ব্যৱস্থা নকৰিলে কিন্তু প্লাষ্টিক কেতিয়াও বন্ধ কৰিব নোৱাৰিব। যদিও কেইদিনমানৰ কাৰণে তেওঁলোকে কাগজত ব্যৱহাৰ কৰে তাৰ পিছত কেইদিনমান

পিছতে তেওঁলোকে এইটো পাহৰি যায় বা প্লাষ্টিক বিক্ৰী হৈয়ে থাকে। এইখিনিৰ লগতে আৰু এটা কথা ক'বলৈ বিচাৰিছো যে আমাৰ যিবিলাক PWD ৰ Asset আছে, পানী যোগান আঁচনি আছে সেইবোৰৰ Water Reservoir বোৰ খুব লেতেৰা হৈ থাকে। আমি নিজেও গৈ দেখিছো যে সেইবিলাক চাফা নকৰে। ৰাইজে ভাৱে যে আমি Water Supply ৰ পানী খাই আছোঁ, ভাল পানী খাই আছোঁ। Practically যদি আমি Tank টো চাব যাওঁ,Tank টোত জাৰৰে-জোথৰে, পোক-পৰুৱা, পইতাচে ৰা, জেঠী কিন্তু মৰি থাকে। সেইবিলাক maintain নকৰে। সেইটো আপুনি চাব লাগে আৰু লগতে এটা ডাঙৰ কথা আমাৰ বিধায়ক আৱাস গৃহৰ যিখিনি পানী, চাৰ সেইখিনি পানীও শুদ্ধ নহয়। Tank বোৰ কি কৰে নাজানো, এইবিলাক চাফা কৰে নে নকৰে নাজানো।

**মাননীয় অধ্যক্ষ ঃ** Regular basisত পইচা খৰছ কৰা মই দেখি আছো। গতিকে ময়ো এবাৰ Check কৰাৰ ইচ্ছা আছে। I look into it.

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, আমিয়ে শুদ্ধ পানী পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** নহয় নহয়, সেইটো কথা নহয়। আমাৰ mentality বিলাক, আপুনি কৈছে যে আমি Asset বনাইছো, Asset টো maintain কৰাৰ যিখিনি কথা আমি সেইখিনিত গুৰুত্ব নিদি আৰু যিখিনি স্কুলত Latrineৰ কথা কৈছে Bathroom ৰ কথা who will clean it. হোৱাত আপত্তি কৰা নাই। সেইটোৰ আমি কিন্তু কিছুমান কথা publicৰ হৈ চিন্তা কৰো।

**শ্ৰীমতী নন্দিতা দাস ঃ** চাৰ, maintain টো খুব জৰুৰী।

**মাননীয় অধ্যক্ষ ঃ** সেইটো আমিও চিন্তা কৰিব লাগিব, সকলো চৰকাৰে কৰিব নোৱাৰে, আমিও কিবা অলপ কৰিব লাগিব। ঠিক আছে আপোনাৰ suggestion কেইটা মই ভাল পাইছোঁ। আৰু যদি নাই তেতিয়া মন্ত্ৰী ডাঙৰীয়া উত্তৰ দিব কৈছোঁ।

**শ্ৰীমতী নন্দিতা দাস ঃ** এইখিনিয়ে চাৰ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister please give your reply. Point কেইটা ভাল, মই নিজেও নোট কৰি ৰাখিছো। Matric আৰু Higher Secondary ৰ পৰীক্ষাৰ কথাটো কৈছে, this is a very important point.

**শ্ৰীৰিহণ দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান আৰু অনাময় বিভাগৰ যি কৰ্তন প্ৰস্তাৱ, এই কৰ্তন প্ৰস্তাৱত আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী, আজিচ আহমেদ খান, মৃনাল শইকীয়া, কমালাক্ষ দে পুৰকায়স্থ, নাৰায়ণ ডেকা, অনন্ত কুমাৰ মালো, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ড০ মতিউৰ ৰহমান মণ্ডল, দেৱানন্দ হাজৰিকা, কমলী বসুমতাৰী, অশোক শৰ্মা, নুৰুল হুদা, বীৰ ভদ্ৰ হাগজেৰ, ভূৰন পেগু, কুশল দোৱৰী আৰু নন্দিতা দাস ডাঙৰীয়ানী, এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা বা সমৰ্থন কৰি আপোনালোকে যি বিতৰ্কত ভাগ ললে তাৰ কাৰণে মই আপোনালোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো আৰু আপোনালোকে যিখিনি পৰামৰ্শ আগবঢ়ালে সেইটো আমি গ্ৰহণ কৰিছো। অসমৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰাজ্যখনৰ বিশেষকৈ যিসকল লোকে বিশুদ্ধ খোৱাপানী নাপায় তেওঁলোকক খোৱাপানী যোগান ধৰাৰ বিভিন্ন আচঁনি ৰূপায়ণ কৰো যেনে Pipe পানী যোগান আচঁনি , Mini Water Supply Scheme, Spot source যেনে কুৱা, hand pipe ইত্যাদি। বৰ্তমানলৈকে আমি প্ৰায় ৯৪২০ টা Pipe পানী যোগান আচঁনি গোটেই ৰাজ্যখনত নিৰ্মাণ কৰিছো। ৩,২১,১৬৯ টা ring well আৰু hand tubewell আমি স্থাপন কৰিছো। ইয়াৰে প্ৰায় ১৭০০ টাতকৈও অধিক Pipe পানী যোগান

আচঁনি  বিকল হৈ আছে। অধ্যক্ষ ডাঙৰীয়া,  এই বিকল হৈ থকা আচঁনিবিলাক বহুদিনীয়া উত্তৰাধিকাৰী হিচাপে আমি পাইচো। এই আচঁনিবিলাক কেনেকৈ মেৰামতি কৰা যায় সেইটো আমাৰ কাৰণে এটা ডাঙৰ Challenge.এইবোৰ আমি পুনৰ জীৱিত কৰিবই লাগিব।**(Hon'ble MLA Shri Birbhadra Hagjer on the chair)**বিকল হৈ থকাৰ এটাই কাৰণ নহয়, আচঁনি নিৰ্মাণ কৰাৰ  পাছত  আচঁনিটোৰ পৰিচালনাৰ অভাৱতো  এইবোৰ বিকল হৈ যায়। ইয়াৰ উপৰিও Electricity Bill আৰু Diesel ৰ টকা নিদিয়াৰ কাৰণে  আমাৰ বহু Scheme তেনেকৈ বন্ধ হৈ আছিল। ঠিক তেনেকৈ বানপানীৰ সময়তো বহু আচঁনি বিকল হৈ যায়। এইটো এটা ডাঙৰ সমস্যা। তথাপিও আমি দায়িত্ব লৈছো আৰু আপোনালোকে শুনি ভাল পাব যে Electricity Bill আৰু Diesel ৰ বাবদ  আমি ৪৭ কোটি টকা  মুকলি কৰি দিছো। এতিয়া Diesel  আৰু  Electricity  ৰ নামত কোনো Scheme বন্ধ হৈ নাথাকে। এইবাৰ বিত্তীয় বৰ্ষত Electricity আৰু Diesel ৰ বাবদ আমি যথেষ্ঠ পুঁজি ৰাখিছো। যিবিলাক division  ৰ পৰা বিল বিলাক আহিছে, সকলোতে আমি এই টকা ইতিমধ্যে মুকলি কৰি দিছো। এই বিকল হৈ থকা আচঁনি সমূহ  আমি বিভাগীয়ভাৱে কিছুমান repair কৰিছো। ইয়াৰ উপৰিও যোৱা  বিধানসভাত মই  কৈছিলো আৰু  প্ৰতিজন বিধায়কক মই  চিঠি দিছিলো যে প্ৰতিটো সমষ্টিত  ৩৬ লাখ  টকাকৈ দিম আৰু  ৬ টা কৈ আচঁনি  আপোনালোকে দিব লাগে। মই ধন্যবাদ জ্ঞাপন কৰিছো যে প্ৰতিজন বিধায়কে আমাক  ৬ টাকৈ আচঁনি দিছে। সেই গোটেইখিনি আচঁনি repair কৰিবৰ কাৰণে  আমি Sanction পাইছো আৰু কিছুমান আচঁনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। প্ৰায় ৬৫২ টা  আচঁনি repairing কৰিবৰ কাৰণে  আমি হাতত লৈছো। যোৱা বিধানসভাত যেনেকৈ  প্ৰতিটো  সমষ্টিত আমি আচঁনি গ্ৰহণ কৰিছিলো, এই বিত্তীয় বৰ্ষতো আমি  তেনেকুৱা ধৰণে  আচঁনি ৰূপায়ণ কৰাৰ বাবে সিদ্ধান্ত লৈছো। কেইটাকৈ আচঁনি লম এতিয়ালৈকে  সেইটো সিদ্ধান্ত লোৱা নাই। সকলো বিধায়ককে  আমি একে সমান আচঁনি  দিয়াৰ ব্যৱস্থা কৰিছো।

আমাৰ আন এটা ডাঙৰ Challenge হৈছে যে আমাৰ ভূ-গৰ্ভত Floride আৰু আৰ্চেনিক পোৱা গৈছে। প্ৰায় ২৪ টা জিলাৰ কিছু কিছু অঞ্চলত  আৰ্চেনিক পোৱা গৈছে আৰু  ১৩ খন জিলাৰ কিছু  অঞ্চলত Floride পোৱা গৈছে। গতিকে আমি Floride আৰু আৰ্চেনিক মুক্ত পানী ৰাইজক দিব লাগিব। আপোনালোকে শুনি ভাল পাব যে, ইতিমধ্যে আমি আৰ্চেনিক পোৱা অঞ্চল সমূহত  ১৭০ টা Pipe পানী যোগান আচঁনি  সম্পূৰ্ণ কৰিছো আৰু ring well নিৰ্মান কৰি ৰাইজক  বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ  সক্ষম হৈছো। প্ৰায় ৩৬ টা Pipe পানী যোগান আচঁনি আমি সম্পূৰ্ণ কৰি  উলিয়াইছো আৰু Floride মুক্ত পানী দিবলৈ সক্ষম হৈছো। Short Term Measure হিচাপে NITE Ayog ৰ পৰা  আমি কিছু টকা পাইছিলো,সেই টকাৰে আমি nano Technology ৰ দ্বাৰা short Term Measure হিচাপে  আচঁনি ৰূপায়ণ কৰি আছো আৰু ১১৯ টা  আচঁনি  আৰ্চেনিক আৰু Floride মুক্ত কৰিবৰ কাৰণে  আমি বিভিন্ন ঠাইত ৰূপায়ন কৰি আছো। ইয়াৰ উপৰিও আৰ্চেনিক আৰু Floride মুক্ত কৰিবৰ কাৰণে ১২২ টা আচঁনি  আমি কেন্দ্ৰীয় চৰকাৰক প্ৰেৰণ কৰিছো। Sanction পালে সেই কামো আমি আৰম্ভ কৰিম। আমাৰ আন এটা ডাঙৰ Challenge হৈছে আমাৰ Man power shortage .আমাৰ খালাচী Pump operator যিবোৰ  আছে 4th Grade post আছিলে। গতিকে  তেওঁলোকে অৱসৰ লোৱাৰ লগে-লগে সেই post বোৰ abolish   হৈ গৈছে। সেইকাৰণে প্ৰায়বিলাক scheme তে আমি  post   দিব পৰা নাই আৰু এই পদবোৰ ঘুৰাই পোৱাৰ কাৰণে  আমি বিত্ত

বিভাগৰ লগত আলোচনা কৰি আছো। এই পদসমূহ পালে আমি নিশ্চয় আচঁনিবোৰ চলাবলৈ Man power পাবলৈ সক্ষম হম। আপোনালোক সকলোৱে অৱগত যে, আচঁনি নিৰ্মান কৰাটো খুব সহজ কিন্তু সেইটো ৰূপায়ণ কৰাটোহে ডাঙৰ সমস্যা। সেইকাৰণে এই আচঁনিটো চোৱা-চিতা কৰিবৰ কাৰণে আমি User's Committee গঠন কৰিছো। এই User's Committee সমূহক উৎসাহিত কৰিবৰ কাৰণে তেওঁলোকক cash টকা পুৰস্কাৰ হিচাপে দিয়াৰ ব্যৱস্থা কৰিছো। তেওঁলোকক House Connection কৰিবলৈ কোৱা হৈছে। যিমানে তেওঁলোকে House Connection কৰিব পাৰে সিমানে তেওঁলোকক আমি উৎসাহিত কৰিম বুলি কথা দিছো। ফেব্ৰুৱাৰী মাহত আমাৰ Conference হৈছিল। সেই Conference ত আমি তেনেকুৱা প্ৰায় ১২ টা User's Committee ক ৫০,০০০ টকাকৈ অনুদান দিছিলো। মই ভাৱো এনেকুৱা কৰিলে User's Committee গঠন কৰিবলৈ মানুহ আগবাঢ়ি আহিব। গতিকে মই বিধায়ক সকলকো অনুৰোধ কৰিছো যাতে User's Committee গঠন কৰাৰ ক্ষেত্ৰত তেওঁলোকেও গুৰুত্ব দিয়ে। আপোনালোকে যেনেদৰে পৰামৰ্শ আগবঢ়াইছে আমি আমাৰ বিভাগত এটা নতুনত্ব আনিব বিচাৰিছো। আমি Pilot Project হিচাপে কিছুমান অঞ্চল চিনাক্ত কৰিছো। য'ত আৰ্চেনিক বা Floride আছে তাত আমিWater ATM স্থাপন কৰিবৰ কাৰণে ব্যৱস্থা লৈছো। যিবিলাক Mini Water Supply scheme ইতিমধ্যে আমি নিৰ্মান কৰিলো সেইবিলাকৰ কিছুমানত আমি সৌৰ শক্তি ব্যৱহাৰ কৰি এটা নতুনত্ব আনিব চেষ্টা কৰিছো। Border Area বিলাকতো আমি Mini Water Supply নিৰ্মানৰ কাৰণে সিদ্ধান্ত লৈছো। চাহ বাগিছা বিলাকতো খোৱাপানীৰ যথেষ্ঠ অসুবিধা। সেইবিলাকতো আমি সৌৰ শক্তি চালিত খোৱাপানী যোগানৰ ২০ টা আচঁনি Pilot Project হিচাপে আমি লৈছো।

.যিবোৰ অঞ্চল একেবাৰে দুৰ্গম অঞ্চল, পাহাৰীয়া অঞ্চল, চৰ অঞ্চল, আমি তাতো Mini water supply scheme দিয়াৰ বাবে সিদ্ধান্ত লৈছো আৰু সেই সকলো বিলাক scheme সৌৰ শক্তিৰ দ্বাৰা বহুৱাবৰ বাবে সিদ্ধান্ত লৈছো। আমাৰ বহুতো আঁচনি যেনে পাইপ যোগান আঁচনি আৰু এই আঁচনিবোৰ Diesel আৰু Generator সহায়ত চলাই থকা হৈছে কিন্তু এই প্ৰক্ৰিয়াটো আমাৰ বাবে বহুত expensive হয় যাৰ কাৰণে আমি Diesel ৰ পইচা দিব নোৱাৰো আৰু অৱশেষত এই scheme বিলাক বন্ধ হৈ যায়। সেইবাবেই এই আঁচনিবোৰ কাৰ্যকৰী কৰিবলৈ আমি সৌৰ শক্তি চালিত যন্ত্ৰ ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত লৈছো যাতে Diesel ৰ টকাখিনি আমি বচাব পাৰো। যোৱা চৰকাৰৰ দিনত এনে ধৰণৰ কিছুমান আচঁনি হাতত লোৱা হৈছিল যিবোৰ সম্পূৰ্ণ কৰাটো ইমান সম্ভৱ নহয়। তাৰ ভিতৰত আমি প্ৰায় ১৪১৮ টা ongoing scheme চিনাক্ত কৰি উলিয়াইছো। কেন্দ্ৰীয় চৰকাৰে আমাক এতিয়া নতুন আচঁনি নল'বলৈ কৈছে। যিবোৰ ongoing scheme আছিল সেই scheme সমূহ অগ্ৰাধিকাৰৰ ভিত্তিত সম্পূৰ্ণ হোৱাৰ পিছতহে নতুন আঁচনিৰ কাম হাতত ল'বলৈ দিছে। সেয়েহে, এই ongoing scheme সমূহ অগ্ৰাধিকাৰৰ ভিত্তিত সম্পূৰ্ণ কৰাৰ কাৰণে আমি সিদ্ধান্ত লৈছো। আনহাতে, কেতিয়াবা এই আঁচনিবোৰ Users' Committee ৰ জৰিয়তে চলোৱাটো খুব সম্ভৱপৰ নহয় কাৰণ এই Users' Committee কেতিয়াবা আগবাঢ়ি নাহে। সেয়েহে, আমাৰ যিবিলাক ডাঙৰ scheme আছে সেই schemes বিলাক পৰিচালনা কৰিবৰ কাৰণে এইবাৰ আমি Pilot Project হিচাপে PPB Mode ত যাব বিচাৰিছো। কিছুমান private party কো আমি ইয়াত লগাবৰ বাবে চেষ্টা কৰিছো আৰু মই ভাৱো সেইটো আমি সম্ভৱপৰ কৰি তুলিব পাৰিম। আমাৰ হাতত বহুতো পুৰণি

scheme আছে, যিবোৰৰ মেৰামতি কৰাটো সম্ভৱপৰ নহয়। সেইবোৰ scheme কো আমি চাব বিচাৰিছো। তাৰ ক াৰণে তৃতীয় পক্ষৰ এটা মূল্যাঙ্কন আৰু নিৰিক্ষন কৰিব পৰাকৈ আমি Third Party Monitoring ব্যৱস্থা এটা হাতত লৈছো। গতিকে তেওঁলোকৰ ৰিপোৰ্টো আমি চাম আৰু সেই ৰিপোৰ্টৰ ভিত্তিত যদি নতুন scheme কিবা দিব লাগে তেন্তে আমি দিম আৰু মেৰামতিৰ বাবে যদি সম্ভৱ হয় তেন্তে মেৰামতিৰো ব্যৱস্থা আমি কৰিম। পানীৰ গুণাগুণ আৰু বিতৰণৰ ব্যৱস্থাৰ ক্ষেত্ৰত বহু সময়ত আমি বিভিন্ন অভিযোগ পাই আহিছো, যেনে, কিছুমান আঁচনিত মাত্ৰ ১০ মিনিট সময়ৰ বাবেহে পানী দি বন্ধ কৰি দিয়ে। এনেধৰণৰ আঁচনি চলি থকাৰো ৰিপোৰ্ট আমি পাওঁ। এই ক্ষেত্ৰত যাতে প্ৰকৃত তথ্য বিলাক আমি পাওঁ তাৰ কাৰণে Real Time Monitoring ব্যৱস্থা কৰিবলৈ আমি সিদ্ধান্ত লৈছো। এইটো আমি Pilot Project লম । এই ক্ষেত্ৰত হয়তো আমি একে সময়তে গোটেই ৰাজ্যখনকে সামৰি লব নোৱাৰিবও পাৰো কিন্তু আমি চেষ্টা কৰিম যে প্ৰতিখন জিলাতে অন্ততঃ এখন আচঁনি হলেও ল'ব পাৰো। Real Time Monitoring ব্যৱস্থাত আমি পানীৰ গুণাগুণ একেবাৰে নিৰ্ণয় কৰিব পাৰিম আৰু আচঁনি খনৰ পৰা কিমান পানী দিয়া হৈছে সেইটোও নিৰ্ণয় কৰিব পাৰিম। আমি আমাৰ বিভাগৰ engineer সকলকো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছো। আমি দেখিছো আমাৰ বিভাগৰ কিছুমান engineer, যিসকলে গতানুগতিক কাম কৰে গতিকে, তেওঁলোকৰ কাম কৰাৰ যিটো মানদণ্ড আৰু পাৰদৰ্শিতা, সেইটো বঢ়াবৰ বাবে আৰু বৰ্তমান সময়ৰ প্ৰযুক্তিৰ লগত তেওঁলোকক খাপ খোৱালৈ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আমি কৰিছো। Recently, আমি প্ৰায় ৩৪ জন নতুন engineer ক আমাৰ বিভাগত নিযুক্তি দিছিলো আৰু তেওঁলোকক ১০ দিনৰ বাবে বিভিন্ন বিষয়ত প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰা হৈছিল। মই ভাৰো এনেধৰণৰ পদক্ষেপ কোনো বিভাগতে কৰা হোৱা নাই। গতিকে, আমাৰ বিভাগত বিভিন্ন স্তৰৰ যিখিনি engineer আছে, সেই সকলো খিনিকে সামৰি প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আমি কৰিম। এতিয়া পানীৰ গুণাগুণ নিৰ্ণয় কৰিবৰ কাৰণে ইতিমধ্যে আমাৰ সন্মানীয় বিধায়ক শ্ৰী নুৰুল হুদা ডাঙৰীয়াই কৈছিল। বৰ্তমান প্ৰতিটো জিলা আৰু sub-division বিলাকত পানীৰ গুনাগুন পৰীক্ষা কৰাৰ বাবে laboratory স্থাপন কৰা হৈছে আৰু এই laboratory সমূহ UNICEF ৰ দ্বাৰা পৰীক্ষা কৰা হৈছে। আমাৰ স্থাপন কৰা laboratory বোৰ সঠিক হয় নে নহয় তাৰ certificate তেওঁলোকে আমাক দিছে। বিশ্ববেঙ্কৰ সহায়ত ২৪ ঘন্টাই পানী দিব পৰা 'নীৰ নিৰ্মল আঁচনি' নামৰ আঁচনি এখন ৰূপায়ণ কৰা হৈছে আৰু এই আঁচনিখন বৰ্তমান ৩ খন জিলা যেনে কামৰূপ মেট্ৰ', হাইলাকান্দি আৰু যোৰহাটত আৰম্ভ কৰিছো। এই ৩ খন জিলাতে নীৰ নিৰ্মল পৰিযোজনাৰ কাম দ্ৰুত গতিত চলি আছে আৰু এই আঁচনি খনৰ কাম ২০১৯ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছো। তাৰোপৰি শিৱ সাগৰ আৰু মৰিগাওঁ জিলাতো এনেধৰণে বিশ্ববেঙ্কৰ সহায়ত ২৪ ঘন্টাই পানী দিব পৰা আঁচনি লোৱাৰ সিদ্ধান্ত লৈছো আৰু ইয়াৰ বাবে DPR প্ৰস্তুত কৰি বিশ্ববেঙ্কলৈ পঠিয়াই দিছো। বিশ্ববেঙ্কৰ পৰা অনুমোদন পালে তাতো আমি কাম আৰম্ভ কৰিম। সন্মানীয় সদস্য ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই Fund Pattern ৰ কথা কৈছিল। Fund Pattern টো আমাৰ যোৱা দিন বিলাকত আমি ৯০:১০ ধৰণে পাই আহিছিলো আৰু এতিয়াও আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে সেই ধৰণেই পাই আছো। ৮০:২০ হিচাপে নহয়। গতিকে আমাৰ Fund ৰ ক্ষেত্ৰত কোনো অসুবিধা পোৱা নাই। Fund ক্ষেত্ৰত এই বিত্তীয় বৰ্ষলৈকে NRDWP ত আমি ৩৪৯ কোটি টকাৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিছো। National Water Quality Submission ত আমি ১৪৭ কোটি টকাতকৈ বেচি টকাৰ

অনুমোদন পাইছো আৰু নীতি আয়োগৰ পৰা ১১ কোটি টকা আমি পাইছিলো। ঠিক তেনেকৈ, আমাৰ "Swachcha Bharat Mission" ৰ বাবে ২০১১-১২ বৰ্ষত এটা baseline survey হৈছিল। সেই baseline survey অনুসৰি যিবোৰ দুখীয়া পৰিয়াল আছে, যাৰ ঘৰত শৌচাগাৰ নাই তেওঁলোকৰ কাৰণে ১২ হাজাৰ টকাত শৌচাগাৰ নিৰ্মাণ কৰি দিয়াৰ বাবে survey হৈছিল। সেই baseline survey মতে ৰাজ্যখনত প্ৰায় ৩৪ লাখৰো অধিক শৌচাগাৰ নাছিল। কিন্তু ইতিমধ্যে ইয়াত বহুতে কৈছে যে, সেই baseline survey টো শুদ্ধ হোৱা নাছিল। সেই survey ত বহুতো পৰিয়াল বাদ পৰি গৈছিল আৰু সেইটো আমি স্বীকাৰো কৰিছো। আমাৰ অঞ্চলত নতুনকৈ family grow হৈছে আৰু সেই সকলোকে সামৰি লৈ আমি ইতিমধ্যে survey সম্পূৰ্ণ কৰিছো আৰু santion কাৰণে ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। Baseline survey অনুসৰি আমি যি ৩৪ লাখ শৌচাগাৰ নিৰ্মাণ নোহোৱাৰ ৰিপোৰ্ট পাইছিলো, ইয়াৰ ভিতৰত প্ৰায় ২৪ লাখ ৬৫ হাজাৰ শৌচাগাৰ নিৰ্মাণৰ কাম ইতিমধ্যে আমি সম্পূৰ্ণ কৰিলো । এই আচঁনিটো যোৱা ২০১৪ চনতে ৰূপায়ণ কৰা হৈছিল আৰু ২০১৪ চনৰ পৰা এতিয়ালৈকে আমি ২৪ লাখ ৬৪ হাজাৰ সম্পূৰ্ণ কৰিলো। আপোনালোকে শুনি ভাল পাব যে, আমি ২২ মহীয়া চৰকাৰখনে ১৮ লাখ toilet নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো। গতিকে ৮৩ শতাংশ কাম কৰিবৰ বাবে আমি সক্ষম হৈছো। বাকী থকা ৫২-৫৩ হাজাৰ toilet নিৰ্মাণ কৰাৰ কাৰণে আমি চেষ্টা কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই অহা ২ অক্টোবৰ ২০১৮ চনৰ ভিতৰতে বাকী থকা কামখিনি সম্পূৰ্ণ কৰিবৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে । যোৱা মাৰ্চ ২৬ তাৰিখে তেওঁ মৰিগাওঁ জিলাৰ জাগীৰোডত ১ লাখ টা toilet নিৰ্মাণ কৰাৰ কাৰণে "Mission Sambhab" নামৰ আচঁনি হাতত লৈছিল আৰু সেইদিনা খন আমাৰ ৰাজ্যখনত ১ লাখতকৈ বেছি toilet নিৰ্মাণৰ বাবে গাতঁ খন্দা হৈছিল। সেইদিনাই তেখেতে আহ্বান জনাইছিল যে কোনোবাই যদি এই দুখীয়া লোক সকলক দান toilet দিব বিচাৰে তেনেহ'লে দান দিব পাৰে। আমাৰ বিভিন্ন মিটিংত আমি খবৰ পাইছো যে এতিয়ালৈ বিভিন্ন জিলাত ১ হাজাৰতকৈ বেচি তেনেকুৱা দান toilet দিবলৈ মানুহবোৰ আগবাঢ়ি আহিছে। গতিকে, আমাৰ সন্মানীয় বিধায়ক সকলকো মই অনুৰোধ কৰিছে যিহেতুকে আপোনালোকৰ নিজৰ নিজৰ সমষ্টিত বহুতো বিদ্বান লোক আছে তেওঁলোকক আপোনালোকে দুখীয়া সকলক toilet দান দিয়াৰ বাবে অনুৰোধ কৰিব পাৰে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যোৱা ২৬ তাৰিখে তেওঁ নিজেই বিকলাঙ্গ ব্যক্তিক toilet দান দিছিল। সেইকাৰণে মই অনুৰোধ আপোনালোকেও যাতে এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহন কৰে। আমাৰ ৰাজ্যখনত , বিশেষকৈ "Swachcha Bharat Mission" ৰ ক্ষেত্ৰত পুঁজি ব্যৱহাৰ কৰিবৰ বাবে সক্ষম হৈছো আৰু সেইকাৰণে আমাৰ বাজেটত পূৰ্বতে যিমান টকা আছিল তাতকৈ বেছি পুঁজি আমাক কেন্দ্ৰীয় চৰকাৰে দিছে। যোৱাবাৰ বাজেটতকৈ এইবাৰ বাজেটত প্ৰায় ২৬৭ কোটি টকা আমাক বেছিকৈ দিছে। এইটো আমাৰ কাৰণে এটা ভাল খবৰ। ইতিমধ্যে আমি প্ৰায় ৬ খন জিলাত audit কৰিবলৈ সক্ষম হৈছো। ৪৪৪ খন গাওঁ পঞ্চায়তত ইতিমধ্যে আমি audit কৰিছো। ৮,৭৬৪ খন গাওঁত আমি ইতিমধ্যে audit কৰিছো। Defunct Toilet টো আমাৰ কাৰণে এটা ডাঙৰ প্ৰত্যাহ্বান। ২০১৪ চনৰ আগত বিভিন্ন আঁচনিৰ যোগেদি আমি Toilet নিৰ্মাণ কৰিবলৈ ৰাজ সাহাৰ্য্য আগবঢ়াইছিলো । ইতিমধ্যে বেছি ভাগ Toilet এ defunct হৈ গ'ল। আপোনালোকে শুনি ভাল পাব যে, এই defunct toilet নিৰ্মাণ কৰিবৰ কাৰণে "Swachcha Bharat Mission"ৰ তৰফৰ পৰা ১৩৮ কোটি টকা আবন্টন দিছে যি টকা ভাৰতবৰ্ষৰ কোনো ৰাজ্যই পোৱা

নাই। অকল আমাৰ ৰাজ্য চৰকাৰক ১৩৮ কোটি টকা defunct toilet নিৰ্মাণৰ বাবে দিছে। সেইটো আমাৰ বাবে বহুত ভাল খবৰ। ইতিমধ্যে left out ৰ কথা মই কৈছো। baseline আমি survey কৰিছো যিবিলাক বাদ পৰি গৈছিলে নতুন family grow হোৱা সেইবিলাকৰ বাবে ইতিমধ্যে survey কৰি আমি কেন্দ্ৰীয় চৰকাৰক প্ৰেৰণ কৰিছো। গতিকে মই ভাৱো যে স্বচ্ছ ভাৰত মিছনৰ যোগেদি যিখিনি আমি কাম কৰিছো সেইখিনি আমি সম্ভৱ কৰিব পাৰিম। ইয়াৰ উপৰিও ৰাইজৰ মাজত সজাগতা আনিবৰ বাবে আমি বিভিন্ন ধৰণৰ activities কৰিছো। যেনে- সজাগতা শিবিৰ, প্ৰচাৰ প্ৰত্ৰ, বাটৰ নাট আদি অনুষ্ঠিত কৰা হৈছে। ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যাতে ছাত্ৰ-ছাত্ৰীৰ লগত আমি সজাগতা আনিব পাৰো। আমি প্ৰত্যেক বছৰে sanitation conference কৰিবৰ বাবে আমি সিদ্ধান্ত লৈছো আৰু জিলা পৰ্য্যায়তো একেধৰণৰ conference পতাৰ বাবে আমি সিদ্ধান্ত লৈছো। জিলা পৰ্য্যায়ত প্ৰত্যেকখন জিলাতেই একোখনকৈ গাওঁ পৰিস্কাৰ পৰিচন্ন কৰি ৰাখিবৰ কাৰণে জিলা পৰ্য্যায়তো আমি একোখনকৈ গাওঁ পৰিস্কাৰ পৰিচন্ন হিচাবে ঘোষণা কৰিছো। যোৱা বছৰ ৰাজ্যত আমি পাঁচখন গাওঁ সবাতোতকৈ পৰিস্কাৰ পৰিচন্ন গাওঁ হিচাবে আমি চিনাক্ত কৰিছিলো। আপোনালোকে নিশ্চয় শুনিছে গোৱালপাৰা জিলাৰ ৰংচাপাৰা গাওঁ আমাৰ ৰাজ্যখনৰ সবাতোতকৈ পৰিস্কাৰ পৰিচন্ন গাওঁ হিচাবে স্বীকৃতি লাভ কৰিছে। য'ত আজি বাহিৰৰ পৰা বিভিন্ন পৰ্য্যটক সেই গাওঁখন ভিজিট কৰিবৰ বাবে গৈছে। এইটো আমাৰ বাবে এটা সুখৰ খবৰ। গতিকে solid waste management ৰ বাবেও আমি প্ৰত্যেকখন জিলাত solid waste management ৰ project লবৰ বাবে আমি ইতিমধ্যে সিদ্ধান্ত লৈছো। প্ৰত্যেকখন জিলাত এখন এখনকৈ আমি আৰম্ভ কৰিম। খালী মই সন্মানীয় বিধায়ক সকলক যে অনুৰোধ কৰিম যে জিলা পৰ্য্যায়ত এটা কমিটি আছে, আপোনালোকৰ কিমানজন অৱগত মই নাজানো। আমাৰ জিলা water and sanitation mission বুলি এখন কমিটি আছে, য'ত আমাৰ জিলা পৰিষদৰ সভাপতি তাৰ সভাপতি হয়। গতিকে সেই মিছনতে আপোনালোকে আপোনালোকৰ জিলাখনত কেনেকুৱা ধৰণে কাম কৰিব, কোনটো বেছি অগ্ৰাধিকাৰ দিব সেইটো আপোনালোকে সিদ্ধান্ততো লব পাৰে। পলিচী বিলাক আপোনালোকে লব পাৰে। গতিকে মই আপোনালোকক অনুৰোধ কৰিছো আপোনালোকে এই মিছনত কেনেকুৱা ধৰণে জিলা খনত কাম কৰিব সেইটো সিদ্ধান্ত লৈ ক'লে, কৰিলে মই ভাৱো আৰু বেছি অগ্ৰগতি আমি লাভ কৰিব পাৰিম। গতিকে আমাৰ বিৰোধী সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে মই ভাৱো মোৰ উত্তৰত আপোনালেক মই সন্তুষ্ট। গতিকে মই আপোনালোকক কৰ্তন প্ৰস্তাৱতো উঠাই লবৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ড° মতিউৰ ৰহমান মণ্ডল ঃ** যিহেতু বেলেগ স্কীম দিয়াৰ অসুবিধা হ'ব, hand tube well ৰ ব্যৱস্থা ৰাখিব লাগে। ইতিমধ্যে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে আমাৰ চাউথ শালমাৰা, মানকাছাৰ জিলাত নতুনকৈ হৈছে। Sub-division আছে সেইটো Division লৈ up-grade হ'ব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি cut motion আনিছিলো সেইটো নিশ্চয় উঠাই লোৱা হ'ব। খালী গোটেইখিনি কথা মন্ত্ৰী মহোদয়ে বিতং কৈ কৈছে। মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল National Rural Drinking Water Project ৰ ১১৬৭ খন আঁচনি অসমৰ বিভিন্ন অঞ্চলত অসম্পূৰ্ণ হৈ আছে আৰু ইয়াৰ বাবে funding pat-

tern টো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি কেনেধৰণে কৰিব পৰা যায় বা পুঁজি আনিব পৰা যায় এই বিষয়ে তেখেতে correspondence কৰাৰ কথা কৈছিলে গতিকে যদি মন্ত্ৰী মহোদয়ে আমাক অকনমান অৱগত কৰে আজিৰ এই সময়চোৱাতেই তেতিয়াহ'লে কথাখিনি জানিবলৈ সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমিনুল ইছলাম। আপোনালোকে যাতে মন্ত্ৰী মহোদয়ে উত্তৰটো দিব পৰাকৈ কয়।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৬ লাখকৈ যে যোৱা বছৰ প্ৰত্যেক সমষ্টিত দিয়া হৈছিল maintenance/repairing ৰ কাৰণে তাত আঁচলতে tender process টো লৈ খুব সমস্যা হৈ আছে। মন্ত্ৰী মহোদয় অৱগত হয়নে নহয় নাজানো। এনেকুৱাও division পাইছো যে কেইজন মান ঠিকাদাৰৰ লগত SDO জনে আলেচনা কৰি লৈছে যে ২০ শতাংশ পইচা দি দিয়ক আমি কামটো নিজেই কৰিম আৰু একেটা tender division টো কৰিছে আকৌ SE য়েও কৰি আছে। DC য়ে এতিয়া মিলাব পৰা নাই যে কোনটো valid গতিকে এই ক্ষেত্ৰত যাতে গাইড লাইন থাকে যে tender system টো অলপ transperant হয় আৰু লগতে যিটো pump operator ৰ কথাতো আমাৰ বহুকেইগৰকা সদস্যই কৈছে। pump operator যিটো user committee ক লবলৈ দিয়া হৈছিলে বহুত user committee ৰ এটকাও collection নাই। কাৰণ home connection দিব পৰা নাই আৰু public ৰ awereness নাই যে home connection পালেহে তেওঁলোকে monthly rentel টো দিলে হয়। গতিকে এই ক্ষেত্ৰত যদি contractual basis ৩০০০ টকাকৈ হ'লেও মাত্ৰ দুই time start কৰিবৰ বাবে হয়তো মানুহ পোৱা যাব। যদি বিভাগে কম টকাত contractual pump operator ৰাখি লয়। মই ভাৱো অন্তত start দিব পৰা হ'ব নহ'লে এমাহত এবাৰো start নকৰে।

**শ্ৰীমতী নন্দিতা দাস ঃ** যিকেইটা কথা ক'লো মন্ত্ৰী মহোদয়ে অলপ ক'লে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ point কেইটা মই কম। এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই town water supply project যিটো ১৯৬৯ ত commission কৰা হৈছিল। ৩০ বছৰ এইটোৰ life time আছিল। এতিয়া life time টো over হৈ গ'ল। গতিকে project টো এতিয়া বন্ধ হৈ যাব। যদি এতিয়া repairing বা নতুনকৈ বনাব নোৱাৰি আমাৰ কৰিমগঞ্জৰ water supply টো বন্ধ হৈ যাব। সেইকাৰণে মন্ত্ৰী মহোদয়ৰ পৰা এটা ভাল উত্তৰ বিচাৰিছো আৰু দ্বিতীয়তে অধ্যক্ষ মহোদয়, প্ৰত্যেকটো user committee ৰ একাজনকৈ volunteer দিয়া হৈছিল আমাৰ যিখিনি land doner সিহঁতে প্ৰায়েই আন্দোলন কৰি থাকে সিহঁতৰ বেদনাৰ বাবে। মন্ত্ৰী মহোদয়ে যাতে এটা ভাল dicision লয় তাৰবাবে মন্ত্ৰী মহোদয়ৰ পৰা এটা সৎ উত্তৰ বিছাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহন দৈমাৰী ঃ** অধ্যক্ষ মহোদয়, মই এটা point পাহৰি গৈছিলো যে আমি এটা সিদ্ধান্ত লৈছো যে আমাৰ বহু বিধায়কে অনুৰোধ কৰিছিল আমাৰ প্ৰত্যেকটো সমষ্টিত খোৱাপানীৰ যথেষ্ট সমস্যা আছে। সেয়ে tube well বা ring well দিব লাগে। এইটো বাজেটত আমি provision ৰাখিছো। আমি প্ৰত্যেকটো সমষ্টিত tube well, ring well দিয়াৰ বাবে ব্যৱস্থা লম। NRDWP ৰ কথা আৰু NRDWP fund ৰ কথা আমাৰ শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই

যিটো কৈছে, সেইটো মই ইতিমধ্যে কৈছো। যিহেতু কেন্দ্ৰীয় চৰকাৰে আমাক কৈছে যিবোৰ outgoing আঁচনি আছে সেইটো অগ্ৰাধিকাৰ ভিত্তিত কৰিবৰ বাবে কৈছে। গতিকে কোনটো অগ্ৰাধিকাৰ ভিত্তিত দিব পাৰি সেইটো আমি চাইছো আৰু আমি সম্পূৰ্ণ কৰি যাম। ৩৬ লাখ টকাকৈ দিয়া যিটো টেণ্ডাৰ ইতিমধ্যে আমি instruction দিছো tender call কৰিযিয়ে লয় তাক দিবৰ বাবে ইতিমধ্যে কোৰা হৈছে। school sanitation টো আজিকালি আমি নকৰো। সেইটো সৰ্বশিক্ষা বা RMS ৰ পৰা কৰা হয়। যদি ভৱিষ্যতে তেনেকৈ আমাক কৰিবলৈ দিয়া হয় তেতিয়াহ'লে আমি কৰিম।

**শ্ৰী মতী নন্দিতা দাস ঃ** কৰিব লাগিব চাৰ। তেওঁলোকে এটা দুটা কৰে এইটো sufficient নহয়।

**শ্ৰী ৰিহন দৈমাৰী ঃ** এইটো কেন্দ্ৰীয় চৰকাৰৰ guide lines আমি সেইটো কৰিব নোৱাৰো। যদি আমাক সেইটো দিয়ে আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আপুনি সেইটো consider কৰিব। তেখেতে এটা কথা কৈছে সমস্যাটো কৈছে গতিকে আপুনি কথাখিনি পাতিব। পাতি পেলাই কিবা কৰিব পাৰি নেকি চাব। তেখেত সকলৰ নিয়মৰ মাজত যিহেতু হ'ব লাগিব তথাপি মই কৈছো যে এইটো consider কৰিব পাৰিলে ভাল হয়। চাওঁকচোন তেখেতে কি কৰিব পাৰে।

**শ্ৰী ৰিহন দৈমাৰী ঃ** আমাৰ কমলাক্ষ্য ডাঙৰীয়াই কৰিমগঞ্জৰ যিটো স্কীমৰ কথা কৈছে সেইটো actually Urban Scheme ৰ হয়তো জনস্বাস্থ্য কাৰিকৰী বিভাগ এটা সময়ত সেইটো কৰিছিলে তেতিয়া আৰবান হোৱা লাছিল। যিহেতু কৰিমগঞ্জত এতিয়া Urban development ত পৰি গ'ল সেয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগে এই urban টো নাপায়। সেইকাৰণে আমি সেইটো কৰিব নোৱাৰো। তথাপিটো আমাৰ বিভাগীয় বিষয়া সকলক DPR বনাব কোৱা হৈছে সেই DPR টো urban development লৈ প্ৰেৰণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** সেইটো এটা major issue হৈ গৈছে আজিকালি।

**শ্ৰী ৰিহন দৈমাৰী ঃ** ইতিমধ্যে কমলী বসুমতাৰী বাইদেউয়ে ও সেই কথাটো উল্লেখ কৰিছে। তেওঁৰো সেই একেই issue. আমি actually urban ত কৰিব নোৱাৰো। urban development ক আমি জনাই দিছো। যাতে আমি যিখিনি স্কীম চলাইছো তেওঁলোকে যাতে সেইটো take over কৰে।

**শ্ৰী মতী নন্দিতা দাস ঃ** পলিথিন বেগটো বন্ধ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** পলিথিন বেগতো তেখেতৰ আণ্ডাৰত নপৰিব। সেইটো general এটা কথা আৰু টেণ্ডাৰৰ ক্ষেত্ৰত quality work should be maintain.

**গুৰুজ্যোতি দাস ঃ** অধ্যক্ষ মহোদয়, যোৱা ২৬ তাৰিখে যেতিয়া অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১ লাখ লেট্ৰিণ বনাবৰ বাবে এটা অভিলাষী আঁচনি গ্ৰহণ কৰিছিল তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম বানপানীৰ সময়ত highland সমূহত খোৱাপানীৰ ব্যৱস্থা নাথাকে, টয়লেটৰ ব্যৱস্থা নাথাকে। মই বিভিন্ন ঠাইত দেখিছো গতিকে তাৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আবেলি সময় ২ বাজিছে। মই দুটা দাবী মঞ্জুৰী formally pass কৰিছো। ৪১ আৰু ৭২ বাকী including this যদি আপোনালোকে withdraw

লয়, withdraw কৰিব নেকি? কৰিবলৈ সময় নাই তথাপিও যদি withdraw কৰে মই দি দিম।

**শ্ৰী আমিনুল ইছলাম ঃ** মন্ত্ৰী মহোদয়ে যিখিনি আশ্বাস দিলে, গতিকে withdraw কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু এইটো Withdraw কৰা হ'ল। এতিয়া মই সেই কাৰণে গিল'টিনত যোৱাৰ আগে আগে সদনৰ অনুমতি সাপেক্ষে কৰ্তন প্ৰস্তাৱটো Withdraw কৰা হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া মই এই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে " ২০১৯ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত পানী যোগান আৰু অনাময় সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ২,৬৬১ কোটি ৮৪,০১,০০০ টকা মঞ্জুৰ কৰিব লাগে।"

যিসকল প্ৰস্তাৱটোৰ সপক্ষে-তেখেত সকলে কওঁক "হয়"।

যিসকল প্ৰস্তাৱটোৰ বিপক্ষে-তেখেত সকলে কওঁক "নহয়"। মই ভাবো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে"। প্ৰস্তাৱটো গৃহীত হ'ল। দাবী মঞ্জুৰী নং ৩০ টো গৃহীত হ'ল। এতিয়া মই ১৪, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮ সদনত এই গোটেই কেইটা দাবী সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো। যি সকল প্ৰস্তাৱৰ সপক্ষে আছে তেওঁলোকে কওঁক "হয়" যিসকল প্ৰস্তাৱৰ বিপক্ষে আছে তেওঁলোকে কওঁক "নহয়"। মই ভাবো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে"। গতিকে দাবী মঞ্জুৰী ওপৰত উল্লেখ কৰা গোটেইকেইটা দাবী মঞ্জুৰী গৃহীত হ'ল বুলি মই ঘোষণা কৰিলো। এতিয়া " দি আসাম বিনিয়োজন (নং-II) বিধেয়ক, ২০১৮ " কাৰ্য্যসূচী নং-৩ । তাৰ আগতে শ্ৰী ৰূপজ্যোতিকুৰ্মীয়ে কিবা কব খুজিছিল নেকি এই বিলৰ ওপৰত নে?

**শ্ৰী ৰূপজ্যোতিকুৰ্মী, মৰিয়নি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক কব দিছিল, যদিও মাননীয় সদস্য সকলক কবলৈ সুযোগ দি দিলে।

**মাননীয় অধ্যক্ষ ঃ** থাকি গ'ল, বেয়া নাপাব। দুটা বাজিলেতো, সময়ৰ কথা চাব লগীয়া হয়। নহ'লে মই আইনখন অমান্য কৰা হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, তেখেতে তিতাবৰ পানীযোগান আঁচনিখনৰ বিষয়ে উল্লেখ কৰিছিল, সেই বিষয়ে একো মন্তব্য নিদিলে মন্ত্ৰী মহোদয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সেইটো যদিও হৈ গৈছে, মই আপোনাৰ হৈ কৈ দিছো। ইনফেক্ট অলপ আগতে মই এটা কথা কৈছিলো যে, Urban আৰু Public Health এই Cordination নথকাৰ কাৰণে আমাৰ সমস্যা হয়। প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াইও জানে এইটো যোৰহাটত তিনিশ কোটি টকাৰ এটা Rural, Public Health ৰ কাৰণে আপোনালোকে Mission আমি তাত আৰম্ভ কৰিলো। Unfortunately গোটেই গাওঁবিলাকে পানী পাব, মাজৰ টাউনখন থাকি গ'ল। এতিয়া টাউনৰ যদি Cordinated একেলগে কৰিব পাৰিলোহেঁতেন, কম খৰচতেই আমি টাউনখনো ইনক্লোড কৰিব পাৰিলোহেঁতেন। সেই কাৰণে এই দুয়োটা কথা আমি আগলৈ তিতাবৰ পানী যোগান আঁচনি, সেইখনৰো কামখিনি আমাৰ দ্ৰুতগতিত হোৱা নাই। গতিকে মই এইটো ভাবো যে, ভৱিষ্যতে আমি We will have a some other short of discussion.

এই Cordination টো কেনেকৈ কৰিব পাৰি, তেতিয়া টকাটো আমি ধাৰলৈ আনো। এইটো আমিয়ে মাৰিব লাগে। গতিকে ধাৰটো এনেকৈ আনিব লাগে যে, দুইটাৰ কাম একেলগে কৰিব পৰাকে মেকানিজিম কৰিব

**মাননীয় অধ্যক্ষ ঃ** পাৰি নেকি, সেই কথাটো কৰিলে কম টকাত আমাৰ বহুতখিনি কাম হ'ব। সেই কাৰণে গোটেইকেইটা কথা তেখেতৰ কথাটো ক'লো। এতিয়া মই " দা আসাম বিনিয়োজন (নং-II) বিধেয়ক, ২০১৮ " এইখন বিতৰণ কৰিবৰ কাৰণে সদস্য-সদস্যা সকলৰ মাজত বিতৰণ কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। এতিয়া মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিজনী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখন সদনত Introduce কৰাৰ আগতে মই দুআষাৰ কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কব আপুনি। তেখেতে উত্থাপন কৰাৰ লগে লগে কবলৈ দিম। নিয়মটো এইটোৱেই।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** " দা আসাম বিনিয়োজন (নং-II) বিধেয়ক, ২০১৮ " সদনত উত্থাপন কৰিবলৈ মইঅনুমতি বিচাৰিছো।

**শ্ৰী ৰকিবুল হুছেইন, চামুগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, Financial Minister ৰ হৈ বুলি কব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** On behalf of Financial Minister of Assam.

**শ্ৰী কমল সিং নাৰ্জাৰী, বিজনী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে, আমাৰ পঞ্চায়তত যিসকল নিৰ্বাচিত প্ৰতিনিধি আছিল। জিলা পৰিষদ, গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ। তেওঁলোকৰ দৰমহা কথা দিয়াৰ কথাটো উল্লেখ আছিলে, কিন্তু তেওঁলোকে আজি পৰ্য্যন্ত দৰমহা যিটো ৰিমিউনাৰেশ্যন দিয়া নহ'ল। এতিয়া সেই ৰিমিউনাৰেশ্যনটো তেওঁলোকক দিব, সেইটো মই জানিব বিচাৰিছো। Fith Finance Commission. আমাৰ পঞ্চায়ত জিলা পৰিষদ সমূহ আঞ্চলিক পঞ্চায়তত দিব লগা আছিল। সেইখিনি পইচা এতিয়ালৈকে মুকলাই দিয়া হোৱা ন্াই। আকৌ আমাৰ ষষ্ঠ অনুসূচীত ভূক্ত এলেকা বি টি চি , কাৰ্বি আংলং আৰু ডিমা-হাচাও সেইবোৰ এলেকাটো Fith Finance Commission ৰ পইচা মুকলাই দিব লগা আছিলে, কিন্তু সেইবোৰ আজিলৈকে দিয়া হোৱা নাই। কিন্তু কেতিয়ালৈকে দিব, আজি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আৰু কাৰোবাৰ আছে নেকি ?

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ২০১৮ দাখিল কৰা হৈছে। মুখ্যমন্ত্ৰী মহোদয়, সদনত আছে। তেখেত Welfare of Minority ৰ মন্ত্ৰী। যোৱা কালিৰ তাৰিখলৈকে Assam Minority Development Board ৰ কাৰণে বাৰ কোটি টকা ধাৰ্য্য কৰা হৈছে ২০১৭-১৮। যোৱা কালিৰ তাৰিখলৈকে এটকাও মুকলি কৰি দিয়া হোৱা নাই। কথাটো হৈছে যে আমাৰ বাজেটত যি টকা ধাৰ্য্য কৰা হয়, সেই বছৰৰ একেবাৰে যদি ২৭ মাৰ্চলৈকে টকা মুকলি কৰি নিদিয়ে কাম কেতিয়া হ'ব। গতিকে অহাবাৰ যাতে সেইটো নহয়, সেইটো নিশ্চিত কৰিব লাগে, অকল Assam Minority Development Board বুলি নহয়, অন্য ক্ষেত্ৰতো এনেকুৱা সমস্যা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত বা জিলা পৰিষদ আন্যান্য যিসকলৰ দৰমহাৰ কথাটো আাছে, সেইটো এটা পলিচি ডিচিশ্যন আকাৰে কব লাগিব। আৰু পলিচি ডিচিশ্যন আকাৰত হলে তেওঁলোকে দৰমহাটো পাব।এতিয়া প্ৰশ্নটো হৈছে যে, এই পলিচিটো অকল অসম চৰকাৰে নিজা ববীয়াকৈ লোৱা সিদ্ধান্ত নহয়। গোটেই ভাৰতবৰ্ষৰ পঞ্চায়ত ৰাজ যিটো চিষ্টেম, এই চিষ্টেমটো এখন আইনৰ অধীনত চলে। অসমৰ পঞ্চায়ত আইনৰ এটা এই বিষয়টো চলে। কিন্তু তৎসত্বেও এই কথাটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল নেতৃত্বত যিখন চৰকাৰ চলিছে। এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো এই কথাখিনি সহানুভুতিৰে বিবেচনাধীন আছে, যে পঞ্চায়তৰ যি সকল সভাপতি হয়, আঞ্চলিকৰ সদস্য হয়, আৰু লগতে জিলা পৰিষদ, তেওঁলোকক যাতে এটা নুন্যতম মাননি দিব পৰা যায়। সেইটো actively concider মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰি আছে আৰু বিত্ত বিভাগেও এইটো ক্ষেত্ৰত কৰি আছে।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** চাৰ ভুল তথ্য দি আছে। এনেকুৱা সিদ্ধান্ত আছে, গাওঁ পঞ্চায়তৰ সভাপতি সকলক ১০ হাজাৰ টকা আঞ্চলিক পঞ্চায়তৰ সদস্যসকলক ২৫০০ টকা।

**মাননীয় অধ্যক্ষ ঃ-** আপোনাক কবলৈ আমি দিম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** কিন্তু প্ৰশ্নটো হৈছে যে সেই যিটো সিদ্ধান্ত আছিল, তেতিয়া কিয় পোৱা নাছিল। সিদ্ধান্ত এটা কৰাটো কথা নহয়। পোৱা নাছিল কিয় ? গতিকে পঞ্চায়তৰ যিখিনি মাননি এইটো বিবেচনা কৰি থকা হৈছে আৰু ইতিমধ্যে Ministry of panchayat, তেওঁলোকক Finance ৰ পৰা পইচাও release কৰাৰ ব্যৱস্থা কৰা আছে। এইটো ক্ষেত্ৰত মই আপোনাক আশ্বস্ত কৰি দিলো। ২য় কথাটো হ'ল Minority .

**শ্ৰী কমল সিং নাৰ্জাৰী, সদস্য ঃ-** নহয় চাৰ 5th Finance Commission.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** 5th Finance Commission. ৰ কথাটো, এইটো আমাৰ বিবেচনাধিন হৈছে আৰু সেই পইচাখিনি release ৰ ব্যৱস্থা বিত্ত বিভাগে নিশ্চয় কৰিব আৰু ২য় কথাটো হ'ল Minority Development ৰ যিখিনি কথা আছে, এই ক্ষেত্ৰত মই এটা কথা কওঁ যে আজিৰ দিনটোত যদিও ২৮ তাৰিখ, কিন্তু আমাৰ releaseৰ process টো চলিব। আজি কালি On line process গোটেইখিনি হৈছে। process টো এতিয়াও চলি আছে। আজি release হোৱা নাই কাৰণে অহা কালি release নহব, বা আজি হয়তো আবেলিলৈকে release হৈ যাব পাৰে। এনেকুৱা কোনো কথা নাই। গতিকে process টো এতিয়াও এই কথাখিনি চলি আছে। গতিকে যিবিলাক Cheque, FOC হিচাবে দিয়া হৈছে, আমাৰ বেছি ভাগ অফিচতে আনকি নিজৰ বিভাগৰে প্ৰশ্ন উত্তৰ আছিল, Director Employment য়ে কৈছে যে মই আজি সদনত যাব নোৱাৰো, আমাৰ Assistant Director যাব কাৰণ আজি মই দিনটো ইয়াতে এই release ৰ কামবিলাক কৰিব লাগিব। গতিকে এই বিলাক হৈ যাব। চিন্তা নাই। কিন্তু Minority ৰ ক্ষেত্ৰত মই এটা কথা অনুৰোধ কৰিব বিছাৰো, যে আচলতে পইচাটো release হওঁতে ইমান দেৰি কিয় হয়? সেইটো এটা প্ৰশ্ন আছে। release হোৱাত দেৰি হোৱাৰ কাৰণটো হ'ল এইটোৱে যে MinorityDevelopment Department য়ে হওঁক বা Char Area Development Department য়েই হওঁক বা কোনোবা অন্য Public Health Engineering Department য়েই হওঁক, তেওঁলোকে কেতিয়াবা কেতিয়াবা

কামখিনি কৰে, কৰি তেওঁলোকে সময়ত যিখিনি Bill Submit কৰিব লাগে Treasury য়ে হয়তো গোটেই খিনি নাপায়, বা চৰকাৰৰ ওচৰত বা Finance ত সেইখিনি দিব নোৱাৰে আৰু নোৱাৰাৰ কাৰণে আচলতে কেতিয়াবা কেতিয়াবা এইটো delay হৈ যায়। এইটো ক্ষেত্ৰত প্ৰত্যেক বিভাগে যদি নিজৰ নিজা বিভাগক যদি initiate কৰে আৰু Finance ক যদি এইটো approach কৰে, Finance Minister য়ে কালি নিজে বক্তব্য ৰাখিছে, Finance ত এটা ডাঙৰ Reform আমাৰ এই চৰকাৰৰ দিনত আনিছে। গতিকে Finance ত এই কথাখিনি কেতিয়াও ৰৈ নাথাকে। গতিকে সেইটো ক্ষেত্ৰত মই নিজে Minority Department ৰ Question Answer ৰ মই নিজে দি আছো এই সদনত মাননীয় মুখ্যমন্ত্ৰীৰ হৈ Minority ৰ কথাটো কৈছো তাত দেখিবলৈ পাইচো যে বহুত ক্ষেত্ৰত তেওঁলোকে হয়তো কামখিনি কৰিছে। কিন্তু তেওঁলোকে বিল বিলাক দিয়া নাই। Process is going on আৰু সেই মতে release কৰা হব।

**মাননীয় অধ্যক্ষ ঃ-** Thank you .

**শ্ৰী আব্দুল খালেক, সদস্যঃ-** এটা বোৰ্ডৰ ১২ কোটিৰ এক টকাও মুকলি কৰি দিয়া নাই। কেনেকৈ কাম কৰিব চাৰ। এইটো যি কোনো অনুষ্ঠানৰ ক্ষেত্ৰতে হওঁক আৰু স্বয়ং মুখ্যমন্ত্ৰী মহোদয় সেই বিভাগৰ মন্ত্ৰী। গতিকে চৰকাৰ, অকল Minority Board বুলি নহয়, আমাৰ Financial Discipline আহিব লাগে। অতীতত যি হ'ল হ'ল চাৰ। Financial Discipline আহিবলৈ হলে টকাবিলাক সোনকালে release কৰি দিব লাগে। ৩ দিনত কেনেকৈ গোটেইখিনি আজি মইটো আশা কৰিছিলো যে আজিটো ২৮ তাৰিখ। আজি মন্ত্ৰী মহোদয়ে থিয় হৈ কব পাৰিব লাগে যে টকা release হৈ গ'ল। তাৰ মানে এতিয়ালৈকে হোৱা নাই। গতিকে আৰু মাত্ৰ ৩ টা দিন আছে আমাৰ। তাতে দুদিন আকৌ Working day নাই, শুকুৰবাৰ বন্ধ। অধ্যক্ষ মহোদয়, যদি আমি Financial discipline আনিবলৈ খোজো, টকাবিলাক সময় মতে release কৰিব লাগিব যাতে কাম কৰিব পাৰো আৰু বিত্ত মন্ত্ৰী মহোদয়ৰ বাজেট আজি পাচ হব মন্ত্ৰী মহোদয় থাকিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ-** ৰকিবুল হুছেইন

**শ্ৰী ৰকিবুল হুছেইন, সদস্যঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি এইখন introduce হৈছে introduction ৰ সময়ত আমি কিছুমান প্ৰশ্ন কৰিব পাৰো আৰু আপোনাৰ তাত উত্তৰ নাথাকিব পাৰে। At the time of passing, আপুনি উত্তৰ দিলেও আমাক হ'ল। মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ দিলে প্ৰথম ছোৱাৰ লগত পিছৰখিনিৰ মিল নাই। প্ৰথমত আপুনি কলে যে পঞ্চায়ত এটা সৰ্বভাৰতীয় এটা অনুষ্ঠান মই যিটো শুনিছো। তাৰ এটা নিয়ম মতে হয়। পঞ্চায়ত সৰ্বভাৰতীয় এটা অনুষ্ঠান, কিন্তু পঞ্চায়ত এক্টখন আমাৰ নিজৰ। পঞ্চায়ত আইন সৰ্বভাৰতীয় amendment ৰ পাছত 73amendment ৰ পিছত পঞ্চায়তত নিজাববীয়াকৈ ৰাজ্য বিলাকক আইন কৰিবলৈ দিলে, আৰু সেই আইনৰ ভিত্তিতে আমি পইচা দিয়াৰ সিদ্ধান্ত ললো। এই সিদ্ধান্তটো যেতিয়া আমি পইচা দিয়াত set কৰিছো, সেইটো সৰ্বভাৰতীয় মাত্ৰ দুখন তিনিখন ৰাজ্যতহে আছে। এইটো হয়, সেইটো সৰ্বভাৰতীয় পৰ্য্যায়ত আমাৰ নাই। পিছৰ খিনি কিন্তু skip দিলে , কথাখিনি শুদ্ধ কৈছে যে আপোনালোকে কিয় দিয়া নাই। আগত কিয় দিয়া নাই। সেইটো উত্তৰ নহয়। পিছৰখিনি শুদ্ধ উত্তৰ। ঠিক আছে।

**মাননীয় অধ্যক্ষ ঃ-** শেষ ভালেই সকলো ভাল।

**শ্ৰী ৰকিবুল হুছেইন, সদস্যঃ**- আমি আশা কৰিছো যে শেষ ভাল হব। অতি সোনকালে আমাৰ পঞ্চায়তৰ পইচাখিনি দিব।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, সদস্য ঃ**- অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে যেনেকৈ উত্তৰ দিলে , দোষবোৰ কিন্তু আমাৰে। আমাৰ বিধায়কৰ গাত দোষ। ১২ কোটি টকাৰ অধ্যক্ষ মহোদয় এক টকাও ৰিলিজ হোৱা নাই। এইটো আমাৰ দোষ নেকি অধ্যক্ষ মহোদয়? বিষয়া সকলে কিয় কৰা নাই? আপোনাৰ বিভাগে কিয় কৰা নাই? কিয় ৰিলিজ কৰি দিব পৰা নাই? পঞ্চায়তৰ প্ৰতিনিধি সকলে কিয় টকা পোৱা নাই। সেইখিনি বস্তু বিভাগৰ অধিকাৰী সকলে চাব লাগে। তেওঁলোক ষ্ট্ৰং মন্ত্ৰী সেই কাৰণে ষ্ট্ৰং কিবা এটা কৰিব বুলি মই ভাবো।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 5th Finance Commission ৰ পইচাৰ কথা কৈছিল। Finance Department য়ে ৰিলিজ কৰিব । আমি যিখিনি জানো সেই পইচাখিনি ইতিমধ্যে পঞ্চায়তত ৰিলিজ হৈ গ'ল কিন্তু খৰচ কৰিবলৈ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ**- আমি এটা খৰচ কৰিবলৈ দিছো। যোৰহাটত দিছো. I think there is a meeting আমিটো আমাৰ চৰকাৰে দিয়া নীতি মতে আমাৰ যোৰহাটতো মিতিং হৈছে, আৰু পইচাখিনি আমি ইতিমধ্যে ৰিলিজ কৰি দিছো। ৰূপজ্যোতি কুৰ্মী

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিশেষ কব লগা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয় জানিব বিচাৰিছো। বিভিন্ন বিভাগৰ কথা নকওঁ কেইটামান বিভাগত কিছু কাম হৈছে আমি আঁচনি পাইছো, সেইটো আমি স্বীকাৰ কৰিম। খেলৰ সামগ্ৰী যোৱা বৰ্ষও নাপালো, এই বছৰো খেলৰ সামগ্ৰী এতিয়ালৈকে পোৱা নাই। এটা দিন বাকী আছে। যোৱা বছৰো খেলৰ সামগ্ৰী নাপালো এই বছৰো আমি নাপাম নেকি?

**মাননীয় অধ্যক্ষ ঃ**- ৰূপজ্যোতি কুৰ্মীক ধন্যবাদ দিছো। আমাৰ মুখ্যমন্ত্ৰী বহি আছে নিশ্চয় এইখিনি কথাত তেওঁৰ দৃষ্টিআকৰ্ষণ হৈছে। আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ দুমহীয় বাজেট অধিবেষনৰ মুল কাৰ্য্যসূচীটো আজি. এইক্ষেত্ৰত যিটো কথা আমাৰ কমল সিং নাৰ্জাৰী ডাঙৰীয়াই কৈছিল মই সেই দিনা পঞ্চায়ত প্ৰতিনিধিৰ দৰমহাৰ ক্ষেত্ৰত যেতিয়া প্ৰশ্ন উত্থাপন কৰিছিলো তেতিয়া কৈছিলে যে পঞ্চায়তৰ নিজস্ব চৰ্চৰ পৰা আচলতে দিব লাগিছিল তাৰ পাচতো মই বিভিন্ন পঞ্চায়তত খবৰ লৈ দেখিছো, গাওঁ পঞ্চায়ত বিলাকৰ নিজস্ব চৰ্চ নাইয়ে। কিছুমানৰ অলপ যদি আছিলে আগতে নাজানে খৰচ কৰি দিলে। এইটো যদি চৰকাৰে নিদিয়ে সেই পঞ্চায়তৰ নিজা Source ৰ পৰা কিন্তু নিদিবই। তেওঁলোকৰ ৫০-৫২ মাহ বাকীয়ে থাকি যাব. গতিকে এইক্ষেত্ৰত যাতে চৰকাৰৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থাটো কৰে।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ । নুৰুল হুদা

**শ্ৰী নুৰুল হুদা, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, জিলা পৰিষদ সমুহত যিটো পইচা মুকলি কৰি দিছে বিত্ত বিভাগৰ, মুকলি কৰি দিয়াৰ পাছত আকৌ এটা গাইড লাইন দি দিছে যে পইচাখিনি খৰচ কৰিব নালাগে। পইচাখিনি ৰখাই থোৱা হ'ল কিয়? এই কথাখিনি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিকেইটা প্ৰশ্ন মাননীয় সদস্যসকলে কৰিছে লগতে খালেক ডাঙৰীয়াই সংখ্যালঘূ উন্নয়ন ব'ৰ্ড কথাটো কৈছে। All of the central share as well as State shares, multi sectoral development programme ৰ সকলো টকা ৰিলিজ কৰা হৈছে আৰু আজি প্ৰায় ২৮৭ কোটি টকা বিত্ত বিভাগে ৰিলিজ কৰিছে ।তাৰোপৰি যিখিনি eligible proposal আছে Minority Development ৰ, সেইখিনি guideline মতে consider কৰা হ'ব। সেই কথাটো মই খালেক ডাঙৰীয়াক আশ্বস্ত কৰিছো। দ্বিতীয় কথাটো হ'ল পঞ্চায়ত আৰু পঞ্চম বিত্তীয় আয়োগৰ গেটেই বিষয়খিনি প্ৰচেছত আছে আৰু যিসমূহ প্ৰস্তাৱ বিভাগে পাইছে, সেইখিনি পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। সিদিনাখন আমাৰ বিত্ত মন্ত্ৰীয়ে কৈছে যে যদি ক'ৰবাত কিবা এটা ভুল হয়, তেতিয়া আমাকে জগৰীয়া কৰিব। গতিকে প্ৰস্তাৱ বিলাক পৰীক্ষা কৰিব লাগিব। সেই হিচাপত প্ৰস্তাৱ সমূহ প্ৰচেছ কৰি থকা হৈছে আৰু ৰিলিজ কৰা হ'ব। আমাৰ বিত্ত বিভাগৰ পৰা আমাক এটা কথা কোৱা হৈছে যে এইবাৰ ৰাজ্যখনত এটা ডাঙৰ ৰিফৰ্ম অনা হৈছে সকলো দিশত। যিহেতু ৰিফৰ্ম আনিছে, গতিকে বিত্ত বিভাগৰ খৰছৰ হাৰ বাঢ়িব। যোৱাকালি আমিনুল ইছলাম ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ এইবাৰ খৰছ বাঢ়িব। 14th finance commissionৰ কথা কৈছে আমাৰ মাননীয় সদস্য এজনে। সেই পইচা ৰিলিজ কৰা হৈছে যদিও যিহেতু পঞ্চায়তসমূহৰ কাৰ্য্যকাল শেষ হোৱা তাৰিখ ১৮ আৰু তেওঁলোকে ইমান কম সময়ত ইমান টকা খৰছ কৰাটো সম্ভৱ নহয়, সেয়ে প্ৰতিখন পঞ্চায়তক এঘাৰ-বাৰ লাখ টকাকৈ দিয়া হৈছে। পোন্ধৰ দিনৰ ভিতৰত যিহেতু গোটেই পইচা খৰছ কৰিব নোৱাৰে সেয়েহে হয়টো এখন Circular বিভাগৰ পৰা গৈছে যাতে পইচাটো দৌৰা-দৌৰিকৈ খৰছ কৰি মিচ ইউজ নকৰে। টকাটো যিহেতু ৰাইজৰ গতিকে ভালদৰে যাতে খৰছ হয় তাৰ বাবেহে এই Circular দিয়া হৈছে। তাৰোপৰি পঞ্চম বিত্তীয় আয়োগৰ ক্ষেত্ৰত পঞ্চায়তৰ দা-দৰমহা সম্পৰ্কত যিটো কথা কৈছে সেই বিষয়টো প্ৰচেছত আছে আৰু এইটো নিশ্চয় হ'ব।

**শ্ৰীআব্দুল খালেক** ঃ চাৰ মই নিৰ্দ্দিষ্টকৈ কৈছো যে Assam Minority Development ৰ ১২ কোটিৰ এটকাও release কৰা হোৱা নাই। কিন্তু মই আচৰিত হৈছে বিত্ত বিভাগৰ বিষয়া সকলে যেতিয়া slip দিছে তেখেতসকলে মই নিৰ্দ্দিষ্টকৈ কৰা প্ৰশ্নটোৰ উত্তৰ দিব লাগে। মই ভাবিছিলো এ.এম.ডি.বিৰ টকা ৰিলিজ কৰিছে কিন্তু এ.এম.ডি.বিৰ টকা release কৰা নাই গতিকে মই যিহেতু নিৰ্দ্দিষ্টকৈ সুধিছো গতিকে নিৰ্দ্দিষ্টকৈ ক'ব লাগে ইফালে সিফালে ক'ব নালাগে, যদি পাৰে মন্ত্ৰীয়ে নিৰ্দ্দিষ্টকৈ ক'ব নহ'লে নালাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইফালে-সিফালে কোৱা নাই। মই এটা কথা কৈছো যে, আজি ২৮ তাৰিখে বিত্ত বিভাগে ২৮৭ কোটি টকা release কৰিছে আৰু তাত এ.এম.ডি.বি আছেনে নাই, সেই কথা মই বিত্ত বিভাগৰ পৰা আনিহে আপোনাক ক'ব পাৰিম। এতিয়া কথা হ'ল, FOC আজিও release কৰি থকা হৈছে। গতিকে মই খালেক ডাঙৰীয়াক এটা আশ্বস্ত কৰিব বিচাৰিছো যে মই আগতেও কৈছে যে, যদি Minority Development Boardএ দিয়া proposal সমূহ eligible হয় তেতিয়া হ'লে মই সদনত বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ হৈ কৈছে টকাখিনি মোকলাই দিয়া হ'ব।

**শ্ৰীআব্দুল খালেক** ঃ চাৰ মোৰ প্ৰশ্নৰ উত্তৰত নিৰ্দ্দিষ্টকৈ জনাইছে যে Minority Develop-

ment Boardৰ বাবে ১২ কোটি টকা ধাৰ্য্য কৰা হৈছে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত। ২৮ মাৰ্চলৈকে এখন চৰকাৰে ঠিক কৰিব পৰা নাই যে এইখিনি eligible হয়নে নহয়, ইয়াতকৈ দুৰ্ভাগ্যজনক কথা কি আছে চাৰ। বিত্তীয় বৰ্ষৰ মাত্ৰ তিনিদিন বাকী থকা সময়ত মুখ্যমন্ত্ৰী মহোদয়ৰ তত্বাবধানত থকা এখন ব'ৰ্ডৰ ১২ কোটি টকা eligible হয়নে নহয়, সেইকথাটো বিত্ত বিভাগে ঠিক কৰিব নোৱাৰাটো দুৰ্ভাগ্যজনক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো দুৰ্ভাগ্যজনক নহয়।

**শ্ৰীআব্দুল খালেক** ঃ চাৰ ...........

**মাননীয় অধ্যক্ষ** ঃ খালেক ডাঙৰীয়া আপুনি কওতে আপোনাক কোনেও অসুবিধা দিয়া নাই। গতিকে আপুনি বহক। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো দুৰ্ভাগ্যজনক কথা নহয়, এইটো ভাল কথা। কি ভাল - যিকোনো এটা আঁচনি নীতি-নিয়মৰ মাজেৰে কৰি সেই আঁচনিটো eligible হয়নে নহয় সেই চাই অনুমোদন দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আপুনিও দেখিছিল ১৯৮৫ চনৰ আগত কি নিয়ম আছিল। তেতিয়া কি হৈছিল যে ৩১ মাৰ্চত দিশপুৰ ট্ৰেজাৰিত এটা মাইক লগাই থৈ দিয়ে আৰু তাতে চিঞৰে - ডিফু ডি.এফ.অ' আৰু ডি.এফ.অ'য়ে গৈ তাৰ পৰা টকা লৈ আহে। এইটো আছিল চিষ্টেম ১৯৮৫ চনৰ আগত। গতিকে এইটো দুৰ্ভাগ্যজনক কথা এই কাৰণেই নহয়, আজি মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ চলিছে, সেইখন চৰকাৰে সংখ্যালঘূ উন্নয়নৰ বাবে থকা সকলো টকা eligible আঁচনিৰ জৰিয়তেদি প্ৰতিজন সংখ্যালঘূ দুখীয়া মানুহে যাতে পায় তাৰ ব্যৱস্থা কৰিছে। তাৰ কাৰণে যদি eligible আঁচনি ব'ৰ্ডে দিব পৰা নাই তেতিয়া হ'লে...

**শ্ৰীআব্দুল খালেক** ঃ চাৰ .... ...

**মাননীয় অধ্যক্ষ** ঃ আপুনি বহক। আপোনালোকে আসুবিধাৰ সৃষ্টি নকৰিব। মাননীয় মন্ত্ৰী আপুনি কওঁক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিটো **Minority Board** অৰ্থাৎ**Assam Minority Development Board (AMDB)** তেখেতে কৈছে যে তাত এটকাও **Release** হোৱা নাই। গতিকে বিত্তবিভাগে মোক জনাইছে যে যিখিনি **Eligible Scheme** তেওঁলোকে পাইছে তাৰ ভিতৰত ৩-৩-২০১৮ তাৰিখত **Assam Minority Development Board 42** লাখ টকা **Eligible Scheme** ৰ পইচা ইতিমধ্যে মোকলাই দিছে। আপোনালোকে শুনক।

(সদনত হুলস্থূলীয়া পৰিৱেশ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৱে উঠিক'লে নহ'ব । আপোনালোকৰ সকলোৰে আপত্তি কৰা স্থল আছে। আপোনালোকে আপত্তি কৰিব। কিন্তু এনেকৈ নহয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, মই উত্তৰ দিয়াৰ পিছত তেখেত সকলে কব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে অলপমান ধৈৰ্য্য ধৰিব লাগিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ আপুনি কোৱা কথাটো হয়, ওৱাজেদ আলি চৌধুৰী ডাঙৰীযাই কোৱা কথাটোও হয় যে **Assam Minority Development Board** য়ে সকলো **Minority** কে সামৰি ল'ব লাগে। এইটো মইয়ো কওঁ। গতিকে আমাৰ

**Assam Minority Development Board** য়ে ১৬-১২-২০১৭ তাৰিখে ২০ লাখ ২৫ হাজাৰ টকা মুকলি কৰি দিছে। ১৫-১২-২০১৭ তাৰিখে ৫ লাখ ৩৮ হাজাৰ টকা মুকলি কৰি দিছে আৰু ৩-৩-২০১৮তাৰিখে ৪২ লাখ টকা মুকলি কৰি দিছে।

**মাননীয় অধ্যক্ষ** ঃ এইখিনি টকা মুকলি কৰি দিয়া হৈছে। বাকীখিনি process ত আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ সেয়েহে আব্দুল খালেক ডাঙৰীয়াই যিটো কৈছে, এটকাও মুকলি কৰি দিয়া নাই, সেইটো সত্য নহয়।

(সদনত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ ঃ** This is a place for debate. কিন্তু এই ধৰণে নহয়। I think, we should conclude it. বেছি বহল কৰিব নালাগে। আপুনি কোনখিনি ক'লে আৰু কোনখিনি দিব পৰা নাই সেইটোও ক'লে। এতিয়া আৰু debate.কৰিব নালাগে। পাটোৱাৰী ডাঙৰীয়া, আপুনি কোৱা মতে এইখিনি পইচা দিয়া হৈছে আৰু বাকীখিনি process ত আছে। যিয়ে **Eligible** হ'ব, তেওঁলোকে পাব নহ'লে নাপাব। এইখিনিয়েই কথা।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি পইচাৰ কথা ক'লো সেইখিনি টকা মুকলি কৰি দিয়া হৈছে। বাকীখিনি প্ৰচেচত আছে, যিয়ে **Eligible** হ'ব তেওঁলোকে পাব নহ'লে নাপাব আৰু এটকাও মুকলি কৰি দিয়া নহ'ল। এই কথা আগৰ তথ্য ১২ ৰ মতে কৈছো । তাৰ পিছত ২৮-০২-২০১৮তাৰিখে আৰু ৫ লাখ ৬১ হাজাৰ টকা মুকলি কৰা হৈছে। গতিকে অধ্যক্ষ মহোদয়, আব্দুল খালেক ডাঙৰীয়াই যিটো কৈছিল মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ বিভাগত পইচা ৰিলিজ নহয়, এইটো দুৰ্ভাগ্য জনক কথা। কাৰণ মুখ্য মন্ত্ৰী ডাঙৰীয়াই **Minority Development** ৰ প্ৰতিটো পইচা খৰচ কৰিব বিচাৰিছে। গতিকে প্ৰত্যেকটো **Eligible Scheme** ৰ বাবে বাবে মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ বিভাগৰ পৰা **Minority Developmen** লৈ পইচা যাব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খেলৰ সামগ্ৰী ক্ৰয় কৰাৰ বিষয়ে জনিব বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ** ঃ খেলৰ সামগ্ৰী ক্ৰয় কৰা কথাটো ইতিমধ্যে ৰেকৰ্ড কৰা হৈছে। এইটো উত্তৰ দিব লগা বিষয় নহয়। এতিয়া কমল সিং নাৰ্জাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয় মোৰ কথাটো হৈছে যে এই বি টি চিৰ ক্ষেত্ৰত কৈছিল যে তাত বিটি চিৰ ক্ষেত্ৰত **MNR** ৰ ফাগুৰ ক্ষেত্ৰত যোৱা ২৬ তাৰিখে বিত্ত মন্ত্ৰীয়ে নিজে ঘোষণা কৰিছিল। কিন্তু যোৱা কালিলৈ চিলিংটো নগ'ল। অধ্যক্ষ মহোদয়, কিহৰ কাৰণে নগ'ল মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এতিয়া এইটো যোৱাৰ ব্যৱস্থা কৰাটো বিচাৰিছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ বিত্ত বিভাগৰ লগত এইটোৰ কথা পাতি বিবেচনা কৰা হ'ব।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিবেচনা কৰা নহয়। ৩১ মাৰ্চৰ আগত চিলিং টো যাব লাগে। মই ইয়াৰ উত্তৰটো বিচাৰিছো কিয় নগ'ল?

**মাননীয় অধ্যক্ষ** ঃ আপুনি আপোনাৰ পইণ্টটো দিছে, তেখেতে বিৱেচনা কৰিম বুলি কৈছে। আপুনি উত্তৰটো **Partial** হ'লেও সেইটোৱে ল'ব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, মই যিহেতু আপোনাক

কৈছো, বিৱেচনা কৰিম, কমল সিং নাৰ্জাৰী ডাঙৰীয়াক বিৱেচনা কৰাটোক অনুগ্ৰহ কৰি বিশ্বাসত ল'বলৈ অনুৰোধ জনালো। কাৰণ ৰিলিজৰ কাম বৰ্তমান এতিয়াও চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে ৰিলিজ হোৱা নাই কিন্তু চেষ্টা কৰিব বুলি কৈছে। এতিয়া ফণীভূষণ চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ফণীভূষণ চৌধুৰী (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি একো একোজন দায়িত্বশীল সদস্য অসম বিধান সভাৰ মজিয়াত আছো। আমি আচলতে কথা কওঁতে তথ্য ভিত্তিত সত্য কথাটো ক'ব লাগে। মই মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে কেতিয়াবা ভুল তথ্য দিলে মন্ত্ৰী সকলে পদত্যাগ কৰাৰ বাবে দাবী উত্থাপন হোৱাৰ দৃষ্টান্ত আছে। এতিয়া আব্দুল খালেক ডাঙৰীয়াই কৈ আছে যে **Minority** বিভাগত এটকাও মুকলি কৰি দিয়া নাই । মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিত্ত মন্ত্ৰীৰ হৈ কৈছে যে টকা মুকলি কৰি দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** The point is noted. এইটো point বোৰ Note কৰা হৈছে।

**শ্ৰী ফণীভূষণ চৌধুৰী (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে খালেক ডাঙৰীয়াই ভুল তথ্য দিছে। অসত্য কথা কোৱাৰ বাবে তেওঁৰ ওপৰত কি ব্যৱস্থা ল'ব। (সদনত হুলস্থুলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ ঃ** সেইটোৰ ওপৰত এতিয়া debate নহ'ব। আপুনি কোৱা প্ৰশ্নটো ইয়াৰ লগত জড়িত নহয়। মই এইটো বিষয় পিছত চাম। এতিয়া বিনিয়োজন বিধেয়কৰ আলোচনা হ'ব। বাকী অন্য কিবা থাকিলে মোক দিব। মই পিছত চাম।

এতিয়া বিধেয়ক খন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? **(সদনে সন্মতি জনাই)**

**মাননীয়অধ্যক্ষ ঃ** অনুমতি দিয়া হল।

**মাননীয়অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ২৬ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - Under the provision of Article 207, Sub-Clause-I of the Constitution of India I, Professor Shri Jagdish Mukhi, Governor of Assam recommend the introducation of **"The Assam Appropriation (No.II) Bill, 2018"** in the Assam Legislative Assembly. এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়ক খন সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ **"অসম বিনিয়োজন ( নং- II) বিধেয়ক ২০১৮"** সদনত উত্থাপন কৰিলো।

**মাননীয়অধ্যক্ষ ঃ**এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা হল -**"অসম বিনিয়োজন (নং- II) বিধেয়ক ২০১৮"**।

**মাননীয়অধ্যক্ষ ঃ** এতিয়া মই ৰাজ্যপাল মহোদয়ে বিধেয়কখন বিবেচনাৰ বাবে যিটো বাণী পঠিয়াইছে সেইটো পঢ়ি দিব বিচাৰিছো। Under the provision of Article 207, Sub-Clause-III of the Constitution of India I, Professor Jagdish Mukhi, Governor of Assam recommend that the **"The Assam Appropriation (No.II) Bill,2018"** be taken into consideration by the Assam Leg-

islative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ **"অসম বিনিয়োজন (নং- II) বিধেয়ক ২০১৮"** বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয়অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত ডাঙি ধৰিলো। প্ৰস্তাৱটো হল - "অসম বিনিয়োজন (নং- II) বিধেয়ক ২০১৮" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য / সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক, 'হয়' আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে। প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া মই বিধেয়ক খনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত উত্থাপন কৰিলো। প্ৰশ্নটো হল - বিধেয়ক খনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়ক খনৰ অংশ হব। যি সকল মাননীয় সদস্য / সদস্যাই এই দফা দুটাৰ সপক্ষে আছে তেওঁলোকে কওঁক, 'হয়' যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে। বিধেয়ক খনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়ক খনৰ অংশ হৈছে। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত ডাঙি ধৰিলো। প্ৰশ্নটো হল - বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হব। যি সকল সন্মানীয় সদস্য / সদস্যাই এই দফাৰ সপক্ষে আছে তেওঁলোকে কওঁক, 'হয়' যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে। বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে মাননীয় বিত্ত মন্ত্ৰীৰ হৈ এই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহনপাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ "অসম বিনিয়োজন (নং- II) বিধেয়ক ২০১৮" পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয়অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল - "অসম বিনিয়োজন (নং- II) বিধেয়ক ২০১৮" পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য / সদস্যাই ইয়াৰ সপক্ষে আছে তেওঁলোকে কওঁক, 'হয়' যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে, 'হয়'ৰ সপেক্ষে।

**মাননীয়অধ্যক্ষ ঃ** প্ৰস্তাৱটো পাৰিত কৰা হৈছে, বিধেয়কখনো পাৰিত কৰা হৈছে। মই আজিৰ বিধান সভা স্থগিত কৰাৰ আগতে দুটা কথা কব খুজিছো। মাননীয় মুখ্যমন্ত্ৰী আছে, মই তেখেতক অনুৰোধ কৰিম - অহা কালি যিহেতু S.D.G.ৰ discussion আছে, আপোনালোকৰ পৰামৰ্শ মৰ্মে আমাৰ বিৰোধী দলপতিৰ লগত আলোচনা কৰি যিটো সিদ্ধান্ত লোৱা হৈছিল, সেইটো কালি আলোচনা কৰা হব আৰু সেই আলোচনাটোত যি সকল আমাৰ Concerned Senior Officials, তেওঁলোক যদি উপস্থিত থাকে তেতিয়া আমাৰ আলোচনাটো ফলপ্ৰসু হোৱাত সহায়ক হ'ব। এই ক্ষেত্ৰত আপোনাক বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ কৰিছো, লগতে কালিলৈ S.D.G.ৰ আলোচনা যিহেতু দীঘলীয়া হ'ব সেইকাৰণে মই "Zero Hour", "Rule-54", "Rule-301" ৰ আলোচনা কেইটা কালিলৈৰ বাবে স্থগিত ৰাখিব বিচাৰিছো। সদনৰ সকলোৰে যদি অনুমতি আছে মই এইটো গ্ৰহণ কৰিব পাৰো।

(প্ৰস্তাৱটোত সদনে সন্মতি জনাই)

(এতিয়া কালিলৈ পুৱা ০৯-৩০ বজালৈকে সদন স্থগিত ৰখা হৈছে। )

**সময়**- ০২-৪৫ ঘন্টা ।